REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1989

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VO. III

## NO. 32

The 5th April, 1979

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781 022*

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

**( Budget Session )**

**Volume— III**

**No— 32**

**Dated the 5th April, 1979.**

## CONTENTS.



| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 84 |
| 2. | Miscellaneous ... ... ... ... | 85— 97 |
| 3. | Statement by Chief Minister ... ... | 97— 98 |
| 4. | Statement by Minister ... ... ... | 99— 101 |
| 5. | Matter under rule 301 ... ... ... | 102— 112 |
| 6. | Laying of Reports ... ... ... | 112 |
| 7. | Presentation of Committees Reports. ... | 112— 114 |
| 8. | Consideration and Passing of Government Bills ... | 114— 137 |
| | (a) The Assam Veterinary Council Bill, 1979 | |
| | (b) The Assam Legislative Assembly Members Salaries and Allowances (Amendment) Bill, 1979. | |
| 9. | Discussion under Rule 49 ... ... ... | 137— 144 |
| 10. | Adjournment ... ... ... ... | 145 |

Proceedings of the third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur Gauhati on Tuesday, the 5th April, 1979 with the Hon. Speaker/Deputy Speaker in the Chair, 12(twelve) Minister, 4 (four) Ministers of State, 2 (two) Parliamentary Secretries/ Deputy Ministers and 50 (fifty) Members present.

—

## STARRED QUESTIONS AND ANSWERS

Date : 5th April, 1979

(To which oral answers were given)

———

Mr. Speaker :— Pending Starred Question No. 494.

Shri Kiron Chandra Bezbaruah :— Sir, may

I know from the Hon'ble Minister, Transport, whether any step had been taken by the Govt. against the misuse of two Steel Plates of weigh-bridges which were used as cover in front of the D.T.O.s Office, Gauhati ?

Shri Zahirul Islam (Minister):— Sir, from the report of D. T .O. it appears that no such plates are available there.

Shri Kiron Chandra Bazbaruah :— Sir, in reply to my question (d). the Hon'ble Minister has stated 'yes'. Therefore, I want to know what step has been taken against such misuse of steel plates ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী):— এইটো কেনেকৈ ক'ব পৰা আহিল কব নোৱাৰো কিন্তু ১৯৬৯ চনৰ পৰাই ব্যৱহাৰ কৰা হৈছে। এইটো ব্যৱহাৰ কৰা কথাটো সচাঁ। ক'ৰ পৰা কেনেকৈ আহিল এইটো মই ৰিপৰ্টত উলিয়াব পৰা নাই।

শ্ৰীঅতুল গোস্বামী:— প্লেটবোৰ খোজ কাঢ়ি আহিল নেকি ? Sir, may I know from the Hon'ble Minister whether any enquiry wiil be made against such misuse of Steel Plates ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী):— মোৰো অনুসন্ধান কৰাত আপত্তি নাই।

Shri Kiron Chandra Bazbaruah :— Sir, in reply to my question (a) the Hon'ble Minister Transport has stated that the Commissioner of Transport, Assam, purchased 3 nos of Recorder Weigh-bridges, one in 1967-68 and two in 1968-69. May I know from the Hon'ble Minister whether it is a fact that an amount of Rs. 75,000/- was sanctioned for repairing.

Shri Zahirul Islam (Minister) :— Sir, no amount was sanctioned for repairing.

শ্ৰীঅতুল গোস্বামী :— যিটো মেচিন ইন্সষ্টাল কৰা হৈছে সেইটো বেয়া হৈ আছে। মেৰামতিৰ প্ৰয়োজন হৈছে এইটো কথা জানেনে?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— ৰিপৰ্টত বেয়া বুলি আমি দেখা নাই।

শ্ৰীজীৱন বৰা :— মন্ত্ৰী মহোদয়ে কৈছে যে এইবিলাক বস্তু অ'ত ত'ত পৰি থকাৰ কাৰণে মিচ্‌ইউজ হৈছে। যদি মিচ্‌ইউজ হৈছে বোলে কেনেকৈ মিচ্‌ইউজ কৰিছে এইটো অনুসন্ধান কৰি মিচ্‌ইউজ কৰা সকলৰ ওপৰত শাস্তি বিহাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— এই সম্পৰ্কত অনুসন্ধান কৰিবৰ কাৰণে সদনৰ পৰা এখন কমিটি কৰি দিলে ভাল হব।

Mr. Speaker :— Let us now come to today's question No. 516.

Re: Opening of an Institute of Pharmacy independent of Midical College in North Bank

Shri Bishnulal Upadhyaya asked:

516: Will the Minister of State, Health be pleased to state—

Whether Government have any proposal to open an Institute of Pharmacy independent of Medical College some where in the North Bank to fulfil the backlog and increasing demand of Pharmacists in the State Health Services, Railways, Tea Estates, Industrial Corporation Private Firms etc.?

Dr. Kosheiwar Bora (Minister of State, Health) replied:

516. No.

Shri Bishnulal Upadhyaya :— Sir, may I know from the Hon'ble Minister of State whether it is a fact that the University Grants Commisson had offered a scheme of Rs. 5 (five) lakhs for opening up a Diploma Course for Pharmacists vide their letter dt. 27th April, 1978, to the Registrer, Dibrugarh University, with copy to the Principal Assam Medical College?

If so, what step has been taken to take up the scheme ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই এই চিঠিখন সন্দৰ্ভত এতিয়ালৈকে গম পোৱা নাই।

শ্ৰীঅজয় দত্ত :— এই অনুষ্ঠানটোৰ প্ৰিন্সিপাল কোন ? এই অনুষ্ঠানটো কোনে পৰিচালনা কৰে, মেডিকেল কলেজে পৰিচালনা কৰে নেকি ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— এই অনুষ্ঠানটো অসম মেডিকেল কলেজৰ তলত চলি আছে। ইয়াৰ প্ৰিন্সিপাল শ্ৰীএন, জামান।

শ্ৰীমুকুট শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমত এতিয়ালৈকে পঞ্জিভুক্ত কিমান জন ফাৰ্মাচিষ্ট আছে। এই ফাৰ্মাচিষ্ট সকলে কোন অনুষ্ঠানৰ পৰা পাচ কৰি আহিছে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো বেলেগে প্ৰশ্ন কৰিব লাগিব।

শ্ৰীমুকুট শৰ্ম্মা :— এইটো ইয়াৰ লগত জড়িত থকা কথা। অসমত কিমান জন পঞ্জিভুক্ত ফাৰ্মাচিষ্ট আছে মন্ত্ৰী মহোদয়ে জনাব লাগে।

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— সেইটো বৰ্ত্তমান মোৰ লগত নাই।

Shri Abdul Muktadir Choudhury :— Sir, may I know from the Hon'ble Minister of State what is the

total requirement of Pharmacists in the State and what is the tolal number of Pharmacistes available at presents ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— এইটো বেলেগ প্ৰশ্ন।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ চৰকাৰে নিশ্চয় এইটো জানে যে ফাৰ্মাচিষ্ট গোটেই অসমত যথেষ্ঠ পৰিমানে অভাৱ। য'ত ফাৰ্মাচিষ্ট দিব লাগে তাত দিব পৰা নাই। আনকি ডিচ্‌পেনচাৰিটো ফাৰ্মাচিষ্ট দিব পৰা নাই। গতিকে অসম ৰাজ্যৰ ফাৰ্মাচিষ্টৰ অভাৱৰ কথা বিবেচনা কৰি যাতে ফাৰ্মাচিষ্টৰ সংখ্যা সোনকালে বঢ়াব পৰা যায় তাৰৈ লক্ষ্য ৰাখি এটা বৰ্দ্ধিত সংখ্যা ভৰ্ত্তি কৰাৰ কাৰণে চৰকাৰে চিন্তা কৰিব নে ?

ডাঃ কোযেশ্বৰ বৰা ( মন্ত্ৰী ) :— আগতে ডিব্ৰুগড় মেডিকেল কলেজত ৫০ জন আছিল তাৰ পিচত ৮০ জন কৰা হ'ল এই বছৰ ১০০ জনলৈ বৃদ্ধি কৰা হৈছে।

Shri Promode Chandra Gogoi :— Sir, in reply to the supplementary question put by the Hon'ble Member Shri Upadhyaya, the Minister of State has stated that Govt. had no information with regard to the letter dt. 27th April from the U.G.C. Is it a fact that this amount which was offerred by the U.G.C. was taken into account at the time of preparing the plan budget ?

ডাঃ কোযেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই আগৰ প্ৰশ্ন-

তেই কৈছো যে যিখন চিঠিৰ কথা উল্লেখ কৰিছে সেইখন এতিয়ালৈকে মোৰ দৃষ্টিগোচৰ হোৱা নাই। মাননীয় সদস্যই যিহেতুকে কৈছে এইটো মই খবৰ কৰি সদনক জনাম।

শ্ৰীপ্ৰমোদ গগৈ :— মন্ত্ৰী মহোদয়ে কৈছে যে এতিয়ালৈকে তেওঁৰ চিঠিখনৰ দৃষ্টিগোচৰ হোৱা নাই। এই কথা যদি প্ৰমাণ হয় চিঠি পোৱা স্বত্তেও চৰকাৰে কোনো ব্যৱস্থা লোৱা নাছিল আৰু যিসকলে এই চিঠিৰ ওপৰত ব্যৱস্থা নকৰি টকা চাৰেণ্ডাৰ কৰিলে সেইসকলৰ ওপৰত ব্যৱস্থা লোৱা হব নে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— মই কৈছোৱেই যে এইটো মোৰ দৃষ্টিগোচৰ হোৱা নাছিল। আৰু আহিছে যদিও নিশ্চয় কিবা এটা অৱস্থাত আছে। মই এইটো জনাৰ পিচত উত্তৰ দিব পাৰিম।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— এই চিঠিখনৰ ওপৰত বিচাৰ কৰি এই অনুষ্ঠানটো কৰিবৰ কাৰণে ইউ, জি, চি,ক মন্ত্ৰী মহোদয়ে অনুৰোধ কৰিবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— নিশ্চয় এইটো কৰা হব।

Shri Altaf Hussain Majumdar :— Sir, in view of the demands for Pharmacists throughout the State both in the offical and non official Sectors, may I know from the Minister of State whether some arrangments can be made for opening such course in Silchar Madical Collage ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :-- অধ্যক্ষ মহোদয়, এই কেইটাৰ

পৰিপ্ৰেক্ষিতত এইবাৰ ৮০ পৰা ১০০ লৈ চিট বঢ়োৱা হৈছে। শিলচৰত বঢ়াই দিয়াৰ কথা চৰকাৰে ভবা নাই।

শ্ৰীনৰেন্দ্ৰ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো অলপ বেলেগ ধৰণৰ যদিও ইয়াৰ লগত অলপ সম্পৰ্ক আছে, গতিকে মই জানিব বিচাৰো ডিব্ৰুগড় ইউনিভাৰ্চিটিৰ ফাৰ্মেচীষ্ট ছাত্ৰ সকলে ১২ টা দাবীৰ সম্পৰ্কত ১৯ তাৰিখৰ পৰা দাবী সমূহৰ পূৰণৰ কাৰণে ধৰ্ম্মঘট কৰিছে। তাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে? আৰু যদি লোৱা নাই সোনকালে কিবা ব্যৱস্থা লোৱাৰ কথা ভাবিছেনে?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্ন। এই বিষয়ে পিছত জনোৱা হব।

শ্ৰীজীৱন বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে কুৱালীফাইদ ফাৰ্ম্মেচীষ্ট অসমত কম থকাৰ কাৰণেই অসমৰ বাহিৰৰ পৰা ফাৰ্ম্মেচিষ্ট আনি নিয়োগ কৰা হৈছে। ইয়াৰ কাৰণ হৈছে উপযুক্ত ফাৰ্ম্মেচীৰ অভাৱ। সেয়েহে মন্ত্ৰী মহোদয়ে নতুন এখন ফাৰ্ম্মেচী পতাৰ কথা চিন্তা কৰিছে নে? আৰু যদি কৰিছে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে এখন ফাৰ্ম্মেচী কৰিবৰ কাৰণে আঁচনি ৰাখিছেনে?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ফাৰ্ম্মেচাষ্টৰ সংখ্যা বাঢ়িছে যদিও সকলো বিলাক ফাৰ্ম্মেচাষ্ট ৰেজিষ্টাৰ্ড নহয়। যিবিলাকক নিয়োগ কৰা হৈছে তেওঁলোক আগতে ৰেজিষ্টাৰ্ড কৰা আছে, নতুনকৈ ৰেজিষ্ট্ৰেচেন কৰাৰ কাৰণে ব্যৱস্থা হাতত লোৱা নাই আৰু নতুন ফাৰ্ম্মেচী খোলাৰ কাৰণেও আঁচনি কৰা নাই।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জীৱন বৰাই সোধা প্ৰশ্নৰ এটা অংশৰ বিষয়ে মই পুনৰ মন্ত্ৰী মহোদয়ক কৰিব

বিচাৰিছোঁ যে অসমত উপযুক্ত ফাৰ্ম্মেচীষ্টৰ যিহেতু অভাৱ হৈ আছে সেয়েহে বাহিৰৰ পৰা ফাৰ্ম্মেচীষ্ট নিয়োগ কৰা হৈছে, গতিকেই দ্বিতীয় এখন ফাৰ্ম্মেচী খোলাৰ ব্যৱস্থা কৰিবনে ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, নোহোৱাৰ কাৰণে বা অভাৱৰ কাৰণে বাহিৰৰ পৰা অনা কথা নহয়, ৰোলৰ মতেহে কৰা হৈছে, যেনে কিছুমান অনুষ্ঠানত পাছ কৰি আহিলে বিশেষ সুবিধা দিয়া হ'ব, এনে ধৰণৰ ৰোলৰ কাৰণেই এইটো হৈছে। কিন্তু অসমতে পাছ কৰি যাতে প্ৰয়োজনীয় অৰ্হতা সম্পন্ন হ'ব পাৰে আৰু বাহিৰৰ মানুহক যাতে নিদিয়াকৈ অসমৰ ভিতৰতে কৰিব পাৰি, সেইটো অনুভৱ কৰিছো।

Shri Abdul Muqtadir Choudhury :— What is the annual requirement of pharmacists in the State ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এচুৱেল ৰেজিষ্ট্ৰেচনৰ সংখ্যাটো কোন্না টান। ১০ বা ২০ জনৰ বেচি হ'ব নেলাগে।

## Re : Electric Crematorium at Kamakhya Burning Ghat

Shri Ajoy Kumar Dutta asked :

* 517. Will the Minister, Town and Country Planning be pleased to state—

(a) Whether there is any Electric Crematorium at Kamakhya cremation ground in Gauhati ?

(b) If so, when it was commissioned and what was the total cost ?

(c) How many dead bodis have so far been cremated in that Electric Crematorium ?

Shri Zahirul Islam ( Minister, Town and Country Planning ) replied :

517: (a)— Yes, there is an Electric Crematorium at Kamakhya Burning Ghat in Gauhati. But it is not functioning now.

(b) & (c)— It was put on trial runon 2nd June 19 5 and only one dead body was cremmated.

The total cost involved was Rs. 8,27,23?.

শ্ৰীঅজয় কুমাৰ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, এট' ডেড বডিৰ ওপৰত যে ট্ৰাইল হৈছিল, কেতিয়া কৰা হৈছিল আৰু কাৰ ওপৰত কৰা হৈছিল, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, যোৱা ২-৬-৭৫ তাৰিখে শতৰাম ভৰালী নামৰ এজনৰ মৃতদেহ পোৰা হয় আৰু এইটোৱেই প্ৰথম মৃতদেহ আছিল। আমাৰ বৰ্ত্তমান শিক্ষা মন্ত্ৰী মাননীয় লক্ষ্যধৰ চৌধুৰী তেতিয়া গুৱাহাটীৰ মেয়ৰ আছিল আৰু তেখেতেই প্ৰথম এই বিষয়টো পাছ কৰে।

শ্ৰীঅজয় কুমাৰ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, ৮ লাখ ২৭

হেজাৰ ২শ ৩'৩ টকা খৰছ কৰি কিনা মেচিনটো ১৯৭৫ চনৰ পিছৰ পৰাই ইমান দিন বন্ধ হৈ থকাৰ কাৰণটো কি, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এইটো বৰ দুৰ্ভাগ্য-জনক কথা যে ইমান বেছি টকা খৰছ কৰি অনা মেচিনটো এনেয়ে পৰি আছে। গতিকে অনুসন্ধান কৰি দেখা যায় যে ২-৬-৭৫ তাৰিখে এটা ডেড বডি সতকাৰ কৰাৰ পিছতেই ১৪-৬-৭৫ তাৰিখ আৰু ২১-৬-৭৯ তাৰিখত পুনৰ ট্ৰাইল কৰা হৈছিল, তাৰ পিছত ১৯৭৭ চনত পুনৰ ট্ৰাইল কৰিবলৈ চাওঁতে লিকেজ হয়। এই কথাটো গুৱাহাটী মিউনিচিপাল ক'ৰপৰেচনে টেক অভাৰ কৰাৰ কথা আছিল। পৰীক্ষা কৰি দেখা গৈছিল যে ১৯৭৫ চনৰ পিছৰ পৰাই এই মেচিনৰ লিকেজ হয় আৰু তাৰ বাবে প্ৰায় ১০ হেজাৰমান টকা খৰছ কৰা হলে পুনৰ কামত লগাব পৰা যাব।

শ্ৰীঅজয় দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৫ চনত প্ৰথম মৃতদেহটো সতকাৰ কৰাৰ পিছতে এই মেচিনটো নষ্ট হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে, কিন্তু গুৱাহাটী মিউনিচিপাল ক'ৰপৰেচনে এইটো কাম হাতত নলৈ ঠিকাদাৰক মেৰামতি কৰিবলৈ দিয়াৰ কাৰণেই ইমান টকা খৰছ হব বুলি কৈছে, মন্ত্ৰী মহোদয়ে এই বিষয়ে জানেনে ?

শ্ৰীজহিৰুল ইছলাম :— অধ্যক্ষ মহোদয়, এইটো কথা তেনেকুৱা নহয়। কিছুমান ডিফেক্ট পোৱাৰ পিছতঃহ ঠিকাদাৰ বিচৰা হৈছিল।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ :— মাননীয় অধ্যক্ষ মহোদয়, যিটো মেচিন বন্ধ হৈ আছে, তাক ৰক্ষা কৰি থাকিবৰ কাৰণে কেইজন কৰ্ম্মচাৰী ৰখা হৈছে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, পৌৰ নিগমৰ কৰ্ম্মচাৰীৰ তত্বাৱধানত আছে।

বিষয় : কৃষি মাটিত জল যোগানৰ ব্যৱস্থা

শ্ৰীনগেন বকৰাই সুধিছে :

* ৫১৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত এতিয়ালৈকে কিমান কৃষি মাটিৰ জল যোগান ধৰিব পৰা হৈছে ?

(খ) ১৯৭৭-৭৮, ১৯৭৮-৭৯ চনত কিমান মাটিত জলযোগান ধৰা হৈছে ?

(গ) অসমৰ সকলো মাটিতে কিমান দিনৰ ভিতৰত জল যোগান সম্পূৰ্ণ হব ?

শ্ৰীআবুল ফজল গোলাম ওচমানী (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫১৮। (ক)— বৰ্ত্তমানলৈকে অসমত প্ৰায় ৩ লাখ হেক্টৰ কৃষি মাটিত জল যোগানৰ ব্যৱস্থা কৰা হৈছে।

(খ)— ১৯৭৭-৭৮ চনৰ শেষলৈ ২.৬০ লাখ হেক্টৰ আৰু ১৯৭৮-৭৯ চনৰ শেষলৈ ৩ লাখ হেক্টৰ মাটিৰ কাৰণে যোগানৰ ব্যৱস্থা কৰা হৈছে।

(গ)— সৰ্ব্বমুঠ ২৩,৭৫ লাখ হেক্টৰ খেতিৰ মাটিৰ ভিতৰত প্ৰায় ১৯

লাখ হেক্টৰ জল যোগানৰ উপোযোগী মাটিত এই শতাব্দীৰ শেষলৈ সম্পূৰ্ণ জল যোগানৰ ব্যৱস্থা কৰিব পৰা হব বুলি আশা কৰা হৈছে।

শ্ৰীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত এই ৫ বছৰৰ ভিতৰত কিমান মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ আঁচনি কৰা হৈছে আৰু তাৰ ভিতৰত চেল' টিউব ওৱেল আৰু দীপ টিউব-ওৱেলৰ ব্যৱস্থা কিমান কৰা হৈছে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

Shri A. F. Golam Osmani (Minister) :— So far as the deep tube wells are concerned, in 1976-77 41 Nos. were executed, 1977-78 50 Nos. were executed, in 1978-79, 149 sanctions have been received and works are in progress. How many completed, that report is being collected after 31st March, 1979. Programme of 1979-80, 200 deep tubewells are proposed to be set up.

So far as the shallow tubewells are concerned, it is done in 2 sectors. One is done by Government sector and another sector through institutional finance. Upto 6th plan in Governmental sector 316 and in private sector 449 shallow tibewells were tunk. upto 5th plan period 6?7 Governmental sector and private sector 1323, and in 1978-79, Governmental sector 200 and private sector 700. How many completed that report is awaited till 31st March, 1979. Programme for 1979-80 240 in Governmental sector and 4000 in institutional finance

sector.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, এই যে পানী যোগানৰ ব্যৱস্থা লৈছে ২'৬০ লাখ হেক্টৰ দিয়া কথা কৈছে এইটো জেঠ, আহাৰ, শাওন মাহত দিয়ে নে আহিন, কাতি, আঘোন তাৰ মানে বাৰিষা দিয়া হয়নে খৰালী দিয়া হয় মন্ত্ৰী মহোদয়ে জনাবনে ?

Shri A. F. Golam Osmani (MInister) :— There are some schemes in which water is provided even in rainy season and in some cases for kharali and rabi crop.

Shri Ramesh Chandra Saharia :— Sir, will the hon'ble Minister kindly inform what benefit the agriculturists will derive out of the cess imposed on agriculture ?

Shri A. F. Golam Osmani (Minister) :— There was a cess imposed by previous Government and about the rates there were some representations and that was stayed. We are also examining to reintroduce this on a new basis. The basis is that cess is to be given as and when it is found that the agriculturists really derive benefits from irrigation. So the matter that is considered by the Government is that in the 1st year there will be trial running by the Agriculture Department and

no cess need be paid, and in the second year also it will be free. In third and fourth year 50% of the rate that will be levied and in the 5th year the full amount will be sharged. These levies will be realised on the basis of benefit annual to the fareners and out of that additional benefit they will pay the amount so charged.

শ্রীশান্তি রঞ্জন দাসগুপ্ত ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় জানেন কি যে ইন্‌ষ্টিট্যুশন্যাল ফিনান্সের মাধ্যমে যে সব শেলো টিউবওয়েল বসানো হয়, সেখানে কাষ্টম সার্ভিসের এবং সমবায় সমিতির এই দুইটি অর্গেনাইজেশনের ক্লিয়ারেন্স না পেলে ইন্‌ষ্টিট্যুশন্যাল ফিনান্স করা হয়না আর, এর মাধ্যমে ব্যক্তিগত হিসাবে যদি কেউ এই শেলো টিউবওয়েল বসাতে চায় তাহলে যা খরচ পড়ে তার ডবল্‌ খরচ পড়ে কাষ্টম এবং সমবায় সমিতির মাধ্যমে কোনও ব্যক্তিকে তা করতে হলে ?

শ্রীআবুল ফজল গোলাম ওসমানী (মন্ত্রী) ঃ— মহোদয়, এই ইন্‌ষ্টিট্যুশন্যাল ফিনান্সের মাধ্যমে শেলো টিউবওয়েল করার পথে অন্তরায় কি সেটা আমরা লক্ষ্য করছি। আর, বর্ত্তমানে যে অবস্থা চলছে এতে ভারত সরকার আমাদেরে এই শেলো টিউবওয়েল করতে বললেও সেটা আমাদের পক্ষে করা সম্ভব নয় একথা আমি স্বীকার করছি। তার কারণ, শেলো টিউবওয়েলের যে কোনও প্রস্তাব যে কোনও কো-অপারেটিভের মাধ্যমে It has to be processed thrugh a co-operative. না হলে বেংক কোনও লোন দেয়না। এইদিকে আর একটা শর্ত্ত আছে যে কো-অপারেটিভ ডিফল্টার হতে পারবেনা। কিন্তু আমাদের রাজ্যের কো-অপারেটিভের যে অবস্থা শতকরা ৮০ ভাগ for this

reason or that reason defaulter. সুতরাং এখন আমরা ভারছি যে একটা কর্পোরেশন করে তার মাধ্যমে সোজাসোজি যারা শেলো টিউবওয়েল চান তাদের দেওয়া যায় কি না সেটা পরীক্ষা নিরীক্ষা করে দেখা হচ্ছে। অবশ্য তার জন্য একটা অল্ ইণ্ডিয়া লেভেল ফিজিবিলিটি রিপোর্টের প্রয়োজন। এছাড়া ইতিমধ্যে কৃষি বিভাগের সঙ্গে মিলে যে ব্যবস্থা নেওয়া হয়েছে সেটাও খুব উৎসাহজনক। এটা অনেকটা কেম্পিং এর মতো। Ministry of Agriculture and Irrigation, Govt: of India: জয়েন্ট সেক্রেটারি যে প্রস্তাব ইনিশিয়েট করেণ যে যেসব অঞ্চলে গ্রাউণ্ড ওয়াটারের পসিবিলিটি বেশী আছে সেই সব অঞ্চলে কেম্পিং করে এগ্রিকালচার, এস এফ ডি আর বেংক তারা সেখানে বসবেন এবং বসে সেখানকার লোন পিটিশনগুলি সেই যায়গায় প্রসেস্ করবেন। বরপেটা এবং আরও অন্যান্য যায়গায় তিনটি করে কেম্প হয়েছে এবং দেখা গিয়েছে যে প্রায় কেম্পেই এভারেজে ২০০ টা করে শেলো টিউবওয়েল করা সম্ভব।

শ্রীবীরেশ মিশ্র :— মন্ত্রী মহোদয় আমাদেরে জানাবেন কি যে এ পর্যন্ত যতটি ডিপ টিউবওয়েলের কাজ শেষ হয়েছে তার মধ্যে কতটিতে জল আসছে? আমরা জানি যে সমস্ত বন্ধ হয়ে আছে আর যারা ব্যক্তিগত ভাবে শেলো টিউবওয়েল বসিয়েছিল তাদের মধ্যে কতগুলি কাজ করছে এবং কতগুলি কোন কোন কারণে জল সরবরাহ করতে পারছেনা এই খবর তিনি আমাদেরে জানাবেন কি?

শ্রীআবুল ফজল গোলাম ওসমানী (মন্ত্রী) :— এই ব্যাপারে ঠিক ঠিক সংখ্যা দিয়ে বলতে গেলে একটা আলদা প্রশ্ন লাগবে। কিন্তু এটা ঠিক যে বর্ত্তমানে এই শেলো টিউবওয়েল গুলি কাজ করেছনা, বিশেষ

করে সেই সব শেলো টিউবওয়েল গুলি যেগুলি বাঁশ দিয়ে করা হয়েছিল সেইগুলি কার্য্যকরী হয়নি সেই রিপোর্ট আমরা পেয়েছি।

শ্রীবীরেশ মিশ্র :— ডিপ টিউবওয়েল কতগুলি বন্ধ হয়ে আছে সে কথা বলবেন কি?

শ্রীআবুল ফজল গোলাম ওসমানী (মন্ত্রী): ঠিক কতটা ডিপ টিউবওয়েল বর্ত্তমানে কার্য্যকরি অবস্থায় নেই তা বলতে গেলে একটা আলদা প্রশ্নের দরকার। তবে একথা ঠিক যে কিছু কিছু যায়গায় এগুলি কার্যকরি হয়নি, বিশেষ করে যেসব যায়গায় বৈদ্যুতিক সংযোগ করা সম্ভব হয়নি। কারণ আমরা জানি যে বিশেষ বিশেষ যায়গায় যদিও টেষ্ট টিউবওয়েল করা হয়েছে তবুও বৈদ্যুতিক সংযোগের অভাবে সেইগুলি অপারেট করা যায় নি।

Shri Ranendra Narayan Basumatari :— Sir, whether the Govt. has any record of sub-divisional break-up of the total coverage of the regulated water, as the Minister has already said that 3 lakh hectorge of land has been irrigated? I also want to know whether the Hon'ble Minister is aware of the fact that where there is no facilities for ground water, deep tubewells will be installed, but the progress of making deep tubewells is extremely slow. Whether Govt. would expedite installation of the deep tubewells where there is no ground water facilities?

Shri A. F. Golam Osmani (Minister) :— Sir, so far the Hon'ble Member's first question as to the b...

eak-up of sub-division-wise break, I have got the break-up of Kokrajhar and other areas also and I can place it on the table of the House. About the deep tubewells, the potentialities of underground water was not seriously examined before. I have got the record to show that at the instance of the Union Agriculture and Irrigation Ministery, we were compelled to take this pattern and from 1975 onwards some systematic expoloration as well as exploitation of ground water programme has been taken up. Presently, two agencies are working. Besides irrigation, the Geological Survey of India is presently working in Boko area and they are doing a very good job. The other agency is Central Ground Water Board, which is working in Sibsagar district.

শ্ৰীএ, এন, আক্ৰাম হুচেইন — অধিকাংশ ক্ষেত্ৰতেই দেখা গৈছে যে জলসিঞ্চন আঁচনি সমূহ ক্ৰটিপূৰ্ণ বাবে ফেইলিউৰ হৈছে। মন্ত্ৰী ডাঙৰীয়াই নিজে স্বীকাৰ কৰিছে যে বহুত কেন্দ্ৰ' ফিল্টাৰে কাম কৰা নাই। গতিকে গোটেই কথাটো পৰীক্ষা কৰিব চাবনে?

শ্ৰীএ, এফ, গোলাম ওচমানি (জলসিঞ্চন মন্ত্ৰী) — পৰীক্ষা কৰিয়েই আছো। বিহিত ব্যৱস্থাও সেইমতে লৈছো।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰ :— মন্ত্ৰী মহোদয়ে এই কথা ভালকৈ জানেনে যে বিদ্যুত শক্তিৰ প্ৰয়োজন অত্যন্ত জৰুৰী কিয়নো জলসিঞ্চন কৰিবলৈ হলে বিদ্যুত শক্তি নহলে নচলে? যদি জানে তেন্তে বিদ্যুত

শক্তি দিয়াৰ কাৰণে কি ব্যৱস্থা কৰিছে ?

শ্ৰীএ, এফ, গোলাম ওচমানি (জলসিঞ্চন মন্ত্ৰী) :— এই সমস্যাটো আলোচনা কৰিছো কিন্তু কথা হ'ল জলসিঞ্চন আৰু ক্ষুদ্ৰ উদ্যোগ আদিৰ কাৰণে বিদ্যুত শক্তিৰ অতীব প্ৰয়োজন কিন্তু সেই হিচাবে পথাৰলৈ বিদ্যুত শক্তি নিয়াৰ কাৰণে অসুবিধা হৈছে।

Shri Birendra Nath Choudhury :— Point of order Sir. The Hon'ble Minister is addressing the member directly and not the chair.

শ্ৰীফণী মেধী :— মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে যে এই পানী যোগান ব্যৱস্থা বিলাক পাওৰবৰ্জিত ঠাই বিলাক অৰ্থাৎ চৰ এলেকাত দিয়া হোৱা নাই। লগতে এই পানী যোগান ব্যৱস্থাৰ দ্বাৰা দহ বিঘা মাটি থকা গৰীব খেতিয়কৰ ক্ষেত্ৰত বিনামূলীয়া ভাবে দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিবনে ?

Shri A. F. Golam Osmani (Minister) :— Sir, so far as the cess is concerned, it has been suspended. As a matter of course, and as a matter of policy of Janata Govt., the cess will not be imposed on a person who has not derived any benefit from irrigation. It is only when a preson has derived some benefit from irrigation, at that stage only it will be imposed.

Shri Phani Medhi :— Sir, without having any scheme how the people will derive benefit ?

Shri A. F. Golam Osmani ( Minister ) :— Sir,.

so far about 3 lakhs hectres have been covered. We have got another 90 lakhs hectres to be covered by 2000 A. D. So far as the char programme is concerned, in this very house, last year, the Chief Minister made a statement that Govt. were taking special steps to see to the needs of the people of the char areas. Accordingly, Irrigation Department had taken up a special programme in char areas which are very modern type. The break-up of the programme for irrigation not less than 6 hectres is Lakhimpur 2 units, Nowgong, 4 units, Darrang 6 units, Dibrugarh ঃ 4 units, Sibsagar ঃ 4 units, Kamrup : 7 units, Goalpara ঃ 4 units, Cachar ঃ 3 units. So, a pilot project has been started and I hope the results will be good. Reports from Goalpara is very encouraging. Next year we will go for a bigger scale.

Mr. Speaker :— Next question.

বিষয় ঃ চাপটগ্ৰাম টিপকাই আলিৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ

শ্ৰীনৰেন্দ্ৰ নাৰায়ণ বসুমতাৰীয়ে সুধিছে ঃ

* ৫১৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধুবুৰী গড়কাপ্তানী মণ্ডলৰ অন্তৰ্গত চাপটগ্ৰাম টিপকাই আলি

বন্ধাৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ দিয়া হলনে ?

(খ) যদি হোৱা নাই, কি কাৰণে দিয়া হোৱা নাই জনাবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাই ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৫১৯। (ক)— নাই হোৱা।

(খ)— অধিগ্ৰহণ গোছৰৰ চুড়ান্ত নিস্পত্তি নোহোৱা বাবে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— যোৱা অধিবেশনত এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে মাটি অধিগ্ৰহণৰ কাৰণে দিবলগীয়া ক্ষতিপূৰণ সোনকালে দিয়া হব। সেই পৰিপ্ৰেক্ষিতত মই বিধান সভাত দিয়া উত্তৰলৈ ভালকৈ চাই সোনকালে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব পাৰোনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) :— আমাৰ ফালৰ পৰা চেষ্টা কৰা হৈছিল আৰু এতিয়াও আমি আশা কৰিছো সোনকালে দিয়াৰ কাৰণে। আশা কৰা হৈছে অহা তিনিমাহৰ ভিতৰত ক্ষতিপূৰণৰ টকা আদায় দিব পৰা হব।

শ্ৰীজগত পাটগিৰি :— গড়কাপ্তানী বিভাগে অধিগ্ৰহণ কৰা মাটিৰ কাৰণে বহু টকা দিব লগীয়া হৈ পৰি আছে। কেতিয়াকৈ সেই টকা দিব পৰা হব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) :— প্ৰশ্নটো আকৌ কৰ লাগে।

শ্ৰীজগত পাটগিৰি :— মোৰ সমষ্টিৰ এজন মানুহে আজি কেই-বাবছৰো ধৰি অধিগৃহীত মাটিৰ ক্ষতিপূৰণ পোৱা নাই। কেন্দ্ৰীয় চৰ-কাৰৰো দৃষ্টি আকৰ্ষণ কৰা হৈছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে খৰতকীয়া

ব্যৱস্থা লবনে ?

শ্রীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) :— মাননীয় সদস্য গৰাকীয়ে মুকীয়াকৈ এই বিষয়ে সবিশেষ জনালে খৰতকীয়া ব্যৱস্থা লব পৰা হব।

শ্রীআব্দুচ শোভান :— বাৰ চৈধ্য বছৰ আগতে মাটি অধিগ্ৰহণ কৰি ৰাস্তা বন্ধা হ'ল যদিও আজি পৰ্য্যন্ত ক্ষতিপূৰণ দিয়া হোৱা নাই। সেই ক্ষেত্ৰত ক্ষতিপূৰণ শীঘ্ৰে দিয়াৰ ব্যৱস্থা লবনে ?

শ্রীলক্ষেশ্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) :— কেৱল বাৰ চৈধ্য বছৰেই নহয় ১৯৫২ চনৰ পৰা পৰি থকা বিষয় আমি এতিয়া পাইছো আৰু ব্যৱস্থা লবলৈ হাতত লৈছো।

শ্রীকুলবাহাদুৰ চেত্ৰী :— আমাৰ উজনি অসমত মাৰ্ঘেৰিটাৰ ওচৰত ৰাস্তা বান্ধিছে যদিও মাটি যি অধিগ্ৰহণ কৰিছিল তাৰ কাৰণে ক্ষতিপূৰণ দুখীয়া ৰাইজে পোৱা নাই। সেইটোৰ খৰতকীয়া ব্যৱস্থা লবনে ?

শ্রীলক্ষেশ্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) :— মই ইতিমধ্যে উল্লেখ কৰিছো যে খৰতকীয়া ব্যৱস্থা লোৱাৰ কাৰণে মহকুমা পৰ্য্যায়ত একোটা কমিটিও গঠন কৰি দিয়া হৈছে। সেই কমিটিয়ে খৰতকীয়া ব্যৱস্থা লোৱাৰ কাৰণে ব্যৱস্থা কৰিছে।

শ্রীভুবনেশ্বৰ বৰ্ম্মণ :— অধ্যক্ষ মহোদয়, মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত যি ক্ষতিপূৰণ দিয় হয় সেই সংক্ৰান্তত চাৰিও ফালৰ পৰা আপত্তি উঠিছে। গতিকে এই ক্ষেত্ৰত যাতে আঁচনি বাধাগ্ৰস্ত নহয় তাৰ কাৰণে প্ৰত্যেক মহকুমাতে এচ ডি-চি লেভেলত মুকীয়াকৈ ব্যৱস্থা কৰি দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা লোৱাত কিবা অসুবিধা আছে নেকি ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ মন্ত্ৰী) :— মহকুমা পৰ্য্যায়ত তেনে কমিটি গঠন কৰি দিয়া হৈছে বুলি আগতে কৈছোৱেই।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মাননীয় অধ্যক্ষ মহোদয় যদিও প্ৰশ্নটো ধুবুৰী গড়কাপ্তানী মণ্ডলৰ কথাই কোৱা হৈছে কিন্তু এই কথা সচা যে গোটেই অসমতে বিভিন্ন ৰাজহুৱা কামৰ কাৰণে ৰাস্তাঘাট আদিৰ বাবে মাটি অধিগ্ৰহণ কৰি তাৰ ক্ষতিপূৰণ আজি যুগ যুগ ধৰি দিয়া হোৱা নাই। এই ক্ষেত্ৰত বহুতে কৰ্ত্তপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা সত্বেও আজিলৈকে তাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। এই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে এটা ঘোষণা কৰিবনে যে অতি সোনকালে এই বহু বছৰ পৰি থকা এই ক্ষতিপূৰণ দিয়াৰ অতি সোনকালে ব্যৱস্থা কৰিব ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— এইটো কমপেনচেচন দিয়াৰ কথা। এই বিষয়টো অকল চৰকাৰৰ ওপৰতে নিৰ্ভৰ নকৰে। চৰকাৰৰ ফালৰ পৰা কৰিব লগীয়াখিনিৰ বিহিত ব্যৱস্থা কৰিব পৰা হব কিন্তু আইনৰ মেৰপাকত থকা খিনিৰ আমি একো কৰিব নোৱাৰো। ডিচিয়ে কমপেনচেচনৰ ব্যৱস্থা কৰি দিয়ে কিন্তু পাৰ্টিয়ে প্ৰচেচ কৰোতে সেইটো কটত সময় লয়।

শ্ৰীভুৱনেশ্বৰ বৰ্ম্মন :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে আইনৰ কাৰণেই কিছু সময় লয়। কিন্তু এই আইন সংশোধন কৰিব কোনে ? দৰ্কাৰ হলে আইন চৰকাৰে সংশোধন কৰিব লাগে।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— এইটো অকল আইনৰ কাৰণেই নহয় কমপেনচেচন যিটো দিয়া হয় সেইটো প্ৰচেচ কৰোতে যিখিনি সময় লাগে সেইটোৱেই বাধা দিয়ে।

শ্ৰীচামচন্দ্ৰ হুদা :— চুপ্ৰীম কৰ্টে ১০ বছৰ আগতেই ৰায় দিছিল

বিশেষকৈ নগাওঁৰ থিং অঞ্চলৰ মঠাউৰিৰ ৰায় প্ৰায় ১০ বছৰৰ আগতেই ৰায় দিলে কিন্তু টকা এতিয়ালৈকে দিয়া নাই। এইটোৰ বিষয়ে মন্ত্ৰী মহোদয়ে আইনৰ দোহাই কেনেকৈ দিব?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— আইনৰ কথা এই কাৰণেই কোৱা হৈছে যে যি বিলাক কেচ এতিয়া আইনৰ হাতত আছে সেই বিলাকত চৰকাৰৰ ফালৰ পৰা একো কৰিব নোৱাৰি আৰু বাকীখিনিৰ বাবে ৰাজহ মন্ত্ৰীয়ে ইতিমধ্যে আশ্বাস দিছেই।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মাননীয় অধ্যক্ষ মহোদয় মাননীয় গড়-কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে এই কথা জনাবনে যে গড়কাপ্তানী বিভাগে চতুৰ্থ পাচ বছৰীয়া পৰিকল্পনাৰ টকাও এতিয়ালৈকে দিয়া হোৱা নাই।

শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী) :— ক্ষতি পুৰণৰ বিষয় সংক্ৰান্তৰ কথা আজিয়েই নহয় বহুদিন ধৰি সদনত আলোচনা বিলোচনা হৈছে। মই নিজেই এই গোটেই বিলাক শুনি আচৰিত হৈছো যে ১৯৫২ চনৰ পৰা কিছুমান কেচ পৰি আছে। এই সম্পৰ্কে খৰতকীয়া ব্যৱস্থা লবৰ বাবে বিহিত ব্যৱস্থা লোৱা হৈছে আৰু বিশেষকৈ গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত মই মাননীয় সদস্য সকলক জনাব খুজিছো যে আমাৰ যি চাব-ডিভি-জনেল ৰোড কমিনিকেচন বোৰ্ড আছে তেওঁলোকে এই বিষয়ে যিবোৰ খুটি-নাটি আছে সেইবোৰ পৰীক্ষা কৰি চৰকাৰক পৰামৰ্শ আগবঢ়াবলৈ কোৱা হৈছে আৰু তেওঁলোকে পৰামৰ্শ আগবঢ়ালেই চৰকাৰৰ ফালৰ পৰা বিহিত ব্যৱস্থা কৰা হব।

Re : Overseer Grade III ( Civil )

Shri Noorul Huda asked :

• 520. Will the Minister, Irrigation be pleased to state –

(a) Whether the Government heve decided to debar Overseer Grade III (Old) from holding independent charge of a Section ?

(b) If so, the reasons behind the decision and the date of implementing such decision ?

(c) Whether Overseers Grade III (before redesignation of T.S.A) in other Departmens such as R & B, Flood Control are still holding independent charge of Sections ?

(d) Is such discriminations exist between various departments of the State Government whether the Government is aware that same would contribute to lowering of moral of the official concerned ?

Shri A. F. Golam Osmani ( Minister, Irrigation ) replied :

5-0. (a)— No.

(b)— Does not arise.

(c)— Not known to the irrigation Department.

(d)— Does not arise.

Shri Noorul Huda :— Sir, this question has arisen out of a circular which was purported to have been issued by the Chief Engineer, Irrigation Department, to the department concerned at Silchar sub-division, I don't understand, Sir, how the hon'ble Minister completely denied that such a circular existed. Would the hon'ble Minister go into this question again and find out whether there is any truth that the Govt. has decided to debar Overseer Gr. III fram holding independent charge of a Section ?

Shri A.F. Golam Osmani (Minister) :— According to information supplied to me there does not exist any order or circular to that effect. However, in older days when the Department was running short of qualified engineers, Overseer Grade III was sometimes asked to run Sections which was supposed to be run by an Overseer Grade II. So, when requisite number of Overseers Garde II were made available naturally question of giving independent charge of a Section to a Grade III Overseer had to be abandoned ; but there is no bar ; in appropriate cases they can be given charge and there is no such total bar for it.

Re : Demands of Assam Engineering Service Association

Shri Noorul Huda asked :

*521. Will the Minister, Irrigation, be please to state—

(a) Whether the Government's attention has been drawn to the deliberations of Assam Engineering Services Association which held a Regional Convention at Silchar (Cachar) in the second week of February, 1979 ?

(b) Whether it is a fact that some Ministers of Cabinet rank had assured the said Association on 10th December, 1978 at Jorhat that their demands, would be fulfilled by the 31st December, 1978 ?

(c) What are the outstanding demands of the Assam Engineering Services Association and what steps the State Government propose to take to meet those demands and grivances ?

Shri A. F. Golam Osmani (Minister, Irrigation) replied :

521. (a)— "Yes"

(b)— Minister, Irrigation and not given any such assurance.

(c)— A copy of the Assam Engineering Services Association charter of demands as placed on the Table

of the House. All the matters are under active consideration of the Government.

Shri Noorul Huda :— Sir, sometime back the Minister in-charge of Flood Control had also stated that all these matters are under active consideration of the Govt. Sir, may I know from the hon'ble Minister as to approximately how long the Govt. would take to come to a decision regarding demads of the engineers ?

Shri A. F. Golam Osmani (Minister) :— The assurances of the Minister were of a general nature and I also attended a meeting at Silchar and I assured the engineers that the matter will be seriously exmined and after that the Govt. took up the matter in a systematic manner. By the Ministers of the three technical departments of the State the matters were processed ; then the matters was put to the Chief Minister and then to the Cabinet and some guidelines have already been dicided. So far the demands having financial implications are concerned it is beng examined and it has to be examined in the light of the Pay Commission that would come. So far the anomalies are concerned one pertinent anomaly was pointed out as to be scale of pay of Assistant Engineers and the Govt. has already revised the scale as per the dema-

nd of the engineers that is from Rs. 500/- to 1225/- scale to Rs. 525/- to 1325/- scale. In the meantime their demand for a service rule is there for a long time. The Subordinate Engineers' Service Rules have already been drawn up and it has been approved by the Cabinet and it will be notified. So also the Engineers' Service Rules, so far the Irrigation Deptt. is concerned, that has also been approved by the Cabinet and very soon there will be notification. So, by stages the Govt. is trying to implement their demand as far as is practicable.

Re : Special Nutrition programme Centres for Udarbond Development Block

Shri Biresh Misra asked :

* 522. Will the Minister, Panchayat be pleased to state—

(a) Whether it is a fact that 5/6 Centres for special Nutrition Programme have been sanctioned in Udarbond Development Block, Cachar ?

(b) Whether it is a fact that the above special Nutrition Centres are running on papers which have been

partially detected by the Subdivisional Planning Officer, Silchar ?

Shri Zahirul Islam (Minister, Panchayat) replied :

522. (a)— There are 7 (Seven) numbers of S. N. P. Centres for the Special Nutrition Feeding Programme in Udarbond Development Block.

(b)— No.

শ্রীবীরেশ মিশ্র :— মাননীয় মন্ত্রী মহোদয় একথা জানেন কি যে এই প্রগ্রামের জন্য উদারবন্দের বিডিও-র কাছে পাঠানো ১১০ টিন ওয়েল শিলচরের প্লেনিং অফিসার তদন্ত করে তার কাষ্টডিতে পেয়েছেন ? এটা যে ধরা পড়েছে মন্ত্রী মহাশয় তা জানেন কি ?

আমার দ্বিতীয় প্রশ্ন হলো যে সমস্ত ব্যাপারটি লুকাবার জন্য উদারবন্দের ব্লকের সংশ্লিষ্ট সমস্ত ফাইল নতুন করে তৈরি করার জন্য শিলচরের একজন বিখ্যাত উকিলের পরামর্শে কাজকর্ম যে হচ্ছে এই খবর মন্ত্রী মহাশয় জানেন কি ?

শ্রীজহিরুল ইসলাম (মন্ত্রী) :— এই ব্যাপারে এস ডি পি ওর রিপোর্টে দেখা যায় যে তিনি সেখানে যাওয়ার পর থেকে আজ পর্যন্ত কোনও ইন্সপেক্‌শন হয়নি। সুতরাং এই রিপোর্ট মতো কোনও ডিটেক্‌শনের প্রশ্ন উঠেনা। কিন্তু মাননীয় সদস্য মহোদয় যখন একটা স্পেসিফিক প্রশ্ন তুলেছেন সে বিষয়ে অবশ্যই তদন্ত করে দেখা হবে।

শ্রীবীরেশ মিশ্র :— মন্ত্রী মহোদয় একথা জানেন কি যে এই উদারবন্দের বি ডি ওর নিয়োগ সম্পূর্ণভাবে বে-আইনী হয়েছে কারণ

তিনি আগে সেণ্ট্রেল গভর্ণমেণ্টের টেলিফোন বিভাগে কাজ করতেন এবং সেখান থেকে কোনও রিলিজ অর্ডার না নিয়েই এই বি ডি ও হিসাবে তিনি নিযুক্ত হয়েছেন?

শ্রীজহিরুল ইসলাম (মন্ত্রী) :— সেটা তদন্ত করে দেখবো।

শ্রীবীরেশ মিশ্র :— এই সম্পর্কে অনেকগুলি প্রশ্ন ছিল। মাঝখান থেকে এই প্রসঙ্গ আসায় সেগুলির আলোচনা হলো না। আর, এই ডিপার্টমেণ্টের ব্যাপারে আমার অনেকগুলি প্রশ্ন ছিল কিন্তু সেগুলি আসেনি। মন্ত্রী মহোদয় এই বিষয়টা তদন্ত করে দেখবেন কি?

শ্রীজহিরুল ইসলাম (মন্ত্রী) :— মাননীয় সদস্য মহাশয় যদি কোনও স্পেসিফিক চার্জ আনেন তাহলে অবশ্যই ব্যবস্থা অবলম্বন করা হবে।

শ্রীনজমুল হক :— মন্ত্রী মহোদয়ে জনাবনে যে মন্ত্রী সভাৰ পৰিবৰ্ত্তন হল যদিও বিডিও সকলৰ পৰিবৰ্ত্তন হোৱা নাই। এই কেন্দ্ৰ সমূহ পৰিচালনাৰ কাৰণে ৰাইজৰ মানুহ নথকাৰ বিষয়া সকলৰ খেয়ালতেই চলি আছে। দুখীয়া লৰা ছোৱালী বিলাকৰ কাৰণে খাদ্য বস্তু দিয়া হয়। সেই বিলাক ঠিকমতে বিতৰণ কৰা নহয়। এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে তদন্ত কৰিবনে?

শ্রীজহিৰুল ইছলাম (মন্ত্ৰী) :— স্পেচিফিক ভাৱে দিলে অনুসন্ধান কৰা হব।

শ্ৰীঅতুল গোস্বামী :— স্পেচিয়েল নিউট্ৰেচন প্ৰগ্ৰেম মতে কি কি খাদ্য যোগান ধৰা হয় আৰু কি কি খাদ্য বস্তু যোগান ধৰিলে স্পেচিয়েল নিউট্ৰেচন প্ৰগ্ৰেম বুলি কোৱা হয়?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— লৰা ছোৱালী আৰু মহিলাৰ

ডিফিচিয়েন্সি পুৰাবৰ কাৰণে যিখিনি বস্তু দিয়া হয় সেই খিনিকে স্পেচিয়েল নিউট্ৰেচন প্ৰগ্ৰেমত ধৰা হয়।

শ্ৰীঅতুল গোস্বামী :— খাদ্য বস্তু কেইটাৰ নাম কি?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— মই বৰ বেছি নাজানো ফলমূলকে দিয়া হয় নেকি?

শ্ৰীঅতুল গোস্বামী :— ফল মূল নহয়, ঘেঁহু, চয়াবিন আৰু বাটাৰ তেল দিয়া হয়। চয়াবিন বিলাক বাটতে ফুটি নাইকীয়া হয় বাটাৰ তেল কাৰোবাৰ ঘৰলৈ যায় আৰু লৰা ছোৱালীক কেৱল পচা ঘেঁহুহে দিয়া হয় এই কথা জানেনে?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— এই সকলো বিলাক চাবৰ কাৰণে পঞ্চায়তৰ সভাপতি, কাউন্সিলৰ, মেডিকেল অফিচাৰ আৰু গাওঁৰ মুৰব্বীক লৈ একোখন লোকেল কমিটি কৰি দিয়া হৈছে।

শ্ৰীঅতুল গোস্বামী :— এই কমিটি বিলাক কাগজত আছে যদিও কামত নাই।

( উত্তৰ নাই। )

শ্ৰীনজমুল হক :— মন্ত্ৰী মহোদয়ে কৈছে যে নিউট্ৰেচন প্ৰগ্ৰেম পৰিচালনা কৰাৰ কাৰণে স্থানীয় ভাবে উপদেষ্টা বোৰ্ড গঠন কৰি দিছে। এই নিউট্ৰেচন প্ৰগ্ৰেমটো যে কমিটিৰ মতে নচলে এই কথা মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— আমি উপদেষ্টা বোৰ্ড কৰি দিছো। এই উপদেষ্টা বোৰ্ডৰ লগত আলোচনা পৰামৰ্শ কৰিবলৈ নিৰ্দ্দেশ দিয়া হব।

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ :— স্পেচিয়েল নিউট্ৰেচন প্ৰগ্ৰেমত ৱৰ্ল্ড হেল্‌থ অৰগেনাইজেচনৰ পৰা বিভিন্ন খাদ্য বস্তু যেনে চয়াবিন, বাটাৰ অইল, ঘেহু আদি অসমলৈ পঠোৱা হয়। কিন্তু আমাৰ মন্ত্ৰী মহোদয়ে এই প্ৰগ্ৰেমত কি বস্তু দিয়া হয় তাকো নাজানো বুলি কৈছে। বিভিন্ন ৰাষ্ট্ৰৰ পৰা ৱৰ্ল্ড হেল্‌থ অৰগেনাইজেচনৰ জৰিয়তে আমাৰ গাওঁ-ভূইৰ শিশুসকললৈ যিবিলাক বস্তু পঠাইছে সেই বিলাক যত্ন সহকাৰে বিতৰণ কৰাধ ব্যৱস্থা কৰিবনে ?

মাননীয় অধ্যক্ষ :— এইটো ডেভলপমেণ্ট ব্লকৰ জৰিয়তে হোৱাৰ কাৰণেহে তেখেতে উত্তৰ দিছে। নহলে এইটো সমাজ কল্যাণ বিভাগে দিবলগীয়া হলহেঁতেন।

শ্ৰীগজেন তাঁতী :— নিউট্ৰেচন প্ৰগ্ৰেমৰ দুটা ভাগ আছে। এটা হৈছে ৰুৰেল আৰু আনটো হৈছে আৰবান। ৰুৰেল আঁচনিখন ৰাজ্য চৰকাৰেও দিয়ে আৰু ৱৰ্ল্ড হেল্‌থ অৰগেনাইজেচনৰ পৰ'ও আছে। আৰ-বানটো চচিয়েল ৱেলফেয়াৰ ডিপাৰ্টমেণ্টে দিয়ে। ৱৰ্ল্ড হেল্‌থ অৰগেনাই-জেইচনৰ পৰা যিবিলাক বস্তু আছে সেই বিলাক আমাৰ শিশু সকলে নাপায়, বজাৰত বিক্ৰী হৈ যোৱাৰ খবৰ মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— স্পেচিফিক অভিযোগ থাকিলে চাব পৰা হব। যিহেতুকে মই ইতিমধ্যে কৈছোৱেই যে যিবিলাক স্থানীয় উপদেষ্টা কমিটি কৰি দিয়া হৈছে সেই কমিটিৰ লগত আলোচনা কৰি বস্তু বিলাক বিতৰণ কৰিবলৈ আমি নিৰ্দ্দেশ দিম।

Shri Altaf Hussain Mazumdar :— Sir, there are serious allegations against the administration. Does the Hon'ble Minister know that in this programme, the

Mahakuma Parishad is by passed and als› there is a direct link between Dispur and Block Development Officer. There is also no Supervisory Board in Block and whether the B.D.O. has been given power to con trol it ?

( No reply )

মোঃ ছামচুল হুদা :— অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়ে, সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে আমি অভিজ্ঞতাৰ পৰা দেখিছো এই নিউট্ৰেচন প্ৰগ্ৰেমত পেকেট বিস্কুট, জুলীয়া বাটাৰ আৰম্ভণীৰে পৰা শিশু সকলে চকুৰে দেখা পোৱা নাই। এই বস্তু বিলাক ৰাষ্ট্ৰসংঘৰ জৰিয়তে পৃথিবীৰ বিভিন্ন ৰাষ্ট্ৰই দিছে। এই বিভিন্ন ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ জৰিয়তে দিয়া বস্তু বিলাক আত্মসাৎ কৰিছে কিছুমান দূৰ্নীতি পৰায়ণ বিষয়াই। এই ক্ষেত্ৰত গুৰুত্ব সহকাৰে উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি য'ত শতকৰা ১০০ ভাগেই দূৰ্নীতি চলি আছে এইটো বন্ধ কৰাৰ কাৰণে ব্যৱস্থা লবনে ?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— এই দূৰ্নীতি বন্ধ কৰাৰ কাৰণেই পঞ্চায়তৰ সভাপতি, আৰু মহকুমা পৰিষদক ইয়াৰ দায়িত্ব দিয়া হৈছে।

মোঃ ছামচুল হুদা :— গাওঁ পঞ্চায়তৰ মানুহেই ইয়াত দূৰ্নীতি কৰি আছে। শিশু সকলে বাটাৰ, পেকেট বিস্কুট চকুৰে দেখা নাই। গতিকে উচ্চপৰ্য্যায়ৰ এটা তদন্ত কমিটি কৰি দিবনে ? যদি এই ব্যৱস্থা আপোনালোকে চৰকাৰৰ তৰফৰ পৰা নলয় তেনেহলে আমি বিধায়ক সকলেই ইয়াৰ ব্যৱস্থা লব লাগিব।

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— অভিযোগ স্পেচিফিক ভাৱে আহিলে

তদন্ত কৰা হব। মাননীয় সদস্যই যিবিলাক অভিযোগ কৰিছে সেই বিলাক অভিযোগ নাইকীয়া কৰিবৰ কাৰণেই মহকুমা পৰিষদ আৰু গাওঁ পঞ্চায়তক ইয়াত ডাইৰেক্টলি ইন্‌ভল্‌ভ্‌ কৰা হব।

শ্ৰীযোগেন গগৈ :— নিউট্ৰেচন প্ৰগ্ৰেমত যিবিলাক খাদ্য বস্তু যোগান ধৰা হৈছে সেই বিলাক কোন কোন ব্লকত কি কি খাদ্যবস্তু যোগান ধৰা হৈছে তাৰ তালিকা সংশ্লিষ্ট বিধায়ক সকলক দিবনে?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— এতিয়া যিবিলাক হব সেই বিলাকত মাননীয় সদস্য সকলক দিবলৈ যত্ন কৰা হব।

Mr. Speaker :— Question hour is over.

Undisposed Starred Questions dated 5-4-79

বিষয় : বোন্দাপাৰা খোৱা পানী যোগান আঁচনি

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে :

* ৫২৩। মাননীয় স্বাস্থ্য বিভাগৰ বাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বকো সমষ্টিৰ বোন্দাপাৰাত খোৱা পানীৰ যোগানৰ বাবে এটা গভীৰ নলীনাদ বহুৱাৰ কিমান দিন হল?

(খ) এই নলীনাদটো বহুৱাৰ বাবে কিমান টকা মঞ্জুৰ কৰা হৈছিল আৰু কোন চনত মঞ্জুৰ কৰা হৈছিল?

(গ) ইয়াৰ জৰিয়তে কিমান কেইখন গাঁৱত খোৱা পানী যোগান ধৰা

হৈছে ?

(ঘ) এই কামটো বৰ্ত্তমান সম্পূৰ্ণ হৈছেনে আৰু যদি হোৱা নাই, কিয় ?

ডাঃ কোমেশ্বৰ বৰা ( স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী )য়ে উত্তৰ দিছে :

৫২৩ । (ক)— উল্লেখিত ‘বোন্দাপাৰা খোৱা পানী যোগান আঁচনি’ৰ গভীৰ নলীনাদটো ১৯৭৭ চনৰ মে’ মাহৰ ১১ তাৰিখে বছৰাৰ কাৰ্য্য সমাপ্ত হয় ।

(খ)— সম্পূৰ্ণ আঁচনিখন পৰিপূৰ্ণ কৰিবৰ বাবে চৰকাৰে ২,৪১.২ ০,০০ (দুই লাখ, একচল্লিশ হাজাৰ দুইশ বিশ ) টকা ২৬-১০-৭৬ তাৰিখে মঞ্জুৰ কৰে । উল্লেখিত টকাৰ ভিতৰৰ পৰা নলীনাদটো বছৰাৰ বাবে ৩৫,০০০, ০০ (পয়ত্ৰিশ হাজাৰ) টকা ধাৰ্য্য কৰা হৈছিল ।

(গ)— এই আঁচনিৰ দ্বাৰাই অকল বোন্দাপাৰা গাওঁকেই সাঙোৰা হৈছে ।

(ঘ)— নিৰ্ম্মাণৰ বাবে আৱশ্যকীয় সা-সামগ্ৰীৰ অভাৱ হেতুকেই সম্পূৰ্ণ কৰি উলিয়াব পৰা হোৱা নাই ।

**Re : Construction of Veterinary Sub centres in Afala and Borpatradole Villages**

Shri Promode Gogoi asked :

* 524. Will the Minister, Veterinary be pleased to state—

(a) Whether it is a fact that there were proposals to construct Veterinary Sub-centres in Afala and Borpetradole villages within the Sibsagar Sub-division ?

(b) If so, whether plan and estimates were proposed for those sub-centres ?

(c) If so, whether the sub-centres will be constructd during the current year ?

Shri Samar Brahma Choudhury (Minister, Veterinary) replied :

524. (a)— Yes.

(b)— Yes.

(c)— The Plan and estimates have been received on 15th February, 1979 and hence it is not possible to take up the work in the current year.

বিষয় ঃ শিক্ষিত আৰু অশিক্ষিত নিবনুৱা

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰে সুধিছে ঃ

* ৫২৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত শিক্ষিত আৰু অশিক্ষিত নিবনুৱা সংখ্যা কিমান ?

(খ) এই নিবনুৱা সকলক সংস্থাপন দিবলৈ চৰকাৰে কি পৰিকল্পনা বা আঁচনি গ্ৰহণ কৰিছে ?

শ্ৰীজগন্নাথ সিংহ ( শ্ৰম বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

৫২৫। (ক)— অসমত ১৯৭৮ চনৰ ৩১ ডিচেম্বৰলৈ পঞ্জীয়নভুক্ত শিক্ষিত নিবনুৱাৰ সংখ্যা ১,১৯,৩৬৯ জন আৰু অশিক্ষিত নিবনুৱাৰ সংখ্যা ১, ৬৭,৮৮০ জন।

(খ)— নিবনুৱা সকলৰ সংস্থাপনৰ বাবে চৰকাৰে বিভিন্ন প্ৰচেষ্টা চলাই আছে।

## বিষয় ঃ হাইলাকান্দিতে ১০০ বেডের হস্পিট্যাল ও টি, বি, হস্পিট্যাল

শ্ৰীদীপক ভট্টাচাৰ্য্য জিজ্ঞাসা করিয়াছেন ?

* ৫২৬। মাননীয় স্বাস্থ্য বিভাগের রাজ্যিক মন্ত্রী মহোদয়ে অনুগ্রহ করে জানাবেন কি—

(ক) হাইলাকান্দিতে ১০০ বেডের হস্পিট্যাল ও টি, বি, হস্পিট্যালের জন্য চরকার ভূমি সংগ্রহ করেছিলেন কি ?

(খ) যদি করে থাকেন, কবে করেছেন ?

(গ) হস্পিট্যাল নিৰ্ম্মাণে অহেতুক দেরীর কারণ কি ?

ডাঃ কোমেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৫২৬। (ক)— হয়, কৰিছিল।

(খ)— ১০০ খন বিছনাযুক্ত চিকিৎসালয়ৰ কাৰণে ৫-৬-৭৪ তাৰিখে আৰু টি, বি, চিকিৎসালয়ৰ কাৰণে ৮-৫-৬৭ তাৰিখে ।

(গ)— পূঁজিৰ অভাৱ ।

**Re : Establishment of Medical Sub-Centres in Dejoo, Dhekiajuli etc. of Naobaicha Constituency**

**Shri Afazuddin Ahmed asked :**

* 527. Will the Minister of State, Health be pleased to state—

(a) Whether Government is aware that the people of remotest backward areas namely Dejoo, Dhekiajuli, Harmuti Dangibill Jubanagar, Kutubpur and Sohapur etc. of Naoboicha constituency are being deprived of giving minimum facilities of family welfare and medical treatment since past independent period.

(b) If so, whether public petitions and prayers have been received by Government from time to time for establishment of medical Sub centres in each of those above mentioned places ?

(c) If so, whether Government will take expeditious steps to set up medical Sub-Centres in aforesaid places

where land and houses are available on public contributions during the current financial year?

Dr. Kosheswar Bora (Minister of State, Health) replied :

527. (a)— Yes.

(b)— Yes.

(c)— On completion of the buildings for Fulbari and Harmuty Sub-Centres, staff has already been sanctioned and action is being taken by Chief Medical and Health Officer to open these two Sub-Centres, Proposals for establishment of Sub-centres at Kutubpur, Dhekiajuli, Sonapur, Dangibill and Jubanagar are not yet received by the Government from D. H. S. Assam. Following existing norm and depending upon fund Sub-centres will be established.

Re : Full-fledged Civil Hospital in the Silchar town

Shri Ramendra De asked :

* 528. Will the Minister of State Health be pleased to state—

(a) Whether it is a fact that the Democratic Wo-

mans' Organisation of Silchar met the Secretary of the Medical Department on August 5th of 1978 with a Memorandum signed by thirteen thousand people demanding a full-fledged Civil Hospital in Silchar town ?

(b) If so, the steps taken by Government to meet the demand of the people of the said area ?

Dr. Kosheswar Bora (Minister of State, Health) replied :

528. (a) Yes.

(b) A 50 bedded Civil Hospital will be opended in the old Civil Hospital buildings.

বিষয় ঃ গুৱাহাটী পৌৰ নিগম এলেকাভূক্ত খেতিৰ মাটি

শ্ৰীখগেন বৰবৰুৱাই সুধিছে :

* ৫২৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী পৌৰ নিগম এলেকাভূক্ত খেতিয়কৰ খেতিৰ মাটিবোৰ নগৰীয়া চিলিং আইনৰ পৰা মুক্ত ৰাখিবলৈ চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে ?

(খ) বৃহত্তৰ গুৱাহাটীৰ ভিতৰত চৰকাৰী মাটিত ঘৰ-বাৰী পাতি দখল

কৰি থকা লোক সকলক মাটিৰ আবণ্টন দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে লৈছেনে ?

(গ) পৌৰ নিগমৰ এলেকাভূক্ত খেতিৰ মাটিবোৰ একমাত্ৰ খেতিৰ কাৰণেই সংৰক্ষণ কৰি ৰাখিবলৈ চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫২৯। (ক)— নগৰীয়া চিলিং আইনখন পৌৰনিগম এলেকাৰ অন্তর্ভূক্ত পূৰ্ব্বৰ গুৱাহাটী পৌৰ সভা এলেকা আৰু তাৰ সংলগ্ন কিছুমান নগৰীয়া মান বিশিষ্ট এলেকাতহে প্ৰযোজ্য। কোন বিলাক খেতিৰ মাটিক এই আইনৰ পৰা অব্যাহতি দিব পাৰি তাক আইনতে সন্নিবিষ্ট কৰা আছে।

(খ)— বৃহত্তৰ গুৱাহাটীৰ ভিতৰত ব্যক্তিবিশেষক মাটিৰ পট্টন বা আৰণ্টন দিয়া বন্ধ আছে যদিও চৰকাৰে এই সমস্যাটোৰ সমাধানৰ বাবে চিন্তা কৰিছে।

(গ) (ক)— প্ৰশ্নৰ উত্তৰত কোৱা ব্যৱস্থাৰ বাহিৰে অন্য ব্যৱস্থা কৰা হোৱা নাই।

বিষয় ঃ গোলকগঞ্জ সমষ্টিৰ ৰতিয়াদহ, বেলগুৰী আদি গাওঁ সমূহ গঙ্গাধৰ নদীৰ খহনীয়াৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

* ৫৩০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলকগঞ্জ সমষ্টিৰ বৃতিয়াদহ, বেলগুৰি, চেৰনগৰ, মৈচা আদি জনবহুল গাওঁবোৰ গঙ্গাধৰ নদীৰ খহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে আজিলৈকে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) উক্ত ব্যৱস্থা বোৰেৰে খহনীয়া বোধ কৰিব পাৰিছেনে ?

(গ) যদি নাই কৰা, খহনীয়া বোধ কৰিবলৈ খৰতকীয়া স্থায়ী ব্যৱ। কিবা গ্ৰহণ কৰা হবনে ?

শ্ৰীবৰেশ মোহন কুলি বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীয়ে )য়ে উত্তৰ দিছে :

৫৩০। (ক)— ১৯৭৮ চনৰ বানপানীৰ সময়ত অ: ায়ী ব্যৱ। হিচাবে ৩৩,০০০ হাজাৰ টকা খৰছ কৰি ১১টা শিলৰ Savage আৰু কিছু সংখ্যক Porcupine কৰা হৈছিল।

(খ)— উক্ত ব্যৱ ই বিশেষ ভাৱে কামত লগাকৈ গড়া খহনীয়া প্ৰতিৰোধ কৰিব নোৱাৰিলে।

(গ)— বৰ্ত্তমান তেনে কোনো আঁচনি হাতত লোৱা নাই।

Re : Volunteers appointed under N.V.C. Schemes.

Shri Nishith Ranjan Das asked :

* 531. Will the Minister, Education be pleased to state—

(a) The total number of Volunteers appointed under

N. V. C. Schemes in the Elementary Education Department in the State ?

(b) Whether it is a fact that they have not received their stipend money amounting to Rs. 175.00 per month till this day ?

(c) Whether it is a fact that volunteers appointed under the said scheme in other departments have been paid their stipend long before ?

(d) If so, who is responsible for non-payment of the stipend of the Volunteers serving in the Elementary Education Department and what action Government propose to take against the person responsible for it ?

Shri Lakhyadhar Choudhury ( Minister, Education) replied :

531. (a)— 121 Volunteers.

(b)— Yes, but the required amount had already been sanctioned recently.

(c) — Yes.

(d)— Fund could not be placed under the newly created Directorate of Elementary Education for non-

provision of fund under appropriate head of account during 1978-79 as the scheme was received by the Directorate only after Annual Plan estimate were submitted to Government. Hence fixing responsibility for non-payment of stipends does not arise.

বিষয় ঃ ১৩১ টা উন্নয়ন খণ্ডত প্ৰাথমিক শিক্ষা আৰু সামাজিক শিক্ষাত মকবল কৰা স্নাতক যুৱক

শ্ৰীনৰেন্দ্ৰ নাথ দত্তই সুধিছে :

* ৫৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ ১৩১টা উন্নয়ন খণ্ডত প্ৰাথমিক শিক্ষাত এজনকৈ আৰু সামাজিক শিক্ষাত দুজনকৈ মকবল কৰা স্নাতক যুৱকে মাহে মাত্ৰ ১৭৫.০০ টকা বৃত্তিৰে গাওঁ অঞ্চলত সংগঠনৰ কাম কৰি থকা চৰকাৰে জানেনে ?

(খ এই যুৱক সকলক বয়স্ক শিক্ষা আঁচনিত উপযুক্ত পদত উপযুক্ত হাৰৰ বেতনেৰে অহা এপ্ৰিল মাহৰ পৰা চাকৰীত নিয়মীয়া কৰাৰ প্ৰতিশ্ৰুতি বিভাগীয় মন্ত্ৰী মহোদয়ে দিছিল নেকি ?

(গ) যদি দিছিল, এই প্ৰতিশ্ৰুতি ৰক্ষা কৰা হবনে নহয় ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী যে উত্তৰ দিছে :

৫৩২। (ক)— জানে।

(খ)— নাই দিয়া ।

(গ)— প্ৰশ্ন নুঠে ।

বিষয় ঃ অসম চিকিৎসা মহাবিদ্যালয়ৰ ডাঃ দিলীপ কুমাৰ বৰুৱা ডাঃ ভাস্কৰ মেধি আৰু ডাঃ গোলাপ মোহন চেতিয়া

শ্ৰীবিপিন হাজৰিকাই সুধিছে ঃ

* ৫৩৩। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চিকিৎসা মহাবিদ্যালত ডাঃ দিলীপ কুমাৰ বৰুৱা, এম, এছ, ডাঃ ভাস্কৰ মেধি এম, এছ, আৰু ডাঃ গোলাপ মোহন চেতিয়া, এম, এছ কি কি পদত নিয়োজিত আছে ?

(খ) উক্ত চিকিৎসক সকলৰ চাকৰীৰ কাল আৰু অভিজ্ঞতাৰ বিষয় জনাবনে ?

(গ) এনে চিকিৎসক সকলক অৰ্হতা আৰু অভিজ্ঞতাৰ ভিত্তিত সহকাৰী অধ্যাপকলৈ উন্নীত কৰাৰ নিয়ম আছে নেকি ?

(ঘ) যদি আছে, উপৰোক্ত চিকিৎসক সকলতকৈ কনিষ্ঠ ডাঃ ৰণেন মহন্ত, এম, এছক সহকাৰী অধ্যাপক হিচাবে নিয়োগ কৰাৰ কাৰণ কি ?

ডাঃ কোমেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৫৩৩। ক)— অসম চিকিৎস মহাবিদ্যালয়ত ডাঃ দিলীপ কুমাৰ বৰুৱা

এম, এছ, Resident Surgeon of Surgery পদত, ডাঃ ভাস্কৰ মেধি এম, এছ, Registrar of Surgery পদত আৰু ডাঃ গোলাপ মোহন চেতিয়া Resident Surgeon পদত নিয়োজিত আছে।

(খ)— ডাঃ দিলীপ কুমাৰ বৰুৱা ৬-৩-৭১ তাৰিখৰ পৰা ডাঃ ভাস্কৰ মেধি ৩০-১১-৭৪ তাৰিখৰ পৰা ডাঃ গোলাপ মোহন চেতিয়া ১-৪-৬৯ তাৰিখৰ পৰা উক্ত উল্লেখিত পদত কাম কৰি আছে।

(গ)— নাই। সহকাৰী অধ্যাপকৰ পদ অসম পাব্লিক চাৰ্ভিছ কমিছন (AHSC) মাধ্যমেৰে নিয়োগ কৰা হয়।

(ঘ)— অসম পাব্লিক চাৰ্ভিছ কমিছনৰ (APSC) অনুমোদন ক্ৰমে ডাঃ ৰণেন মহন্ত সহকাৰী অধ্যাপক পদত নিয়োগ কৰা হৈছে।

বিষয় ঃ বনাঞ্চলত বাস কৰা লোকৰ মাটি

শ্ৰীবুদ্ধ বৰুৱাই সুধিছে :

* ৫৩৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বনাঞ্চলৰ ভিতৰত এতিয়াও বসবাস কৰিবৰ কাৰণে বহু লোকক সুবিধা দিয়া হৈছে যদিও এই লোক সকলৰ নিজা নামত পট্টা নথকাৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা ঋণ আদিৰ পৰা তেওঁলোক বঞ্চিত হৈ থাকিব লগা হোৱাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, দৈয়াং বনাঞ্চলক বন বিভাগৰ পৰা মুক্তি কৰি ৰাজহ বিভাগৰ নীতি অনুযায়ী পট্টা দিয়াৰ যি আঁচনি লৈছে, তেনে আঁচনি মহমৰা সমষ্টিৰ দিবৈ বনাঞ্চল আৰু ৰাজ্যখনৰ অন্যান্য বনাঞ্চলতো লবনে ?

(গ) যদি লয়, তেন্তে কেতিয়া লব ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

৫৩৪। (ক)— হয়।

(খ)— দৈয়াং বনাঞ্চল এতিয়াও সংৰক্ষিত বনভূমিৰ তালিকাৰ পৰা বহিভূত কৰা হোৱা নাই। মহমৰা সমষ্টিৰ দিৰৈ বনাঞ্চল বা অন্যান্য বনাঞ্চলত থকা বন গাওঁবোৰ ৰাজহ বিভাগৰ অধীনলৈ অনাৰ কোনো আঁচনি চৰকাৰে লোৱাৰ কথা ভবা নাই।

(গ)— প্ৰশ্ন নুঠে।

Re : Employees of Dibrugarh Municipality

Shri Joy Chandra Nagbanshi asked :

* 535. Will the Minister, Municipal Administration be pleased to state –

(a) Whether any amount is payable to the employees under Dibrugarh Municipality as arrear wages and Additional Dearness Allowances for the period from 1st January, 1973 to 30th September, 1976 in case of Harijan workers and from 1st January, 1973 to 28th February, 1975 in case of office staff ?

(b) If so, what is the amount so payable in full ?

(c) Whether any amount has been paid within the periods mentioned above ?

(d) If so, what is the amount paid up-to-date and what is the balance to be paid to each of the employees ?

Shri Zehirul Islam (Minister, Municipal Administration) replied :

535. (a)— Yes.

(b)— Rs. 2,90,000·00 to Harijans and Rs. 1,15,000·00 to staff.

(c)— No.

(d)— Payment made ( after that period ) up-to-date Rs. 1,27,142.72p. to Harijans and Rs. 17,943. 90p. to staff leaving the balance of Rs. 1,62,857. 28p. to Harijans and Rs. 97,056. 10p. to staff Employee-wise information is not available.

বিষয় ঃ গুৱাহাটী-গোৱেশ্বৰ বাছ সস্থাৰ অধীনত বাছ

শ্ৰীদৈবশক্তি ডেকাই সুধিছে :

* ৫৩৬। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনা-

বনে—

(ক) গুৱাহাটী গোবেশ্বৰ বাছ সন্থাৰ অধীনত কিমান কেইখন বাছ আছে ?

(খ) শাখা পথবোৰত বাছ চলাচল নকৰাৰ ফলত যাত্ৰীৰ অসুবিধা হোৱাটো চৰকাৰে জানেনে ?

(গ) যদি জানে সন্থাৰ জৰিয়তে শাখা পথবোৰত বাছ দিয়াৰ ব্যৱস্থা কৰিবনে ?

(ঘ) শাখা পথবোৰত বাছ চলাচল কৰাবলৈ চৰকাৰে ৰাইজৰ আবেদন পাইছেনে ?

শ্ৰীজহিৰুল ইছলাম (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫৩৬। (ক)— উক্ত পথত বৰ্ত্তমানে ৩৪ (চৌত্ৰিশ) খন বাছ চলাচল কৰে।

(খ)— বিষয়টো চৰকাৰৰ দৃষ্টি-গোচৰ হৈ আছে।

(গ)— এই বিষয়ে বিবেচনাধীন হৈ আছে।

(ঘ)— হয় বেজেৰা, বালিকুছি আৰু গুৱাহাটী হগৰা, মুক্তাপুৰ শাখা পথত আবেদন পোৱা হৈছে।

Re : Opening of Transport Service from Laskarpathar to Nowgong

Shri Santi Ranjan Dasgupta asked—

* 537. Will the Minister, Transport be pleased to state—

(a) Whether it is a fact that the questioner gave a Representation on 7th June, 1978 in writing to the Minister, Transport regarding opening of Transport Service from Laskarpathar to Nowgong ?

(b) Whether any action has so far been taken by Government to that effect ?

(c) Whether it is a fact that a similar Representation was also submitted to the Minister by the people of Jugijan for a transport service from Jugijan Bazar to Nowgong ?

(d) What progress has been made in that matter ?

Shri Zahirul Islam (Minister, Transport) replied :

537. (a)— Yes.

(b)— The matter is under examination.

(c)— Yes.

(d)— The matter is under examination.

বিষয় ঃ গাওঁ আৰু পিছপৰা অঞ্চলত সৰু-সুৰা চহৰ গঢ়ি তোলাৰ অভিপ্ৰায়

শ্ৰীআব্দুছ ছোৱাহানে সুধিছে :

* ৫৩৮। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ আৰু পিছপৰা অঞ্চলত সৰু-সুৰা চহৰ গঢ়ি তোলাৰ অভিপ্ৰায় চৰকাৰৰ আছেনে ?

(খ) যদি আছে, তেন্তে পশ্চিম বৰপেটাত অৱস্থিত কলগছিয়া নামে ঠাই ডোখৰক কেন্দ্ৰ কৰি সৰু-সুৰা চহৰ এখন গঢ়ি তুলিব পৰা যাবনে ?

(গ) যদি পৰা যায়, তেন্তে কেতিয়া সেই কাম সম্ভৱ হব পাৰে ?

শ্ৰীজহিৰুল ইছলাম (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৫৩৮। (ক)— পৌৰ প্ৰশাসন বিভাগৰ তেনে কোনো প্ৰকল্প নাই।

(খ) আৰু (গ)— প্ৰশ্ন নুঠে।

Re ; Bodo Medium Teacher

Shri Binoy Kumar Basumatary asked :

* 539. Will the Min ster, Education be pleased to state—

(a) Whether persons not knowing Bodo Language have been appointed as Bodo midium teachers in Kakalbhangi Kacharidag, Khagra and Udmarı L.P. Schools by the Deputy Inspector of Schools, Mangaldoi ?

(b) If so, what are the reasons of such appointments ?

(c) If so, whether these teachers will be removed from these Schools ?

Shri Lakshyadhar Choudhury (Minister, Education )replied :

539. (a)— Though the defunct Regional Board of Elementary Eduction appointed a person not conversant in Bodo Language as Bodo medium teacher for Kakalbhangi L.P. School, another teacher of the said School knows Bodo language and can teach through Bodo midium. In Khagra Government Junior Basic School, Deputy Inspector of Schools posted a person not well conversant in Bodo Language in 1975 to fillup the vacancy caused by resignation tendered by the former Bodo medium teachers.

In Udmari Government Junior Basic School, a person knowing Bodo Language hed been posted. In Kacharidag L. P. School, Bodo meduium has not been introduced.

(b)—In case of Kakalbhangi L P. School, Deputy Inspector of Schools transferred a teacher from Boinara

Kacharipara L.P. School and posted him as Bodo medium teacher of Kakalbhangi L.P. School. In case of Khagra Government Junior Basic School, Deputy Inspector of Schools appointed the Bodo medium teacher on a temporary basis to fillup the vacancy caused by resignation of the former Bodo medium teacher.

(c)— As students in all these Schools are not receiving instruction through Bodo medium at present the question of removal of teacher from these schools does not arise.

Re : Vacation of Government Quarters

Shri Bilton G. Momin asked :

*540. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the salary of certain Assistants in the Secretariat has been held up as they have not vacated the Gove.:ment quarters ?

(b)— Whether it is also a fact that the Deputy Commissioner, Kamrup directed the Treasury Officers not to pay the salary bills of certain officers in occupation of Government quarters in the Pool of the Deputy Commi-

ssioner so as to compel them to vacate the quarters?

(c) Can such orders withholding the salary of Government Servants be passed?

(d) If so, under what provisions of law?

Shri Golap Barbora (Chief Minister) replied :

540. (a)— Yes, but the order was vacated on further consideration.

(b)— Deputy Commissioner, Kamrup, issued notices to vacate quarters occupied by those Government Officers who are not entitled to occupy Government quarters in the Pool of Deputy Commissioner. Treasury Officers were instructed to realise market rent from the paybill of the officers who did not vacate the Government quarters as per D.C.'s notice. Treasury Officers actually did not withhold salary bills, but bills were returned to the concerning officers for submission after deducting market rent assessed by the P. W. D.

(c)— Does not arise.

(d)— Does not arise.

বিষয় ঃ কামাখ্যা ধামত বিশুদ্ধ খোৱা পানী যোগানৰ আঁচনি

শ্ৰীমুকুট শৰ্মাই সুধিছে :

* ৫৪১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কামাখ্যা তীৰ্থ ধামত বিশুদ্ধ খোৱা পানীৰ অভাৱৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে উক্ত স্থানত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰে আঁচনি গ্ৰহণ কৰিবনে ?

শ্ৰীজহিৰুল ইছলাম (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৪১। (ক)— কামাখ্যা ধামত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা আছে কিন্তু যোগান যথেষ্ট নহয় বুলি জানো।

(খ)— আঁচনি যুগুত কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

বিষয় : তলাতলি ঘৰ

শ্ৰীযোগেন গগৈয়ে সুধিছে :

* ৫৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আহোম ৰাজত্বৰ দিনৰ ঐতিহ্যমণ্ডিত তলাতলি ঘৰৰ তলত মাটিৰে পোত খাই আৰু এখলপা আছে বুলি কোনো কোনো বুৰঞ্জীবিদে মত প্ৰকাশ কৰাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে এই তলাতলি ঘৰৰ ভেটিটোৰ লগত ইতিহাসে পৰশা বহু সন্ধান জড়িত হৈ আছে বুলিও জানেনে ?

(গ) এই ইতিহাস আৰু ভৱিষ্যত ইয়াৰ উন্নয়নৰ বাবে উদ্ধাৰ কাৰ্য্য চলাবলৈ গবেষণাৰ ব্যৱস্থা কৰিব পৰা হবনে ?

(ঘ) ইয়াৰ সন্দৰ্ভত বুৰঞ্জীবিদৰ উক্তি জনোৱাৰ বাবেও প্ৰাৰম্ভিক অৱস্থাত এটা সু-ব্যৱস্থা কৰিব পৰা হবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৪২। (ক)— হয় জানে।

(খ)— হয় জানে।

(গ) আৰু (ঘ)— বিষয়টো বিবেচনা কৰা হব।

বিষয় ঃ উত্তৰ লক্ষীমপুৰ মহকুমাৰ শিল্প উদ্যোগ

শ্ৰীশূল বৰাই সুধিছে :

* ৫৪৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ মহকুমাত কিবা শিল্প উদ্যোগ আছে নে ?

(খ) উপৰোক্ত মহকুমাত নতুন নতুন শিল্প উদ্যোগ স্থাপন কৰিবলৈ চৰকাৰে কিবা আঁচনি হাতত লৈছে নেকি ?

(গ) যদি লৈছে, তেন্তে কেতিয়াকৈ এই আঁচনি কাৰ্য্যকৰী কৰা হব ?

শ্ৰীজগন্নাথ সিংহ (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৪৩। (ক)— হয় আছে।

(খ)— কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগ খণ্ডত কিছুমান উদ্যোগ স্থাপিত কৰিবলৈ চৰকাৰে উদ্যোগকামী সকলক উদ্‌গনি দি আছে।

(গ)— উদ্যোগকামী সকলক সাহাৰ্য্য কৰাৰ কাৰণে আঁচনি সমূহ সদায়ে বলবৎ আছে।

বিষয় ঃ অসম ৰাজ্যিক পৰিবহন নিগমে কিনা টাটা আৰু অশোক লিলেণ্ড গাড়ীৰ চেঁচিচ্

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে ঃ

* ৫৪৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৮ চনটোৰ ভিতৰত অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ তৈয়াৰ কৰিবলৈ টাটা আৰু অশোক লিলেণ্ড গাড়ীৰ 'চেচিচ্' কিমানটা কিনা হৈছে আৰু তাৰ কাৰণে মুঠ কিমান টকা খৰছ কৰা হৈছে ?

(খ) এই চেচিচ্ কিমানটা এতিয়া অসম পাইছেহি আৰু ক'ত কি ভাবে ৰখা হৈছে ?

(গ) এই চেচিচ্ সমূহ সাজি বাছ হিচাবে উপযোগী কৰি তুলিবলৈ কিমান দিন লাগে ?

(ঘ) এতিয়ালৈকে কিমানটা চেচিচ্ বাছ হিচাবে বডি সাজিবলৈ দিয়া হৈছে আৰু কোন কাৰখানাত কিমানটা বডি এই অৱস্থাত আছে ?

(ঙ) চেচিচ্‌ৰ পৰা বাছ সাজি কিমানখন নতুন গাড়ী ৰাস্তাত চলিব পৰা হৈছে আৰু কিমানখন ৰাস্তাত উলিয়াই দিবলৈ বাকী আছে ?

(চ) এই চেচিচ্‌ সমূহক বাছলৈ ৰূপান্তৰিত কৰিবলৈ কিমান সময় লাগিব ?

(ছ) এই চেচিচ্‌ সমূহ বাছলৈ ৰূপান্তৰিত কৰিবলৈ অসমৰ বাহিৰত ভাৰতৰ অন্যান্য চহৰত অসম চৰকাৰৰ বিষয়াৰ দ্বাৰাই যোগাযোগ কৰা কথাটো সচাঁনে ?

(জ) যদি সচাঁ, বিষয়া সকলৰ নাম আৰু তেওঁলোকৰ ভাত্তা আদিত কিমান খৰচ হৈছে ?

(ঝ) পৰিবহন নিগমে নিজৰ কাৰখানাত এই বাছবোৰ তৈয়াৰ কৰা ব্যৱস্থা কৰিব নোৱাৰিব নে ?

(ঞ) যদিহে অসমৰ বাহিৰতেই এই বাছবোৰ তৈয়াৰ কৰিবলগীয়া হয় তেনেহলে এই চেচিচ্‌বোৰ অসমলৈ প্ৰথমতে অনা হয় কিয় ?

শ্ৰীজহিৰুল ইছলাম (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৫৪৪। (ক)— ১৯৭৮ চনৰ ভিতৰত অসম ৰাজ্যিক পৰিবহন নিগমে বাছ তৈয়াৰ কৰিবলৈ টাটা ৪০ খন আৰু অশোক লিলেণ্ড ৫৫ খন সৰ্ব্বমুঠ ৯৫ খন চেচিচ্‌ কিনে। ইয়াৰ বাবদ ১,০০,৫৭,৮৮৭,২৬ টকা ব্যয় হয়।

(খ)— সকলোবোৰ চেচিচ্‌ গুৱাহাটী পালেহি। তাৰে ৮৭ খন চেচিচ্‌ বাছ তৈয়াৰ কৰিবৰ বাবে দিয়া হৈছে। আৰু বাকী ৮ খন এতিয়ালৈ নিগমৰ কেন্দ্ৰীয় কৰখানাত আছে।

(গ)— সাধাৰণতে এই চেচিচ্‌বোৰক বাছ হিচাবে উপযোগী কৰি তুলিবলৈ ইয়াৰ ফেক্টৰী সমূহে ৯০ দিনৰ পৰা ১২০ দিন সময় লয়।

(ঘ)— ৮৭ খন চেচিচ্‌ বডি সাজিবলৈ দিয়া হৈছে। তাৰ ভিতৰত ৭০ খন ইতিমধ্যে নিগমে পাইছে আৰু নিম্নলিখিত ফেক্টৰী সমূহত বাকী চেচিচ্‌বোৰত বডি সাজি আছে।

১। নেচনেল কনষ্ট্ৰাকচন কোম্পানী, —১১ খন
গুৱাহাটী।
২। গোৱেঙ্কা অটোমোবাইল, —৪ খন
গুৱাহাটী।
৩। কামৰূপ কনষ্ট্ৰাকচন কোম্পানী, —২ খন
গুৱাহাটী।

মুঠ —১৭ খন।

(ঙ)— বডি সজা ৭০ খন বাছ ইতিমধ্যে পথত দিয়া হৈছে। আৰু ১৭ খন বাছৰ বডি সজাৰ কাম চলি আছে।

(চ)— ১৭ খন বডি সাজি থকা বাছৰ ভিতৰত ১০ খন বাছ এমাহৰ ভিতৰত পোৱা আশা কৰা হৈছে আৰু বাকী ৭ খন বাছ অলপতে সাজিবলৈ দিয়া হৈছে আৰু মে' জুনৰ ভিতৰত পোৱাৰ আশা আছে।

(ছ আৰু জ)— অসম চৰকাৰৰ কোনো বিষয়াই তেনে ধৰণৰ যোগাযোগ কৰা নাই আৰু তাৰ বাবে ভাত্তা আদি দিয়াৰো প্ৰশ্ন নুঠে।

কিন্তু নিগমৰ তৰফৰ পৰা অন্যান্য দুই এখন ঠাইত নিগমৰ বাছ বডি বনোৱাৰ সম্ভাৱনা পৰীক্ষা কৰি চাইছে।

(ঋ)— এই বিষয়টো পৰিবহন নিগমে পৰীক্ষা কৰি চাব ।

(এ)— এতিয়ালৈকে নিগমে অনা চেচিচ্‌বোৰ অসমৰ ভিতৰতে বাছ তৈয়াৰ কৰিবলৈ দিয়া হৈছে ।

Re : Bakijai Proceedeings against the owners of different types of vehicles for non-payment of taxes in Darrang District

Shri Golok Rajbanshi asked :

* 545. Will the Minister, Transport be pleased to state—

(a) How many cases were referred to Bakijai Officer to draw up Bakijai proceedings against the owners of different types of vehicles for non-payment of Taxes during the year 1978 in Darrang District ?

(b) The total amount of Taxes involved in such cases ?

(c) The number of cases dropped by the Bakijai Officer on different grounds ?

Shri Zahirul Islam (Minister, Transport) replied :

545. (a)— Twenty cases.

(b)— Rs. 53,593 ( Rupees fifty three thousand five hundred and ninety three ) only;

(c)— Nill.

Re : Scheme for controlling the erosion Sonkosh River in Gossaigaon and Golakganj area

Shri Mathias Tudu asked :

* 546. Will the Minister, Flood Control be pleased to state—

(a) Whether Government have taken any scheme to control the erosion of the Sonkosh River in Gossaigaon and Golakganj area ?

(b) If not, why ?

(c) In view of the fact that there has been heavy erosion of the Sonkosh river on the Eastern bank right from Jomduar to Golukganj whether the Government will take immediate steps to check the erosion ?

Shri Ramesh Mohan Kouli (Ministrr, Flood Control) replied :

546. (a)— Anti-erosion measures were taken in five

places at Golakganj to Tamahat-Dianamari Kumarganj and Purni-Moisa (East) villages.

(b) and (c)— At present. erosion is continuing on Eastern bank at village Baghdokra, Purni-Mosia (E) and Golakganj town. No immediate steps could be taken for the reason that most of the area in Baghdokra lies in West Bengal and the antierosion measures has already been taken in other two places. Further development is under observation.

Re : Promotion of Ministerial Staff of Assam Sales Tax Department

Shri Nishith Ranjan Das asked :

* 547. Will the Minister, Finance be pleased to state –

(a) Whether Government will review the present system of promotion of Ministerial staff of Assam Sales Tax Department to the Inspector of Taxes ?

(b) If so, whether promotion quota will be raised up to 75% as demanded by the staff of the said Department ?

(c) How many executive Gazetted posts are held by the officers who are not graduate ?

Shri Keshab Chandra Gogoi ( Minister, Finance ) replied :

547. (a)— No.

(b)— This aspect of the matter is being examined.

(c)— 50 Nos. of posts.

## SHORT NOTICE

## QUESTIONS AND ANSWERS

Date : 5th April, 1979

বিষয় ঃ তথ্য আৰু জনসংযোগ বিভাগৰ বিভিন্ন কাম–কাজ

শ্ৰীশশ কমল সন্দিকৈয়ে সুধিছে ঃ

১৪। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তথ্য আৰু জনসংযোগ বিভাগৰ বিভিন্ন কাম-কাজ আজি প্ৰায় ১০ বছৰে এজন ঠিকাদাৰে কৰি যোৱাতো সচাঁনে ?

(খ) এই বিভাগৰ মটৰ গড়ী মেৰামতি কৰাৰ বাবে এটি আচুতীয়া মটৰ গেৰেজ আছে নেকি আৰু যদি আছে এই গেৰেজৰ আজি

পৰিমিত মেৰামতি হোৱা গাড়ীৰ ও খৰচৰ পৰিমান কিমান?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী য়ে উত্তৰ দিছে:

১৪। (ক)— সচাঁ নহয়।

(খ)— এই বিভাগৰ মটৰ গাড়ী মেৰামতি কৰাৰ বাবে এটা আচুতীয়া মটৰ গেৰেজ নাই। নিবিদাৰ দ্বাৰা মনোনীত কৰা কাৰখানাত এই বিভাগৰ গাড়ী মেৰামত কৰা হয়। গতিকে কোনো আচুতীয়া গেৰেজত মেৰামতিৰ খৰচৰ কথা নুঠে।

শ্ৰীশশ কমল সন্দিকৈ:— অধ্যক্ষ মহোদয়, অলপতে শোৱালকুচিত পদৰ্শনি পতা হৈছিল, সেই পদৰ্শনীত ২ হাজাৰ স্কুৱাৰ ফুটৰ এখন মেলা পতা হৈছিল। তাত বিভিন্ন কাম কাজত এজন ঠিকাদাৰে লোৱা কথাটো সত্য নেকি?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী):— সেই কাৰণে বেলেগে প্ৰশ্ন কৰিলে ভাল হয়। চৰকাৰৰ নিৰ্দ্দিষ্ট তেনে কোনো গেৰেজৰ ব্যৱস্থা নাই।

শ্ৰীশশ কমল সন্দিকৈ:— এই শোৱালকুচি অধিবেশন যিটো প্ৰশ্ন সেইটো বেলেগে নাহে, ইয়াৰ লগত এইটো জৰিত আছে। বিভিন্ন কাম কাজ ২ হাজাৰ স্কুৱাৰ মাটিত ফুলত তাত যোগান ধৰিছিল সেইটো কথা সঁচা হয়নে?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী):— অনুসন্ধান কৰি চাব লাগিব।

শ্ৰীঅজয় দত্ত:— জনসম্পৰ্ক বিভাগৰ কেইখন গাড়ী আছে, ইয়াৰে কেইখন চলি আছে আৰু কেইখন চলি থকা অৱস্থাত নাই। মন্ত্ৰী মহোদয়ে জনাবনে?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— নতুন গাড়ী আৰু লোৱা হোৱা নাই। বহু বছৰ পুৰণা গাড়ীৰে চলি থকা হৈছে। হেড কুৱাটাৰত ৬ খন তাৰ ভিতৰত এখন ৰিপিয়াৰিং হৈ আছে। এখন নট ইন ৰানিং কনদিচন। বাহিৰত থকা কেইখনৰ ভিতৰত কেইখনমান আন্দাৰ ৰিপিয়াৰিংত আছে, এখন কনদেম কৰা হৈছে, এখন অকচন দিয়া হল। মই নিজে জনা মতে আটাই বিলাক গাড়ী প্ৰায় ভাগেই মেৰামতি কৰি থাকিব লগীয়া হৈছে।

শ্রীমুকুট শৰ্ম্মা :— যোৰহাট আৰু ডিব্ৰুগড়ত কোনো গাড়ী নাই। আৰু যি ঠাইত গাড়ী আছে জিলা ৰিষয়া সকলে গাড়ী চলাবলৈ তেওঁলোকক মাত্ৰ আঢ়ৈশ টকা দিয়া হৈছে। পেট্ৰোলৰ দাম বঢ়াৰ পৰিপ্ৰেক্ষিতত এই টকা যথেষ্ট হয় বুলি ভাবেনে?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই বিলাকৰ ক্ষেত্ৰত ৰুল যি ৰক্ষা আছে সেইমতে দিয়া হৈছে।

শ্রীঅতুল চন্দ্ৰ গোস্বামী :— হেডকুৱাটাৰত (গুৱাহাটী) চাৰিখন গাড়ী চলি আছে। আৰু দুখনত বিভাগীয় কৰ্ম্মচাৰী সকলৰ লৰা-ছোৱালীক স্কুললৈ নিয়া আৰু অনা ব্যৱস্থা কৰা হয়। এইটো মন্ত্ৰী মহোদয় জানেনে?

শ্রীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— সেই বিষয়ে দৃষ্টিগোচৰ হোৱা নাই।

শ্রীশৰৎকমল সন্দিকৈ :— আগৰ মন্ত্ৰী সভাই চাৰিখন এটা বিকৃচা কিনিছিল। যদি কিনিছিল তেতিয়াহলে এই বিকৃচা কেইখন তথ্য জন সম্পৰ্ক বিভাগত আছেনে নাই?

মাননীয় অধ্যক্ষ :— বেলেগ প্ৰশ্ন কৰিলে ভাল হয়।

শ্ৰীশশকমল সন্দিকৈ : কলিকতাত তথ্য জনসম্পৰ্ক বিভাগৰ যি গাড়ী কিনা হৈছে সেইখন তাত নেথাকে। গুৱাহাটীতে ই চলি আছে, এই কথা সত্যনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— অ'ট ৰিক্‌চা এই বিভাগে কিনা নাই, প্লেনিং বিভাগেহে কিনিছে। এই কেইখন ভাল অৱস্থাত নাই, পৰি আছে। প্ৰচাৰ বিভাগে এই কেইখন কেনেকৈ কামত লগাব পাৰি নেকি সেই বিষয়ে প্লেনিং বিভাগৰ পৰা এই কেইখন বিচৰা হৈছে।

শ্ৰীঅজয় দত্ত :— এই অট্‌ ৰিক্‌চা বিলাক আগৰ চৰকাৰে কংগ্ৰেছ চেচনত নিজক সমাজবাদী বুলি প্ৰতিপন্ন কৰিবৰ কাৰণে ব্যৱহাৰ কৰিবলৈ আনিছিল। আৰু সমাজবাদৰ কামত ব্যৱহাৰ কৰিছিল নেকি?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— কিনা হৈছিল। কিহৰ কাৰণে ব্যৱহাৰ কৰিছিল নাজানো, এতিয়া বেয়া হৈ পৰি আছে।

শ্ৰীআক্ৰাম হুচেইন :— এই যে অটৰিক্‌চা বিলাক হেজাৰ হেজাৰ টকা খৰচ কৰি কিনা হৈছে, আৰু এতিয়া পৰি আছে তাক কাৰ্য্যক্ষম কৰি তুলিবৰ কাৰণে ব্যৱস্থা কৰিব নেকি?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— মই আগতেই কৈছো, জনসম্পৰ্ক বিভাগে এইখিনি কামত লগাবৰ কাৰণে ব্যৱস্থা কৰিছে।

বিষয় : দিল্লীৰ 'নাৰোলা'' কোম্পানী

শ্ৰীশূল বৰাই সুধিছে :

১৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) দিল্লীৰ "নাৰোলা" নামৰ কোম্পানী এটাই অসমৰ চৰকাৰী চিকিৎসালয় বিলাকৰ আৱশ্যকীয় ঔষধ, সা-সৰঞ্জাম আদি যোগান নধৰাকৈ মিছা আৰু ভুৱা বিল দি কোটি টকা নিয়া চৰকাৰে জানেনে ?

(খ) যদি জানে, এই কোম্পানীটোৱে কিমান বছৰ ধৰি ঔষধ আৰু সা-সৰঞ্জাম যোগান ধৰিছে আৰু মুঠ কিমান কোম্পানীক দিয়া হৈছে ?

(গ) এই নাৰোলা নামৰ কাম্পানীটোৱে সম্পূৰ্ণ বস্তু নিদিয়াকৈ কিছুমান ভুৱা বিল দি টকা নিবলৈ চেষ্টা কৰোতে সেই সময়ৰ উত্তৰ লক্ষীমপুৰ জিলাৰ স্বাস্থ্য বিষয়াই ধৰা পেলাই বিভাগীয় কৰ্তৃপক্ষক জনোৱাৰ কথা চৰকাৰে জানেনে ?

(ঘ) যদি জানে এই সংক্ৰান্তত সেই সময়ৰ মুখ্যমন্ত্ৰীৰ "ভিজিলেন্স চেলে" যোৱা ১৯৭৬ চনৰ আগষ্ট মাহত উত্তৰ লক্ষীমপুৰত থকা জিলা স্বাস্থ্য বিষয়া কাৰ্য্যালয়ৰ পৰা এই মিছা বিল আৰু এই সংক্ৰান্তৰ নথি পত্ৰ উদ্ধাৰ কৰি গোচৰ তৰাৰ বিষয়ে চৰকাৰে জানেনে আৰু যদি জানে আন আন জিলাতো এনে ভুৱা বিলৰ নথি পত্ৰ উদ্ধাৰ কৰিছিল নেকি আৰু যদি কৰিছিল কোন জিলাত আৰু কিমান চনত ?

(ঙ) যদি এনে গোচৰ তৰিছিল বৰ্ত্তমান কি অৱস্থাত আছে আৰু চৰকাৰে কি ব্যৱস্থা লৈছে ?

(চ) এই কথা সঁচা নেকি যে যিজন জিলা স্বাস্থ্য বিষয়াই সেই সময়ত এই ঘটনা ধৰা পেলাইছিল তেওঁৰ ব্যক্তিগত জীৱন আৰু গোটেই পৰিয়ালৰ জীৱন সংকটাপন্ন হোৱাত চৰকাৰে নিৰাপত্তাৰ কাৰণে পুলিচ পহৰাত ৰাখিব লগাত পৰিছিল ?

ডাঃ কোমেশ্বৰ বৰা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৫। (ক)— মিছা আৰু ভুৱা বিলৰ সম্পৰ্কে চৰকাৰে অভিযোগ পাইছে।

(খ)— ১৯৬৮ চনৰ পৰা এই কোম্পানীটোৱে ঔষধ আৰু সা-সৰঞ্জাম যোগান ধৰিছে। আন আন তেনে কোম্পানীৰ সংখ্যা তলত দিয়া হল—

| | |
|---|---|
| ১৯৬৮-৬৯ | ১৩ টা কোম্পানী |
| ১৯৬৯-৭০ | |
| ১৯৭০-৭১ | ২৩ টা কোম্পানী |
| ১৯৭১-৭২ | |
| ১৯৭২-৭৩ | ৩২ টা " |
| ১৯৭৩-৭৪ | ১৭ টা " |
| ১৯৭৪-৭৫ | ১৭ টা " |
| ১৯৭৫-৭৬ | ২১ টা " |
| ১৯৭৬-৭৭ | ৩৭ টা " |
| ১৯৭৭-৭৮ | ১৯ টা " |
| ১৯৭৮-৭৯ | ২৭ টা " |

(গ)— হয়।

(ঘ)— হয়। জানে। আন জিলাত কোনো ভুৱা বিল পোৱা হোৱা নাই।

(ঙ)— ৮ জন লোকৰ ওপৰত কেছ দিয়া হৈছে আৰু কিছুমান নথি পত্ৰ Hand-Writting expert লৈ পঠিওৱা হৈছে। তাৰ report এতিয়ালৈ অহা নাই।

(চ)— হয়, তেওঁৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছিল।

শ্ৰীশূল বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াৰ

পৰা জানিব বিচাৰিছো যে এই বিলখন স্বাস্থ্য বিভাগৰ সঞ্চালকে পেমেণ্ট কৰিছিল নেকি? এই বিলখন কিমান চনৰ পৰা পৰি আছিল সেইকথা জনাব নে?

শ্ৰীকোষেশ্বৰ বৰা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই বিল-বিলাকৰ কিছু বিল ইতিমধ্যে পেমেণ্ট কৰা হৈছে আৰু কিছু বিল বন্ধ কৰি ৰখা হৈছে। আমাৰ যিটো ভিজিলেন্স চেল আছে তেওঁলোকে গোটেই বস্তুটো তদন্ত কৰি ৰিপোট-পাতি যুগুত কৰাৰ পিচত এই বিল বিলাক বন্ধ কৰি ৰখা হৈছে।

শ্ৰীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ লক্ষীমপুৰ চিভিল হস্পিতেলত ১৯৭২ চনৰ পৰা ১৯৭৬ চনৰ জুন মাহলৈ মিছা বিলৰ সন্দৰ্ভত এই নাৰোলা নামৰ কোম্পানীটোৰ নামত কিমান টকাৰ ভুৱা বিল আছিল আৰু এই বিল ধৰা পৰাৰ কিমান দিনৰ ভিতৰত তেওঁলোকক পেমেণ্ট দিয়া হৈছিল আৰু কিমান টকা পেমেণ্ট দিছিল?

শ্ৰীকোষেশ্বৰ বৰা (মন্ত্ৰী) :— এই দুয়োটা কোম্পানীক মুঠতে ৫ লাখ টকা পেমেণ্ট দিয়া হৈছিল আৰু সেই পেমেণ্ট স্বাস্থ্য বিভাগৰ পৰা হৈছিল।

শ্ৰীনগেন বৰুৱা :— মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটো অনুগ্ৰহ কৰি জনাবনে যে এই দুয়োটা কোম্পানী একেজন মানুহৰেই চলাই আছে?

শ্ৰীকোষেশ্বৰ বৰা (মন্ত্ৰী) :— সেইটো এতিয়া কব নোৱাৰিম।

শ্ৰীনগেন বৰুৱা :— স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ৫ লাখ টকা পেমেণ্ট কৰা হৈছিল। কিন্তু এই ৫ লাখ টকা পেমেণ্ট কৰাৰ ক্ষেত্ৰত ভুৱা ভাউচাৰ আদিও এই বিলখনৰ লগত আছিল। তথাপি এই টকাখিনি কেচ চলি থকা অৱস্থাতে কি কাৰণত আৰু কোন অফি-

চাবৰ নিৰ্দ্দেশত পেমেণ্ট কৰা হৈছিল?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী):— এই টকাখিনি স্বাস্থ্য বিভাগৰ সঞ্চালকৰ নিৰ্দ্দেশক্ৰমে পেমেণ্ট কৰা হৈছিল।

শ্ৰীনগেন বৰুৱা:— মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এই টকাখিনি স্বাস্থ্য বিভাগৰ সঞ্চালকৰ পৰা পেমেণ্ট কৰা হৈছে। লগতে তেখেতে এইটোও কৈছে যে এই সংক্ৰান্তত ৯ জন মানুহৰ বিৰুদ্ধে কেচ কৰা হৈছে। কিন্তু সঞ্চালকক কোনে পেমেণ্ট কৰিবলৈ নিৰ্দ্দেশ দিলে? তেওঁৰ বিৰুদ্ধে কিবা ব্যৱস্থা লোৱা হৈছে নে?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী):— সেই সময়ত যিজন একাউণ্টেণ্ট আছিল তেখেতক নিলম্বিত কৰি ৰখা হৈছিল। কিছুদিন পিচত তেওঁৰ প্ৰচিডিং ড্ৰ কৰি আকৌ সেইটো ড্ৰপ কৰি তেওঁক পুনৰ কাম কৰিবলৈ দিয়া হৈছে আৰু তেনে অৱস্থাতে আছে। কিয়নো ইতিমধ্যে কেচটো চলি আছে আৰু যিমান দিনলৈ কোনো সিদ্ধান্ত নহয় তেতিয়ালৈকে তেনে অৱস্থাতে থাকিব।

শ্ৰীপ্ৰমোদ গগৈ:— অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যি কেইটা উত্তৰ দিলে আচলতে এই নাৱোলা কোম্পানী আৰু আসাম চাৰ্জিকেল কোম্পানী একেজন মানুহৰেই কোম্পানী। এই দুটা কোম্পানীৰ মুখ্য কাৰ্য্যালয় হৈছে দিল্লীত। মন্ত্ৰী ডাঙৰীয়াই এই কথা স্বীকাৰ কৰিছে যে ১৯৬৮ চনৰ পৰা এই উদ্যোগ দুটাই অসমৰ চিকিৎসা বিভাগক তেওঁলোকৰ ঔষধৰ যোগান ধৰি আছে। এই কথা সত্য নে যে ১৯৭৬ চনত এই প্ৰতিষ্ঠানৰ বিৰুদ্ধে অভিযোগ পায় মুখ্যমন্ত্ৰীৰ ভিজিলেন্স চেলে তদন্ত কৰি উত্তৰ লক্ষীমপুৰ পুলিচ ষ্টেচনত আন্দাৰ চেক্সন ১২০। ৪৭১। ৪৭৭। আৰু ক্লজ ৫ ৰ ৪২০ ধাৰামতে কেচ দাখিল কৰে। এইকথা

সত্য নে যে উত্তৰ লক্ষীমপুৰ পুলিচ ষ্টেচনত এই ধাৰাবিলাক অনুযায়ী কেচ চলি থকাৰ পিচত স্বাস্থ্য বিভাগৰ সঞ্চালকে ১২ লাখ টকা এই কোম্পানীক পেমেণ্ট কৰিছে ?

ডাঃ কোযেশ্বৰ বৰা ( মন্ত্ৰী ):— অধ্যক্ষ মহোদয়, কেচ ৰুজু কৰাতো হয়, কিন্তু কেচৰ নম্বৰ কেইটা অলপ খেলি-মেলি হৈছে। ৪২০ নম্বৰৰ এটা কেচ অৱশ্যে আছে আৰু বাকী ৪৭১।৪৬৭।১২০ (বি) এই কেইটা কেচ আছে। কিন্তু মই জনামতে ৫ লাখ টকাহে দিয়া হৈছে। ১২ লাখ টকা দিয়া কথাটো মই জনা নাই। সেইটো ভালকৈ চাই-চিতি পিচত জনাব পাৰিম।

শ্ৰীপ্ৰমোদ গগৈ:— যি তাৰিখে এই কেচটো চৰকাৰে উত্তৰ লক্ষীমপুৰ পুলিচ ষ্টেচনত দিছিল সেই তাৰিখৰ পিচত কেচটো তদন্তাধীন হৈ থকা অৱস্থাতে এই কোম্পানীটোক স্বাস্থ্য বিভাগৰ সঞ্চালকে ১২ লাখ টকা দিয়াতো হয় নে নহয়? মন্ত্ৰী মহোদয়ে কৈছে যে ৫ লাখ টকা দিয়াটো হয়। কিন্তু এই কেচ দাখিল কৰাৰ পিচত ১২ লাখ টকা দিয়া হৈছে। মই জনাত স্বাস্থ্য বিভাগৰ সঞ্চালকে এই কেচ দিয়াৰ পিচত ১২ লাখ টকাৰ পেমেণ্ট কৰিছে। সেই কথাটো সচা হয় নে নহয় মন্ত্ৰী মহোদয়ে জনাবনে ?

ডাঃ কোযেশ্বৰ বৰা:— উক্ত টকাখিনি কেচ ৰুজু কৰাৰ আগতেই পেমেণ্ট কৰিছে নে পিচতেই কৰিছে সেইটো মই ভালকৈ নাজানো। গতিকে গোটেইখিনি কথা তদন্ত কৰি চাই পিচত জনাব পৰা হব।

Shri Altaf Hossain Mazumdar:— Sir, be it 5 lakhs or 12 lakhs or even 1 lakh the Minister categorically stated in the answar to the question that Rs.

5 lakhs was paid under the direction of the Director of Health Services when the allegations were there. May I know from the hon'ble Minister what action he has taken against the Director or he is going to give protection to the Director?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী):— এইটো কোনো প্ৰটেকশ্যন দিয়া কথা নহয়। এই ক্ষেত্ৰত বিষয়া সকল বেলেগ হৈ অহাৰ লগে লগে আৰু তদন্ত আদি হৈ থকা স্বত্বেও কি হিচাবে পেমেণ্ট কৰা হল সেইটো এটা সবিশেষ কথা। কেচ কৰাৰ পিচত কেনেকৈ পেমেণ্ট দিয়া হল সেই বিষয়টো ভালকৈ চাব লাগিব। কিন্তু আমাৰ হাতত ৫ লাখ টকাহে দিয়াৰ হিচাব আছে। ১২ লাখ টকা দিয়া কথাটো ভালকৈ তদন্ত কৰি পিচত জনোৱা হব।

শ্ৰীপ্ৰমোদ গগৈ:— এইটো বেলেগে তদন্ত কৰাৰ কোনো প্ৰয়োজন নাই। যোৱা বিধান সভাতো এই বিষয়টোৰ ওপৰত চৰ্ট নোটিচ প্ৰশ্ন দিয়া হৈছিল। তেতিয়া মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে এই বিষয়টো তদন্ত কৰি পিচত জনাব। কিন্তু আকৌ আজি এই বিষয়টোৰ ওপৰত চৰ্ট নোটিচ প্ৰশ্ন উঠিছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব বিচাৰো যে আন্দাৰ চেক্সন ৪২০ ত এই কোম্পানীটোৰ বিৰুদ্ধে কেচ ৰুজু কৰাৰ পিচত স্বাস্থ্য বিভাগৰ সঞ্চালকে এই টকা পেমেণ্ট কৰাতো শুদ্ধ নে? যিহেতু বিষয়টোৰ ওপৰত কেবাবাৰো প্ৰশ্ন উঠিছে সেই কাৰণে এই বিষয়টো গুৰুত্ব সহকাৰে লোৱা আৱশ্যক। এই কেচ ৰুজু কৰাৰ পিচত অন্যায় ভাবে আৰু উদ্দেশ্যমূলক ভাবে স্বাস্থ্য বিভাগৰ সঞ্চালকে লাখ লাখ টকা পেমেণ্ট কৰিছে। এই কথাটো যদি সত্য হয় তেনেহলে তত্তালিকে তেওঁক বৰ্খাস্ত কৰাৰ ব্যৱস্থা কৰিবনে?

ডাঃ কোযেশ্বৰ বৰা ( মন্ত্ৰী ) ঃ— মই আগৰ প্ৰশ্নৰ উত্তৰতে কৈছো যে এই টকা কেচ ৰুজু হোৱাৰ আগতে হৈছে নে পিচত পেমেণ্ট হৈছে সেই কথাটো ভালকৈ চাই-মেলি পিচত জনাব পৰা হব।

( গণ্ডগোল )

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী) ঃ— এই কোম্পানীটোৰ সম্পৰ্কত বহু-বিলাক কথা-বতৰা আছে আৰু আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়া আৰু আমাৰ যিবিলাক পুৰণা সদস্য আছে তেওঁলোকে এই কোম্পানী-টোৰ বিষয়ে ভালকৈ জানে। On the recommendation of the Public Accounts Committee this Company was black listed কিন্তু নতুন নাম ধৰি এই কোম্পানীটোৱে আমাৰ আগৰ চৰ-কাৰৰ লগতো যোগাযোগ কৰি কিছুমান আহিলা-পাতি আৰু ঔষধ-পাতিৰ যোগান ধৰা ক্ষেত্ৰত বহু বিলাক আলোচনা সমালোচনা হৈ গৈছে। জৰুৰীকালীন অৱস্থাতো এই বিষয়ে আলোচনা বিলোচনা হৈছিল আৰু যোৱা বিধান সভাতো এই প্ৰসঙ্গত বহু ধৰণৰ আলোচনা হৈ গৈছে। এই ক্ষেত্ৰত মই দৃঢ় ভাবে কব বিছাৰিছো যে বিশেষকৈ আমাৰ যিটো তদাৰকী শাখা আছে সেইটোৰ জৰিয়তে বিষয়টো অনুসন্ধান কৰি থকা হৈছে আৰু এই ক্ষেত্ৰত ডিবেক্তৰেই হওক বা আন কোনোবাই হওক ৰাইজক প্ৰতাৰণা কৰা আৰু ঠগাৰ বাবে আইনৰ চকুত যিয়েই দোষী সাব্যস্ত হয় সেই সকল বিষয়াক শাস্তি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবই।

শ্ৰীনুৰুল হুদা ঃ— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় বলে-ছেন যে গত বৎসর এ ব্যাপারে প্ৰশ্ন হয়ে ছিল এবং এই প্ৰশ্নের জবা-বের দিন বোধ হয় স্বাস্থ্যমন্ত্ৰী মহোদয় সদনে উপস্থিত ছিলেন না। স্বাস্থ্য-মন্ত্ৰীর অনুপস্থিতিতে মাননীয় মন্ত্ৰী দুলাল বরুয়া মহোদয় বলেছিলেন যে

এ ব্যাপারে এনকুয়ারী করা হবে। এটা প্রায় ৮।১০ মাস আগের কথা। আমি জানতে চাই এই তদন্ত করতে আর কত সময় লাগবে এবং এটা যদি প্রতিপন্ন হয় যে ডি এইচ্ এস্ বা উচ্চ পদস্থ কোন কর্মচারী কেস রজু হওয়ার পরে ( ১ পয়সাই হউক বা লক্ষ টাকাই হউক ) এই ধরনের একটা ব্লেক লিষ্টেড কোম্পানীকে টাকা দিয়েছেন তাহলে তাদের সাময়িক ভাবে বরখাস্ত করা হবে কি না ?

**শ্রীদুলাল চন্দ্র বৰুৱা (মন্ত্রী) :—** মাননীয় অধ্যক্ষ মহোদয়, বস্তুটো অনুসন্ধান চলি আছে। আৰু মাননীয় সদস্য হুদা ডাঙৰীয়া মোৰ লগত এক মত হব। যিহেতুকে যিটো সময়ত এইটো ব্যৱস্থা হৈছিল, সম্পূর্ণ বেলেগ পৰিস্থিতি আছিল। ইয়াৰ যিবিলাক কাগজ-পত্র, ডকুমেণ্ট আদি আছে সেইবিলাকো অনা হব। আৰু সদনক মই আশ্বাস দিব পাৰো যে, অতি সোনকালে ইয়াৰ বিহিত ব্যৱস্থা কৰিব পাৰিম। ইয়াৰ যিমান বিলাক কাগজ-পত্র আছে সকলো বিলাক আইন মন্ত্রীৰ হাতত পৰাকৈ দিয়া হব। আৰু ইয়াৰ পাচত যি সকল লোক আইন বিৰোধী কামত অভিযুক্ত হয় শাস্তিৰ ব্যৱস্থা কৰিম।

**শ্রীচামছুল হুদা :—** অধ্যক্ষ মহোদয়, এইটো কথা সঁচা নেকি যে, হেলথ্ চাৰ্ভিচৰ ডিৰেক্টৰ জনক আতৰাবলৈ চেষ্টা কৰা হৈছিল। কিন্তু ন্যাস্ত স্বাৰ্থৰ কিছুমান মানুহৰ উদগনিৰ কাৰণে কৰা নহল ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্রী) :— এইটো সত্য নহয়।

Shri Kiron Chandra Bezbaruah :— Mr. Speaker Sir, two facts have been admitted by the Minister. One is that there are cases lying in the vigilance and in the court, the other facts he has stated that the

money has been paid after the cases has been instituted and, the third fact he has stated that the money has been paid on the direction of the Director, so what more particulars he requires to place him under suspension ?

ডাঃ কোষেশ্বৰ বৰা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, ৫ লাখ টকা দিয়া হৈছে। কিন্তু এই টকা কেচ দিয়াৰ আগতে দিয়া হৈছে নে কেচ দিয়াৰ পাচত দিয়া হৈছে, এই কথাটো চাই কম বুলি কৈছো।

শ্ৰীনগেন চন্দ্ৰ বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই আঠ জন মানুহৰ বিৰুদ্ধে কেচ ৰুজু কৰা হৈছে। সেই সময়ত চিভিলসাৰ্জন অফিচত কাম কৰা কৰ্মচাৰী এই কেইজন হয় নে নহয়? মই নাম কেইটা কৈ দিছো এ, কে, ভূঞা, বুদ্ধেশ্বৰ দত্ত, ৰনেন ভূঞা আৰু চোচন ভূঞা। এই কেইজন মানুহৰ বিৰুদ্ধে কেচ ৰুজু কৰা স্বত্তেও তেওঁলোকক অফিচত কিয় কাম কৰিবলৈ দিয়া হৈছে? আৰু বিশেষকৈ চোচন ভূঞা এই একেটা গোষ্ঠীৰ হয়নে? আৰু এটা হৈছে প্ৰেম কুমাৰ আৰু তেওঁৰ ভায়েকৰ সৈতে ১৯৬৮ চনৰ পৰাই চৰকাৰক লটি-ঘটি কৰি বহুতো টকা আত্মসাদ কৰা কথাটো সচানে? এই মানুহ কেইজনক কিয় ইমান দিন চাচপেন কৰা হোৱা নাই?

Shri Keshab Ch. Gogoi (Minister Law): — Mr. Speaker Sir, as promised a statement will be made I shall examine the file to-day and make a statement day after tomorrow regarding this.

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আইন মন্ত্ৰীয়ে কৈছে, ফাইলটো অনুসন্ধান কৰি কালি নাইবা পৰহি জনাব।

চৰকাৰৰ ফালৰ পৰা কৈছে তদন্ত কৰি চাম। কিন্তু আজি ৯ মাহেও তদন্ত কৰি শেষ কৰিব নোৱাৰিলে। এইটো কথা স্পষ্টভাবে জনাব নেকি যে, চিকিৎসা বিভাগৰ মন্ত্রীয়ে এইটো স্বীকাৰ কৰিছে যে কোম্পানীটোক ৫ লক্ষ্য টকা দিয়া হৈছে। কিন্তু কেচ ৰজু কৰা পাচত নে আগতে সেইটো খবৰ কৰি তত্তালিকে ব্যৱস্থা লোৱা হব নে ?

শ্রীকেশৱ চন্দ্র গগৈ (মন্ত্রী) :— আমাৰ মন্ত্রী মহোদয়ে কৈছে কেচটো ৰজু কৰাৰ পাচত টকা দিয়া হৈছে নেকি, সেই কেচটো কেতিয়া দাখিল কৰা হৈছিল আৰু তেওঁলোকক তাৰ পাচত টকা দিয়া হৈছে নেকি সেইটো তদন্ত কৰি চাম। আৰু তাৰ পাচত বিবেচনা কৰি ব্যৱস্থা লোৱা হব।

শ্রীতুলাল চন্দ্র বৰুৱা (মন্ত্রী) :— অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো, বিষয়া সকলে যিকোনো কাম মন্ত্রীৰ নির্দ্দেশতহে কৰে। এই কথা মই আমাৰ মাননীয় সদস্য সকলক প্লিজ কৰিবলৈ কোৱা নাই। এই বিষয়টোত যি সকল বিষয়া অভিযুক্ত আছে সেই সকলকটো শাস্তি দিয়া হবই কিন্তু যিসকলে নির্দ্দেশ দিছিল সেই সকলৰ কি ব্যৱস্থা কৰা হব ?

Re : Cancellation of Selection list for appointment in Town and Country Planning Department

Shri Hemen Das asked :

6. Will the Minister, Town & Country Planning be pleased to state—

(a) Whether it is a fact that selection list for appointment of about more than 100 persons in Town Planning Department in different categories finalised by an appointment committee headed by a senior I.A.S. officer as Chairman has been cancelled and if so, the reasons thereof ?

(b) Whether Government is aware that all the applicants though they fulfilled the requirement of the advertisment were not called for interview and if so why ?

(c) What was the total number of applicants (categoriwise) and how much revenue Government received as a result of payment of Treasury Challan by each applicant ?

(d) Whether Government propose to refund the entire money of the Treasury challan to each applicant in view of cancellation of interview and selection list ?

Shri Zahirul Islam (Minister, Town & Country Planning) replied :

16. (a)— A Recruitment Committee was constituted with the Secretary to the Government of Assam, Town and Country Planning Department or his nominee as Chairman. The Committee made a selection list of 19 persons for non-gazetted technical posts, viz :—

| | | |
|---|---|---|
| Overseer/Sub-Engineer | — | 4 |
| Draftsman Grade II | — | 14 |
| Planning Assistant | — | 1 |

Out of that 4 persons have been appointed and joined. No select list was made in respect of other non-gazetted staff.

(b)— The advertisement was found to be defective and no interview was held for other non-gazetted non-technical categories of posts.

(c)— The total number of applicants categoriwise is 938 as shown below—

| | |
|---|---|
| Lower Division Assistant | 186 |
| Tracer | 64 |
| Mohurrir | 63 |
| Storekeeper | 131 |
| Research Assistant | 112 |
| Investigator | 128 |
| Overseer/Subordinate Engineer | 18 |
| Planning Assistant | 16 |
| Drafssman Grade I | 9 |
| Draftsman Grade II | 27 |
| Ferro-printer | 14 |
| Chowkidar | 7 |

| | |
|---|---|
| Khalasi | 29 |
| Peon | 70 |
| Duftry | 64 |

Total fees collected therefrom are Rs. 4,262·00.

(d)— Yes. The question of refunding the money is under process.

শ্ৰীহেমেন দাস :— মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰথম প্ৰশ্নটোৰ উত্তৰ নিদিলে। মই সুধিছিলো যে কেনচেল কৰা হৈছে নে নাই? তেখেতে সেই প্ৰশ্নৰ উত্তৰ নিদিলে। তাৰ পিচত তেখেতে কলে যে তলৰ কিছুমানৰ নিয়োগ নহল মাত্ৰ চাৰিজনকহে নিয়োগ কৰা হল। ১৯ জনক চিলেক্ট কৰি ইণ্টাৰভিউলৈ নামাতিলে। গতিকে মই তেখেতৰ পৰা জানিব বিচাৰিছো কেনচেল কৰা কথাটো সঁচানে মিছা?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) :— ইতিমধ্যে সকলো নাম বাতিল কৰা হৈছে। কিয়নো এডভাৰটাইজমেণ্টত ডিফেক্ট আছিল। ৮-৯-৭৭ ইং তাৰিখে টাউন প্লেনাৰে পইণ্ট আউট কৰি দিছিল। Number of vacant posts were not notified and the rate of application fees were wrongly notified জেনেৰেলৰ হব লাগিছিল ২ টকা তাৰ ঠাইত ৫ টকা ললে আৰু অনুসূচীত জাতি আৰু জনজাতিৰ হব লাগিছিল ডেৰ টকা কিন্তু তাৰ ঠাইত লৈছে আঢ়ৈ টকা। ইয়াৰ উপৰিও স্থানীয় যিবিলাক পেপাৰ আছিল তাত এডভাৰটাইজমেণ্টু কৰা হোৱা নাই। চতুৰ্থ শ্ৰেণীৰ চাকৰীৰ কাৰণে মেট্ৰিক বা হায়াৰ চেকেণ্ডেৰী পাছ হব লাগিব বুলি বিজ্ঞপ্তি দিছিল। সেইমতে Employment Exchange কেন্দ্ৰ সমূহত নটিচ দিয়া হোৱা নাই। গতিকে

গোটেই বস্তুটো বাতিল কৰি টকাখিনি প্ৰাৰ্থী সকলক ঘূৰাই দিবলৈ সিদ্ধান্ত কৰা হৈছে। এতিয়া নতুনকৈ এডভাৰটাইজমেণ্ট কৰা হব আৰু যিবিলাক ছাত্ৰ অভাৰ-এজেড হব তেওঁলোকক বিশেষ কনচিডাৰ কৰা হব।

শ্ৰীগোলক ৰাজবংশী :— অধ্যক্ষ মহোদয়, পাকিস্তানৰ ভূতপূৰ্ব্ব প্ৰধান মন্ত্ৰী ভূট্টো সম্পৰ্কে এটা নটিচ দিছিলো সেই সম্পৰ্কে জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ :— নটিচ পাইছো, দিল্লীৰ লগত যোগাযোগ কৰি আপোনালোকক জনাম।

শ্ৰীঅজয় দত্ত :— অধ্যক্ষ মহোদয়, ডিব্ৰুগড়ৰ ইনষ্টিটিউট অব ফাৰ্মাচিষ্ট ট্ৰেইনিঙৰ ছাত্ৰ সকলে তেওঁলোকৰ ১২ দফীয়া দাবীৰ সন্দৰ্ভত যোৱা ১৫ তাৰিখৰ পৰাই ধৰ্ম্মঘট চলাই আছে। তেওঁলোকৰ দাবী সমূহত আছে-তেওঁলোকৰ প্ৰিন্সিপাল নাই-ছাত্ৰাবাসৰ অৱস্থা নৰকতকৈও বেয়া আৰু দুই কিলোমিটাৰ ৰাষ্টা অহা-যোৱা কৰাৰ কোনো ভাল ৰাষ্টা নাই-ট্ৰেইনিঙৰ এলাওৱেন্স অতি কম আৰু বাহিৰৰ পৰা অহা হাজাৰ হাজাৰ মানুহে ভুৱা চাৰ্টিফিকেট দি হাস্পতালৰ কাম কৰি আছে ইত্যাদি দাবীৰ সন্দৰ্ভত তেওঁলোকে ধৰ্ম্মঘট চলাই আছে। তাৰোপৰি তেওঁলোকৰ প্ৰধান দাবী হৈছে-অসম ৰাজ্যত উচ্চ শিক্ষাৰ কাৰণে এটা বি, ফাৰ্মৰ প্ৰয়োজন। এই বিলাক সংক্ৰান্ততে তেওঁলোকে আজি ১৫ দিন ধৰি আন্দোলন চলাই আছে। আমাৰ ৰাজ্য চৰকাৰে তেওঁলোকক একো জনোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে অনতি-পলমে ইয়াৰ এটা সুব্যৱস্থা কৰে।

* ডাঃ কোমেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, অসম ফাৰ্মাচী ইন-

* Speech not corrected

ষ্টিটিউটৰ ছাত্ৰ সকলে তেওঁলোকৰ ১২ দফীয়া দাবীৰ সন্দৰ্ভত অসম মেডি-কেল কলেজৰ অফিচৰ সন্মুখত এই কেইদিন পিকেটিং কৰি আছে। এই বিষয়ে আমি আমাৰ বিভাগৰ ফালৰ পৰা এজন বিষয়া আৰু প্ৰিন্সিপালক এটা মীমাংশাৰ বাবে পঠাইছিলো। কিন্তু প্ৰথমবাৰতে তেওঁলোক কৃত-কাৰ্য্য নহল। তাৰ পিচতো আকৌ দুজন বিভাগীয় বিষয়া তালৈ গৈছে আৰু এতিয়াও ঘূৰি আহি পোৱা নাই। ইতিমধ্যে আমি ১২ দফীয়া দাবীৰ সংক্ৰান্তত চৰকাৰে ৮০ ভাগ কাৰ্য্যকৰী কৰিছে। এই বিষয়ে মই মাননীয় সদস্য সকলক জনাব বিচাৰিছো। তেওঁলোকৰ দাবী সমূহ হল—

(১) ছাত্ৰ বাসৰ পৰা শিক্ষানুষ্ঠানলৈ চিটি বাছেৰে অহা যোৱা কৰিব লগীয়া হোৱাত ছাত্ৰ সকলে ধন ব্যয় কৰাৰ উপৰিও সময়মতে শ্ৰেণীত উপস্থিত থাকিব নোৱাৰে। সেয়ে বিভাগীয় কৰ্তৃপক্ষক এখন বাছ দিবলৈ দাবী জনোৱা হল।

অধ্যক্ষ মহোদয়, এই দাবীৰ সন্দৰ্ভত আমি ইতিমধ্যে এখন বাছ কিনাৰ কাৰণে বিত্ত বিভাগৰ পৰা টকা মঞ্জুৰী পাইছো আৰু এই বাছ সোনকালে দিব পাৰিম বুলি জনাইছো।

(২) ডিপ্লমা ফাৰ্মাচী পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পিচত বাধ্যতামূলক তিনিমহীয়া (৭৫০ ঘণ্টা) প্ৰশিক্ষণৰ কালছোৱাত প্ৰতি মাহে দুইশ টকা দিব লাগে (বানচ হিচাপে)।

অধ্যক্ষ মহোদয়, প্ৰি-ৰেজিষ্ট্ৰেচন ট্ৰেনিং লব লাগে সচা কথা তাৰ বাবে চৰকাৰে ইতিমধ্যে ৭৫ টকা দিছে। কিন্তু এই ৭৫ টকাই তেওঁ-লোকক নোজোৰাৰ কাৰণে ১২০ টকাকৈ দিবৰ কাৰণে বিত্ত বিভাগলৈ দিয়া হৈছে। কিন্তু বিত্ত বিভাগে সেইটো দিয়া হোৱা নাই। সেইটোও সোনকালে পাম বুলি আশা কৰিছো।

(৩) অসমত অনতি পলমে এখন ফাৰ্মাচী মহা বিদ্যালয় স্থাপন

কৰিব লাগে। এই মহা-বিদ্যালয় স্থাপন নোহোৱা পৰ্য্যন্ত এই বছৰৰ পৰা ডিপ্লমাধাৰী কমেও ১০ জন ফাৰ্মাচিষ্টক উচ্চ শিক্ষাৰ সুবিধা দিব লাগে।

অধ্যক্ষ মহোদয়, এই উচ্চ শিক্ষাৰ সুবিধা দিবৰ কাৰণে আমি আগতেই কৈছিলো আৰু ৩ জন নে ৪ জনক ডিগ্ৰী লবৰ কাৰণে বাহিৰলৈ পঠোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰে পাৰচেনটেজ্ বান্ধি দিছে। ইতিমধ্যে ১৬ জন ছাত্ৰই বাহিৰত ট্ৰেইনিং লৈ আছে। ইতিমধ্যে দুজন পাবহি। গতিকে এই পৰিপ্ৰেক্ষিতত এখন ফাৰ্মাচী মহাবিদ্যালয় খুলিলেও যিখিনি বি, ফাৰ্ম ডিগ্ৰীধাৰী ওলাব সেইখিনিক তেনেধৰণে চাকৰী দিব পৰা নহব। গতিকে চৰকাৰে এখন পূৰ্ণ পৰ্য্যায়ৰ ডিগ্ৰী কলেজ খোলাৰ পোষকতা কৰা নাছিল। গতিকে বি, ফাৰ্ম কলেজ খোলাৰ কথা আমি সিদ্ধান্ত কৰা নাই।

(৪) অসমৰ একমাত্ৰ শিক্ষানুষ্ঠান আৰু ফাৰ্মাচীৰ বৃত্তিটোৰ মৰ্য্যদাৰ হেতু প্ৰথম বাৰ্ষিকৰ অনিয়মিত পৰীক্ষাত বহি যি সকল ছাত্ৰই দ্বিতীয় বাৰ্ষিকলৈ উত্তীৰ্ণ হোৱাৰ যোগ্যতা নাই তেওঁলোকক নিয়মীয়া দ্বিতীয় বাৰ্ষিকৰ লগত জাপি নিদি এই বাৰৰ পৰা অনিয়মিত শ্ৰেণীত যোগ দিয়াৰ অধিকাৰ দিব লাগে আৰু ইয়াৰ বাবে প্ৰশাখা শিক্ষক আৰু অন্যান্য সুবিধাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, দুটা এটা বেটচ্ হে সময়মতে পৰীক্ষা দিব পৰা নাছিল আৰু চৰকাৰে সেই বছৰ তাৰ বাবে দুটা বেটচ্ লোৱা নাছিল। যিহেতুকে পৰীক্ষাত সময়মতে পাছ কৰি নোলোৱাত বেলেগে শ্ৰেণী খুখুলি তাৰ লগতে জাপি এই শিক্ষা দিয়া হৈছে। বেলেগে খুলিবলৈ হলে উপযুক্ত ষ্টাফৰ বেছি দৰ্কাৰ হব এতিয়াও কোনো অসুবিধা হোৱা নাই। সেইকাৰণে চৰকাৰে এইটো দাবী মানি লব পৰা নাই।

(৫) হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ একমাহ পিচত ফাৰ্মাচী পাঠ্যক্ৰমৰ প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰাৰ কাম সমাপ্ত কৰিব লাগে ।

অধ্যক্ষ মহোদয়, এইটো যোৱা দুই বছৰ ধৰি সময়মতে ভৰ্ত্তি কৰা নাছিল । এইটো প্ৰিন্সিপালৰ দায়ীত্বত আছে । অহা বছৰৰ পৰা মেট্ৰিক পাছ কৰাৰ পিচত নিয়মীয়াকৈ ভৰ্ত্তি কৰা হব বুলি প্ৰিন্সিপালে আমালৈ লিখিত ভাবে জনাইছে ।

(৬) অনতি পলমে ছাত্ৰীবাস আৰু শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা নিৰ্ম্মাণ কৰিব লাগে লগতে ছাত্ৰ একতা সভাৰ কোঠা নিৰ্ম্মাণ কৰিব লাগে ।

অধ্যক্ষ মহোদয়, ছাত্ৰী মুঠ চাৰি গৰাকীহে । গতিকে চাৰি গৰাকীৰ কাৰণে এটা ছাত্ৰীবাস কৰিব পৰা হোৱা নাই । যদি ছাত্ৰী বাঢ়ে তেতিয়া ব্যৱস্থা কৰা হব । ইতিমধ্যে যি চাৰি গৰাকী ছাত্ৰী আছে তেওঁলোকক প্ৰিন্সিপালে কলেজ হোষ্টেলতেই হওক বা নাৰ্চ হোষ্টেলতেই হওক ৰখাৰ ব্যৱস্থা কৰিম বুলি কৈছে । ছোৱালীৰ সংখ্যা বাঢ়িলে হোষ্টেল কৰাৰ কথা চিন্তা কৰা হব । জিৰণি কোঠা এটা সজাৰ কথা আমি আঁচনি কৰিছো আৰু আশা কৰিছো হব ।

(৭) শিক্ষানুষ্ঠানৰ প্ৰতিটো বিভাগৰে কাৰ্য্যালয় সহ প্ৰশাখা নিৰ্ম্মাণ কৰিব লাগে । আৰু শিক্ষানুষ্ঠানলৈ অহা যোৱা কৰা সুকীয়া পথ লগতে শিক্ষানুষ্ঠানৰ চৌদিশটো বিজ্ঞান সন্মত হিচাপে গঢ়ি তুলিব লাগে আৰু প্ৰশাসনীয় ব্যৱস্থা সুকীয়া হব লাগে ।

অধ্যক্ষ মহোদয়, ৰাষ্টাৰ কথা কোৱা হৈছে । এই ৰাষ্টাটো মেডিকেল কলেজৰ এনাটমী আৰু ফিজিয়লজি বিভাগৰ কাষত আছে আৰু

তাৰ পিচতে ইনষ্টিটিউচন আছে। এই দুটা বিভাগৰ মাজেদি অহা যোৱা কৰিব লগা হোৱাৰ কাৰণে ডাক্তৰ পঢ়া ছাত্ৰ সকলে অলপ জোকোৱা মেলা কৰিবলৈ সুবিধা পাইছে। গতিকে স্বকীয়া ৰাষ্টা কৰিবৰ কাৰণে এনাটমী আৰু ফিজিয়লজি বিভাগৰ দক্ষিণফালে গড়কাপ্তানী বিভাগক দিয়া হৈছে। ইতিমধ্যে কিছু কাম আৰম্ভ হৈছে।

(৮) ছাত্ৰবাসৰ উন্নতিৰ হেতু স্বাস্থ্য সম্মত ভোজনালয় পুনৰ নিৰ্ম্মাণ, শৌচাগাৰ, জিৰণি কোঠা বিজুলী পাংখা আৰু ছাত্ৰাবাসৰ চৌদিশে পকী-বেৰ নিৰ্ম্মাণ কৰিব লাগে। লগতে এটা টেলিফোন দিব লাগে।

অধ্যক্ষ মহোদয়, হোষ্টেলত এতিয়ালৈকে টেলিফোন দিব পৰা নাই। চৰকাৰী হিচাব মতে টেলিফোনৰ ৰৰ দৰকাৰো নাই. প্ৰয়োজন হলে চুপাৰিনটেণ্ডেটক দিয়া হব। তাত টেলিফোনৰ প্ৰয়োজন আছে নে নাই মই নাজানো। হোষ্টেলৰ ডাইনিং ৰুমত ফেন দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেই হোষ্টেলটো স্বাস্থ্যৰ উপযোগী নহয় কাৰণ এই ইনষ্টিটিউচনটো বহুত দিনৰ আগতেই কৰা হৈছিল গতিকে তাত লেট্ৰিন আদিৰ অৱস্থা বেয়া। এই সকলো বিলাক বিজ্ঞান সম্মত ভাবে কৰিবলৈ ব্যৱস্থা কৰা হৈছে।

(৯) বুকবেংকৰ জৰিয়তে কিতাপৰ যোগান ধৰিব লাগে আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে নিয়মীয়া বৃত্তি দিব লাগে।

অধ্যক্ষ মহোদয়, প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে বৃত্তি দিয়াটো আমাৰ স্বাস্থ্য বিভাগৰ পৰা সম্ভৱপৰ নহয় শিক্ষা বিভাগৰ পৰা কিছু বৃত্তি পায়। অবিচি, অনুসূচীত জাতি বা জনজাতিৰ ছাত্ৰ সকলে কিছু বৃত্তি পায়। কিন্তু নিয়মিত ভাবে চৰকাৰৰ ফালৰ পৰা সকলোকে বৃত্তি দিয়াটো সম্ভৱপৰ নহয়। লাইব্ৰেৰী আৰু কমন ৰুমৰ বিষয়ে চিন্তা কৰি ইতি-মধ্যে প্ৰিন্সিপালে কথা দিছে।

(১০) যোৱা ৬ আগষ্ট (৭৮) তাৰিখে ৰাজ্যিক ফাৰ্মাচী কাউন্সিলে এচাম অৰ্হতা বিহীন লোকক অসমত ফাৰ্মাচী পঞ্জিয়ন দিয়াৰ বাবে বিশেষ পৰীক্ষাৰ আয়োজন কৰিছিল। যিটো ছাত্ৰ সন্থাৰ প্ৰতিবাদত বন্ধ কৰা হল। যদি তেনে পৰীক্ষা পতা বা সেই পৰীক্ষাৰ্থী সকলক অন্য প্ৰকাৰে পঞ্জিয়ন দিয়াৰ কু-অভিসন্ধি বৰ্ত্তমানে চলি আছে তাক সম্পূৰ্ণৰূপে বাতিল কৰিব লাগে।

অধ্যক্ষ মহোদয়, এইটো এনেকুৱা হৈছিল যে আমাৰ ইয়াত বিদেশী ইনষ্টিটিউচনৰ পৰা পাছ কৰি আহিলে ৰোলমতে ৰেজিষ্ট্ৰেচন থাকিলেও ৰেজিষ্ট্ৰেচন দিব লাগে। কিন্তু বহুতো লোকে ভুৱা ইনষ্টিটিউচনৰ নামত টাইপ কৰা চাৰ্টিফিকেট লৈ ইয়াৰ ফাৰ্মচীত প্ৰেকটিচ কৰিবলৈ চেষ্টা চলাইছে। সেইটো ধৰা পেলাই অল ইণ্ডিয়া ফাৰ্মাচিষ্ট কাউন্সিলে ৰিকগনাইজ কৰা ইনষ্টিটিউচনৰ পৰা যিসকলে পাছ কৰে তেওঁলোককহে ইয়াত ৰেজিষ্ট্ৰেচন দিয়া হৈছে। আগষ্ট মাহৰ পৰা এতিয়ালৈকে কাকো দিয়া হোৱা নাই।

(১১) এতিয়ালৈকে অসমত ফাৰ্মাচিষ্ট পঞ্জিয়ন হোৱা প্ৰতিজন ফাৰ্মাচিষ্টক তদন্ত কৰি প্ৰকৃত ফাৰ্মাচিষ্টৰ এখন তালিকা প্ৰস্তুত কৰিব লাগে বুলি দাবী জনোৱা হল।

অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি যিসকল ফাৰ্মাচিষ্টে বাহিৰৰ পৰা ৰেজিষ্ট্ৰেচন পাইছে তেওঁলোকক ৰেজিষ্ট্ৰেচন দিওঁতে ভালকৈ তদন্ত কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে। আগতে যি সকলে পালে তেওঁলোককো অনুসন্ধান কৰি চাই দিবলৈ কোৱা হৈছে।

(১২) প্ৰতি বছৰে এটা নিৰ্দ্দিষ্ট সময়ত ফাৰ্মাচী ছাত্ৰ সকলৰ বাবে এটা শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, ভ্ৰমণৰ ব্যৱস্থা কৰি চাৰি পাঁচ হেজাৰ টকা ধৰা হৈছে এইটো বিত্ত বিভাগে এগ্ৰি কৰিছে। এইদৰে তেওঁলোকৰ শতকৰা ৮০ ভাগ দাবীকেই চৰকাৰৰ ফালৰ পৰা পূৰণ কৰিছে। এই বিষয়ে জনাবৰ কাৰণে ইতিমধ্যে দুখন বিষয়া পঠোৱা হৈছে। তেখেত সকল আজি বোধহয় পাবহি। গতিকে মই মাননীয় সদস্য সকলৰ সহায় সহযোগিতা বিচাৰিছো যাতে আমাৰ যিটো পৰিস্থিতি উদ্ভৱ হৈছে সেই পৰিস্থিতি দূৰ কৰিব পাৰো।

Mr. Speaker :— Now. Shri Promod Gogoi.

* শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী মহোদয়ৰ মই এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো সেইটো হৈছে যোৱা এপ্ৰিলৰ তিনি, তাৰিখে শিৱসাগৰৰ ও এন জি চিৰ কৰ্ম্মী কেইজনমানক পুলিচ থানালৈ নি এনেকুৱা ভাবে পুলিচ থানাত মাৰপিট কৰা হৈছে যাৰ ফলত দুজন কৰ্ম্মীক হস্পিটেলত ভৰ্ত্তি কৰিব লগীয়া হৈছে। সিদিনা প্ৰাইভেট ট্ৰেন্সপোৰ্টৰ ষ্ট্ৰাইক আছিল কিন্তু কমিচনৰ কৰ্ম্মী সকলক অনা নিয়া কাৰণে তেওঁলোকৰ নিজা বাচ আছে সেই বাচ চলাই আহোতে ড্ৰাইভাৰ শ্ৰীএচ পি বয়, হেণ্ডীমেন শ্ৰীজীৱন চলিহাক বাচৰ ভিতৰতে থানালৈ লৈ যায়। তাৰ পিচত পুলিচ থানাৰ কৰ্ম্মী সকলে ভীষণ ভাবে মাৰপিত কৰে যাৰ ফলত দুজনক হস্পিটেলত নিয়া হয় আৰু তাৰে এজনৰ অৱস্থা এতিয়াও বিপদ-জনক অৱস্থাতে আছে। সেই দিনাখনৰে পৰা কমিচনৰ কৰ্ম্মী সকলে ধৰ্ম্মঘট কৰি আছে। মই আজি ৰাতিপুৱাও ট্ৰাংকল পাইছো, তেখেত সকলৰ দাবী হৈছে যিসকল পুলিচ কৰ্ম্মচাৰীয়ে এই অত্যাচাৰ চলালে তেওঁলোকক যদি সাময়িক ভাবে বৰ্খাস্ত কৰা নহয় তেনেহলে তেওঁলোকৰ

* Speech not corrected

ধৰ্ম্মঘট অব্যাহত থাকিব। গতিকে এই পুলিচ কৰ্ম্মচাৰী যি সকলে এই কাম কৰিলে তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱাৰ কাৰণে মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। আৰু যদি ব্যৱস্থা লোৱা নহয় তেনেহলে অধ্যক্ষ মহোদয় আপুনি জানে এই ৪-৫ হাজাৰ কৰ্ম্মচাৰীয়ে ধৰ্ম্মঘট কৰাৰ ফলত সকলো উৎপাদন বন্ধ হৈ থাকিব আৰু তাৰ প্ৰতিক্ৰিয়া ভয়াবহ হব। আনহাতে এই ঘটনা সম্পৰ্কে এটা ন্যায়িক তদন্ত কৰি যি সকল পুলিচ কৰ্ম্মচাৰী দোষী তেওঁলোকক অতি সোনকালে বৰ্খাস্ত কৰিবলৈ মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

* শ্ৰীগোলাপ বৰবৰা :— অধ্যক্ষ মহোদয়, এই খবৰটো পোৱাৰ পাঁচত মই কালি পাচবেলা নিজে যোগাযোগ কৰিছিলো কিন্তু শিৱসাগৰৰ মহকুমাধিপতিক নাপালো আৰু যোৰহাটৰ উপায়ুক্তও বাহিৰলৈ যোৱাত অতিৰিক্ত উপায়ুক্তক পাইছিলো। পুলিচ বিষয়া সকল তালৈ যোৱাৰ কথা কৈছে। সম্পূৰ্ণ বিতং খবৰ আজি পোৱাৰ আশা কৰিছো আৰু তাৰ ওপৰত তদন্ত কৰি আৱশ্যকীয় ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিম।

শ্ৰীহেমেন দাস :— মই মুখ্য মন্ত্ৰীৰ জানিব বিছাৰিছো এই শ্ৰমিক আৰু কৃষকৰ ওপৰত এই কেইদিন পুলিচৰ অত্যাচাৰ তিব্ৰতৰ হৈ গৈছে। চৰকাৰে কি নীতি লৈছে শ্ৰমিক আৰু কৃষক সকলক অত্যাচাৰ কৰা নীতি লৈছে নেকি?

শ্ৰীগোলাপ বৰবৰা :— তেনেকুৱা নীতি চৰকাৰে গ্ৰহণ কৰা নাই।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মুখ্য মন্ত্ৰী মহোদয়ে ব্যৱস্থা লোৱাৰ কথা কৈছে মই ভালেই পাইছো লগে লগে এই গোটেই ঘটণাটো সম্পৰ্কে এটা

* Speech not corrected

ন্যায়িক তদন্ত কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নে?

শ্ৰীগোলাপ বৰবৰা :— এই সম্পৰ্কে ৰিপোৰ্ট পোৱাৰ পাচত আৱশ্যক হলে নিশ্চয় কৰা হব।

শ্ৰীযোগেন গগৈ :— মই এটা কথা জানিব বিছাৰিছো অতি সোনকালে এই সম্পৰ্কে ততাতৈয়া ব্যৱস্থা নললে ইয়াৰ প্ৰতিক্ৰীয়া আৰু ভয়াবহ হব। ও এন জিৰ ইয়াত ৬ হাজাৰ কৰ্ম্মী জৰিত আৰু ইয়াৰ লগত শিৱসাগৰীয়া ৰাইজ জৰিত। গতিকে গুৰুত্ব সহকাৰে মুখ্য মন্ত্ৰীয়ে কথাটো বিবেচনা কৰিব নে?

শ্ৰীগোলাপ বৰবৰা :— গুৰুত্ব সহকাৰেই কথাটো বিবেচনা কৰা হব।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, অলপতে কোহিমাত নগালেণ্ডৰ মুখ্য মন্ত্ৰী শ্ৰীভিজলে সাংবাদিক মেলত অসম চৰকাৰৰ ওপৰত এটা গুৰুত্বপূৰ্ণ অভিযোগ আনিছে। তেখেতে কৈছে যে অসম চৰকাৰে একপক্ষীয়ভাবে ছিলংৰ যি চুক্তি হৈছিল সেই চুক্তি উলংঘা কৰিছে আৰু অসম পুলিচে বোকাজান, ৰঙাপানী আদি এলেকাৰ নগা গাওঁ বিলাকত সোমাই ৰাইজৰ ওপৰত অত্যাচাৰ কৰিছে, যাৰ ফলত নগা মানুহবিলাকে ৰাতি জংগলত থাকিব লগীয়া হৈছে। অধ্যক্ষ মহোদয়, এই বিবৃতিৰ যোগেদি অসমত এটা প্ৰতিক্ৰীয়াৰ সৃষ্টি হৈছে। দ্বিতীয়তে যোৱা ৩ এপ্ৰিল তাৰিখে অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী সকলৰ আলোচনাৰ আগ-দিনা অৰ্থাৎ ২ এপ্ৰিল তাৰিখে মেঘালয় বিধান সভাত মুখ্যমন্ত্ৰী পুৰ্বে প্ৰস্তাৱ দাঙি ধৰিছে আৰু সেই প্ৰস্তাৱ সৰ্ব্ব সম্মতিক্ৰমে গ্ৰহণ কৰিছে আৰু এই প্ৰস্তাৱৰ যোগেদি অসম চৰকাৰক সীমা বিবাদৰ কাৰণে গৰিহনা দিছে আৰু তাত মুকলিভাবে অসম চৰকাৰে হোষ্টাইল এটিচিউদ লোৱা বুলি চৰকাৰৰ বিৰুদ্ধে গৰিহনা দিছে। দুই মন্ত্ৰীয়ে আলোচনা

ধৰ্ম্মঘট অব্যাহত থাকিব। গতিকে এই পুলিচ কৰ্ম্মচাৰী যি সকলে এই কাম কৰিলে তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱাৰ কাৰণে মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। আৰু যদি ব্যৱস্থা লোৱা নহয় তেনেহলে অধ্যক্ষ মহোদয় আপুনি জানে এই ৪-৫ হাজাৰ কৰ্ম্মচাৰীয়ে ধৰ্ম্মঘট কৰাৰ ফলত সকলো উৎপাদন বন্ধ হৈ থাকিব আৰু তাৰ প্ৰতিক্ৰিয়া ভয়াবহ হব। আনহাতে এই ঘটনা সম্পৰ্কে এটা ন্যায়িক তদন্ত কৰি যি সকল পুলিচ কৰ্ম্মচাৰী দোষী তেওঁলোকক অতি সোনকালে বৰ্খাস্ত কৰিবলৈ মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

* শ্ৰীগোলাপ বৰবৰা :— অধ্যক্ষ মহোদয়, এই খবৰটো পোৱাৰ পাচত মই কালি পাচবেলা নিজে যোগাযোগ কৰিছিলো কিন্তু শিৱসাগৰৰ মহকুমাধিপতিক নাপালো আৰু যোৰহাটৰ উপায়ুক্তও বাহিৰলৈ যোৱাত অতিৰিক্ত উপায়ুক্তক পাইছিলো। পুলিচ বিষয়া সকল তালৈ যোৱাৰ কথা কৈছে। সম্পূৰ্ণ বিতং খবৰ আজি পোৱাৰ আশা কৰিছো আৰু তাৰ ওপৰত তদন্ত কৰি আৱশ্যকীয় ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিম।

শ্ৰীহেমেন দাস :— মই মুখ্য মন্ত্ৰীৰ জানিব বিছাৰিছো এই শ্ৰমিক আৰু কৃষকৰ ওপৰত এই কেইদিন পুলিচৰ অত্যাচাৰ তিব্ৰতৰ হৈ গৈছে। চৰকাৰে কি নীতি লৈছে শ্ৰমিক আৰু কৃষক সকলক অত্যাচাৰ কৰা নীতি লৈছে নেকি ?

শ্ৰীগোলাপ বৰবৰা :— তেনেকুৱা নীতি চৰকাৰে গ্ৰহণ কৰা নাই।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মুখ্য মন্ত্ৰী মহোদয়ে ব্যৱস্থা লোৱাৰ কথা কৈছে মই ভালেই পাইছো লগে লগে এই গোটেই ঘটনাটো সম্পৰ্কে এটা

* Speech not corrected

ন্যায়িক তদন্ত কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নে?

শ্ৰীগোলাপ বৰবৰা :— এই সম্পৰ্কে ৰিপোৰ্ট পোৱাৰ পাচত আৱশ্যক হলে নিশ্চয় কৰা হব।

শ্ৰীযোগেন গগৈ :— মই এটা কথা জানিব বিছাৰিছো অতি সোনকালে এই সম্পৰ্কে ততাতৈয়া ব্যৱস্থা নললে ইয়াৰ প্ৰতিক্ৰীয়া আৰু ভয়াবহ হব। ও এন জিৰ ইয়াত ৬ হাজাৰ কৰ্ম্মী জৰিত আৰু ইয়াৰ লগত শিৱসাগৰীয়া ৰাইজ জৰিত। গতিকে গুৰুত্ব সহকাৰে মুখ্য মন্ত্ৰীয়ে কথাটো বিবেচনা কৰিব নে?

শ্ৰীগোলাপ বৰবৰা :— গুৰুত্ব সহকাৰেই কথাটো বিবেচনা কৰা হব।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, অলপতে কোহিমাত নগালেণ্ডৰ মুখ্য মন্ত্ৰী শ্ৰীভিজলে সাংবাদিক মেলত অসম চৰকাৰৰ ওপৰত এটা গুৰুত্বপূৰ্ণ অভিযোগ আনিছে। তেখেতে কৈছে যে অসম চৰকাৰে একপক্ষীয়ভাবে ছিলংৰ যি চুক্তি হৈছিল সেই চুক্তি উলংঘা কৰিছে আৰু অসম পুলিচে বোকাজান, ৰঙাপানী আদি এলেকাৰ নগা গাওঁ বিলাকত সোমাই ৰাইজৰ ওপৰত অত্যাচাৰ কৰিছে, যাৰ ফলত নগা মানুহবিলাকে ৰাতি জংগলত থাকিব লগীয়া হৈছে। অধ্যক্ষ মহোদয়, এই বিবৃতিৰ যোগেদি অসমত এটা প্ৰতিক্ৰীয়াৰ সৃষ্টি হৈছে। দ্বিতীয়তে যোৱা ৩ এপ্ৰিল তাৰিখে অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী সকলৰ আলোচনাৰ আগদিনা অৰ্থাৎ ২ এপ্ৰিল তাৰিখে মেঘালয় বিধান সভাত মুখ্যমন্ত্ৰী পুৰ্বে প্ৰস্তাৱ দাঙি ধৰিছে আৰু সেই প্ৰস্তাৱ সৰ্ব্ব সন্মতিক্ৰমে গ্ৰহণ কৰিছে আৰু এই প্ৰস্তাৱৰ যোগেদি অসম চৰকাৰক সীমা বিবাদৰ কাৰণে গৰিহনা দিছে আৰু তাত মুকলিভাবে অসম চৰকাৰে হোষ্টাইল এটিচিউদ লোৱা বুলি চৰকাৰৰ বিৰুদ্ধে গৰিহনা দিছে। দুই মন্ত্ৰীয়ে আলোচনা

বিলোচনা কৰাৰ আগমুহূৰ্ত্তত এই প্ৰস্তাৱ লোৱাৰ কাৰণে অসমৰ জনসাধাৰণ আৰু ভাৰতবৰ্ষৰ অন্যান্য জনসাধাৰণৰো মনত অসমৰ প্ৰতি এটা বেয়া হিচাব দেখুওৱা হৈছে। এই সম্পৰ্কে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো আৰু এটা বিবৃতি দিব বুলি আশা কৰিলো।

* শ্ৰীগোলাপ বৰবৰা :— অধ্যক্ষ মহোদয়, নগা সীমান্তত যিটো ঘটণা হৈছিল সেই সন্দৰ্ভত সেই অঞ্চলত শান্তি ৰক্ষাৰ কাৰণে যি ব্যৱস্থা কৰা হৈছিল, সেই সম্বন্ধে নগালেণ্ড চৰকাৰ আৰু দুই পক্ষই যাতে সীমা অঞ্চলত শান্তি ৰক্ষা হয় তাক আলোচনা বিলোচনা কৰি যি নীতি নিৰ্দ্ধাৰণ কৰা হৈছিল সেই সম্বন্ধে মই এই কথা কব পাৰো যে আমাৰ ফালৰ পৰা তেনেকুৱা কোনো ভায়েলচনৰ যিটো কথা কোৱা হৈছে সেইটো কৰা হোৱা নাই। সেই অঞ্চল বিলাকত চেক পোষ্ট কৰা হৈছে আনহাতে সেই অঞ্চলত যিবিলাক নগালেণ্ডৰ দুই এটা চেক পোষ্ট আছে সেই কেইটাও উঠাই দিবলৈ কোৱা হৈছিল আৰু প্ৰায় কেইটাই উঠাই দিছে। অস্থায়ীভাবে দুই এটা কিছুদিন থাকিবলৈ দিয়াৰ কথা কৈছিল সেইকেইটাও উঠাই নিবলৈ কৈছো। তদুপৰী যিবিলাক ঠাইত নগা বস্তি আছে সেই বস্তি থকা ঠাই বিলাকত আমাৰ মানুহ যোৱা নাই তেওঁলোকৰ মানুহ আছে চেক পোষ্টো আছে। কিন্তু সেই বিলাক ঠাইত যাতে প্ৰশাসনীয় ব্যৱস্থা অটুট থাকে সেই বিষয়ে চকু ৰখা হৈছে। তদুপৰি যিবিলাক ঠাইত আমাৰ অধিবাসী আছে আৰু তেওঁলোকৰো কিছু মানুহ আছে সেই অঞ্চলত শান্তি ৰক্ষাৰ কাৰণে উভয় ৰাজ্যৰে কৰ্ত্তব্য আৰু সেই বিষয়ে সু-ব্যৱস্থা কৰিবলৈ কোৱা হৈছে। সেই বিলাক ঠাইত ইয়াৰ উপৰিও তৃতীয় পক্ষ হিচাবে চি, আৰ, পি, অসম ৰাইফলচ আছেই। যিবিলাক কথাত উভয় পক্ষৰ মতামতৰ দৰ্কাৰ সেই বিলাক কথাত যুটীয়া

* Speech not corrected

ভাবে কমিচনাৰ লেভেলত দি আই জি লেভেলত মিটিং ইত্যাদি হৈ আছে।

ঠিক তেনেকৈ মেঘালয়ৰ ক্ষেত্ৰতো তেনেই হৈছে। ইয়াৰ আগতে অৰুণাচলৰ মুখ্য মন্ত্ৰীয়েও সেই একেটা বিবৃতিকে দিছে। মেঘালয় বিধান সভাতো সীমা সম্পৰ্কে ইৰিটেচনহে সদনত আলোচনা হৈছিল আৰু হয়তো কিবা প্ৰস্তাৱো লৈছে আৰু হয়তো তেনেকুৱা প্ৰস্তাৱ ললেই হাত শক্তিশালী হব বুলি ভাবিছে, অৰুণাচল বিধান সভাতো যোৱাবাৰ তেনে-প্ৰস্তাৱ লৈছিল বা আমাৰ সদনতো কোনোবাই তেনে প্ৰস্তাৱ আনিব খুজিব পাৰে আৰু আমি কম যে দুই ৰাজ্যৰ সীমাৰ মাজত কিবা সীমা লৈ বিতুষ্ট হোৱা প্ৰস্তাৱ নানাই ভাল। তেনেকুৱা প্ৰস্তাৱ বিধান সভাত ললেই যে কিবা কাম হব সেইটো নহয়। আজি অসমৰ মাটিত অৰুণাচলৰ বিধান সভাই বা নগালেণ্ডৰ বিধান সভাই প্ৰস্তাৱ ললে বুলিয়ে বা মেঘালয়ৰ বিধান সভাই প্ৰস্তাৱ ললে বুলিয়ে সেই প্ৰস্তাৱে মাটি পোৱাত সহায় কৰিব বুলি আমি নাভাবো। তেনেকুৱা উত্তেজনাৰ সৃষ্টিলৈ যাতে নাযায় তাৰ বাবে আমি সিদ্ধান্ত কৰি আছো আৰু সীমা যুৰীয়া ৰাজ্যৰ লগত যাতে কোনো ৰকমৰ হিংসাত্মক পৰিস্থিতিৰ উদ্ভৱ নহয় তাৰ কাৰণে চেষ্টা কৰি আছো। লগতে আমাৰ নিজৰ ৰাজ্যৰ সীমা ৰক্ষা কৰিবৰ কাৰণে যিখিনি ব্যৱস্থা লোৱা দৰ্কাৰ সেইখিনি লোৱা হৈছে। তাৰ কাৰণে যদি কোনোবাই বেয়া পায় আমাৰ কৰিবলগীয়া একো নাই। আমি সমালোচনাৰ পৰা বিৰত আছো আৰু যেতিয়াই কোনো-বাই আলোচনাৰ কাৰণে মাতিছে দৌৰী গৈছো আৰু মিমাংসা কৰিবলৈ চেষ্টা কৰিছো। এই খিনিয়ে চৰকাৰৰ ফালৰ পৰা কব লগা।

শ্ৰীএ, এন, আক্ৰাম হুচেইন :— অসম নাগালেণ্ড, অসম মেঘালয় সীমা বিষয়ত মাননীয় মুখ্যমন্ত্ৰীয়ে যিমানখিনি চিন্তিত হৈছে, ঠিক তেনেকৈ

আমিও সিমান চিন্তিত। ইয়াৰ আগতে আৰু বহুতো মাননীয় সদস্যই অনুৰোধ কৰিছিলো যে এখন গোপনীয় বৈঠক পাতিব লাগে। এতিয়াও মই কৈছো যে বিতং ভাবে এই বিষয়টো আলোচনা কৰিবৰ কাৰণে এখন গোপনীয় বৈঠক পাতিব লাগে।

শ্ৰীতুলাল বৰুৱা :— এই সম্পৰ্কত গোপনীয়তাৰ প্ৰশ্ন নাই। মুকলি ভাবে আলোচনা হৈ গল।

শ্ৰীএ,এন, আক্ৰাম হুচেইন :— পৰম্পৰ বিৰোধী কথা হব ধৰিছে। গতিকে এই বিষয়ত আলোচনা কৰি এটা সিদ্ধান্তলৈ আহিব লাগে।

শ্ৰীখগেন বৰবৰুৱা : মুখ্যমন্ত্ৰীয়ে দুবাৰ ঘোষণা কৰিছিল যে আমাৰ সীমা বিবাদ নাই। ১৯২৫ চনত যিটো সিদ্ধান্ত হৈ গৈছে সেইটো মতে মানি চলিছো। সেই সময়ত উল্লেখ কৰিছিলো যে ১৯০১ চনৰ বুৰঞ্জী চাব লাগে। এতিয়া অসমত সীমা বিবাদ কেনেকৈ ওলাল ?

শ্ৰীগোলাপ বৰবৰা :— আমাৰ ফালৰ পৰা সীমা বিবাদ নাই। কোনোবাই যদি বিবাদ কৰে তেন্তে সেইটো আহি পৰে। ১৯২৫ চনৰ সীমাৰেখা থাকিব। যিহেতু সেই সময়ত সেইটো নটিফিকেচনক ভিত্তি কৰি লোক সভাৰ আইন অনুসৰি নগালেণ্ড সৃষ্টি হৈছিল। গতিকে সেইটোৱেই সীমাৰেখা। কোনোবাই বুৰঞ্জীৰ কোনোবা যুগলৈ যাব, কোনোবাই পিচৰ যুগৰ বুৰঞ্জীলৈ যাব পাৰে। তেনেকৈ যদি প্ৰত্যেকতে বুৰঞ্জীৰ পম খেদিবলৈ বিচাৰে তেতিয়াহলে কোনো ৰকমে শান্তি ৰক্ষা কৰিব পৰা নাযাব। সেই কাৰণে সেই সীমাৰেখাকেই ধৰি লোৱা হৈছে আৰু তাৰ ওপৰত দৃঢ় ভাবে মত ৰাখিম।

শ্ৰীমুকুট শৰ্মা :— গৃহমন্ত্ৰীৰ লগত আলোচনা কৰিবলৈ আটাই কেইখন ৰাজ্যই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কথাটো কেন্দ্ৰীয় গৃহমন্ত্ৰীক

জনোৱা হৈছে নে যে এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে এনেকৈ কণ্ট্ৰাভাৰচিয়েল ষ্টেটমেণ্ট নকৰে যাৰ বাবে বহুত তিক্ততা আনিব পাৰে ?

শ্ৰীগোলাপ বৰবৰা :— এই বিষয়ত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি আছো। কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কৈছে যে সীমাৰ গোটেই কথাটো পুনৰ মুকলি কৰিব নোৱাৰে। কোনোবা এঠাইৰ মেপ আছে, একচুৱেল লেইং লাইন আছে এই গোটেই কথাখিনি আলোচনা বিলোচনা হব লাগে, সোনকালে সমাধান কৰিব লাগে। বিধান সভা শেষ হোৱাৰ পিচত এলানি আলোচনা দিল্লীত হোৱাৰ বিষয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে আশ্বাস দিছে।

শ্ৰীনজমূল হক :— বিবৃতিত কৈছে যে নাগালেণ্ডে প্ৰস্তাৱ লৈছে, তাৰ বাবে একো ক্ষতি নহয় মই ভাবো ক্ষতি হব। যিয়েই ইচ্ছা কৰে অন্য ৰাজ্যৰ বিৰুদ্ধে সেই মতেই ষ্টেটমেণ্ট দিব এইটো কেনে কথা ? গতিকে অসম চৰকাৰৰ পক্ষৰ পৰা কাউণ্টাৰ বিপ্লাই দিব লাগে।

শ্ৰীগোলোক ৰাজবংশী :— বিধান সভাত আলোচনা নকৰাই ভাল। অন্যই ভুল কৰিলে বুলি আমিও ভুল কৰিম নেকি ?

শ্ৰী এ, এন, আক্ৰাম হুচেইন :— গোপনীয় বৈঠকৰ প্ৰয়োজন হৈছে।

## STATEMENT BY CHIEE MINISTER

Mr. Speaker :— Order, order. Now the Hon'ble C.M. will make a statement regarding Commission of Enquiry at Jawahar Nagar.

* Shri Golap Borbora :— Mr. Speaker Sir, I rise

* Speech not corrected

to make a further Statement for information of the Hon'ble Members in the House about the terms of reference of the Commission of Inquiry constituted to enquire into the irregularities committed in holding the A.I.C.C. Session at Jawaharnagar in 1976.

Hon'ble Members are aware that in the last session of the Assembly, I made a statement on 6-12-78 stating that Government had to set-up a Commission of Inquiry under the Commission of Inquiry Act, 1952 with Shri Jagjit Singh, retired Judge of the Delhi High Court as the Presiding Judge.

My statement deted 6-12-78 in the House, inter-alia, contained a reference to a charge relating to construct on of Helipad at Jawaharnagar. On further consideration, Govt. decided to delete this matter relating to construction of Helipad from the relevant items of terms of reference and a Notification was issued accordingly. This matter is brought to the notice of the Hon'ble Members of the House for information.

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— অধ্যক্ষ মহোদয়, মণ্ডল, নিম্ন বৰ্গৰ কৰ্ম্মচাৰী, পিয়ন, চকীদাৰ আৰু শিকলি চালক সকলৰ কৰ্মচ্যুতি সম্পৰ্কত শ্ৰীচামচুল হুদাই সদনত জাননি দিছিল। সেই সম্পৰ্কত মই এটা বিবৃতি

* Speech not corrected

দাঙি ধৰিব খুজিছো।

কামৰূপ জিলাৰ ৰায়তৰ নথি প্ৰণয়নৰ বাবে পুনৰ বন্দৱস্তীৰ কাম যোৱা ১৯৭৩ চনত আৰম্ভ হয়। এই বছৰৰ মাজ ভাগত পুনৰ বন্দবস্তী কামৰ পৰিসমাপ্তি হোৱাৰ সম্ভাৱনা আছে। তেতিয়া ৭২ জন মণ্ডল, ৩৬ জন জা, কা, ৯০ শিকলি চালক, ২১ জন নিম্নবৰ্গৰ কাৰ্য্যালয় সহকাৰী, পিয়ন/চৌকিদাৰ ২২ জন আৰু ৪ জন ড্ৰাইভাৰৰ কৰ্ম্মচ্যুতি হ'ব।

লক্ষীমপুৰ জিলাৰ পুনৰ বন্দবস্তীৰ কাম ১৯৬৪ চনৰ জুলাই মাহত আৰম্ভ হয়। পুনৰ বন্দবস্তী কামৰ কাৰণে তেতিয়া ৪৮১ জন মণ্ডল নিয়োগ কৰা হৈছিল। ১৯৭১ চনৰ ২ অক্টোবৰ তাৰিখৰ পৰা লক্ষীমপুৰ আৰু ডিব্ৰুগড় দুখন জিলা হয়। সেই মৰ্মে ডিব্ৰুগড় জিলাত ২৮৫ জন আৰু লক্ষীমপুৰ জিলাত ১৯৬ জন অতিৰিক্ত মণ্ডল পুনৰ বন্দবস্তীৰ কামত নিয়োজিত হয়। দুয়োখন জিলাৰ পুনৰ বন্দবস্তীৰ কাম চলিত বছৰতে শেষ হোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে ডিব্ৰুগড় জিলাৰ ২৮১ জন আৰু লক্ষীমপুৰ জিলাৰ ৭০ জন মণ্ডলৰ কৰ্ম্মচ্যুতি হৈছে। পুনৰ বন্দবস্তীৰ কাম দুয়োখন জিলাতে শেষ হলে বাকী ১৩০ জন মণ্ডলৰ কৰ্ম্মচ্যুতি হ'ব।

দৰং জিলাৰ পুনৰ বন্দবস্তীৰ কাম ১৯৬৮ চনৰ জুলাই মাহৰ পৰা আৰম্ভ হৈছিল। সেই সময়ত ২৪২ জন অতিৰিক্ত মণ্ডল নিয়োগ কৰা হৈছিল। ইতিমধ্যে দৰং জিলাৰ পৰাও ৩০ জন মণ্ডলৰ কৰ্ম্মচ্যুতি হৈছে। দৰং জিলাৰ পুনৰ বন্দবস্তীৰ কাম অহা বছৰত শেষ বুলি আশা কৰা যায়। কাম সম্পূৰ্ণ হলে বাকী ২১২ জন মণ্ডলৰ কৰ্ম্মচ্যুতি হ'ব।

কাছাৰ জিলাত অস্থায়ী বন্দবস্ত ভুক্ত এলেকাত ৰায়তৰ নথি

প্ৰণয়নৰ বাবে বন্দবস্তীৰ কাম ১৯৬৫ চনত আৰম্ভ হৈছিল আৰু বৰ্ত্তমান বছৰত শেষ হ'ব। এই কামৰ বাবে ৫৬ জন অতিৰিক্ত মণ্ডল নিয়োগ কৰা হৈছিল আৰু এই বছৰত তেওঁলোকৰ কৰ্ম্মচ্যুতি হোৱা সম্ভাৱনা আছে।

১৯৭৩ চনৰ পৰা শিৱসাগৰ আৰু গোৱালপাৰা জিলাৰ অস্থায়ী বন্দবস্তভুক্ত এলেকাত ৰায়তৰ নথি প্ৰণয়নৰ বাবে পুনৰ বন্দবস্তৰ কাম আৰম্ভ হয়। গোৱালপাৰা জিলাৰ কাম ইতিমধ্যে শেষ হৈছে। তাৰ ফলত ৭১ জন মণ্ডলৰ কৰ্ম্মচ্যুতি হৈছে।

শিৱসাগৰ জিলাতো এই বছৰৰ ভিতৰতে ৰায়তৰ নথি প্ৰণয়নৰ কাম শেষ হোৱাৰ কথা। তেতিয়া শিৱসাগৰ জিলাৰ ৫৪ জন অতিৰিক্ত মণ্ডলৰ কৰ্ম্মচ্যুতি হ'ব।

নগাওঁ জিলাত ৰায়তৰ নথি প্ৰণয়নৰ বাবে বন্দবস্তীৰ কাম ১৯৭৪ চনৰ ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হয়। এই কাম ১৯৮০-৮১ চনলৈ চলিব। কাম শেষ হলে ৪০ জন অতিৰিক্ত মণ্ডলৰ কৰ্ম্মচ্যুতি হ'ব। চৰকাৰে ইতিমধ্যে মণ্ডলৰ লাট বৃদ্ধি কৰাৰ কথা ভাবিছে। ইতিমধ্যে লক্ষীমপুৰ জিলাত ৭৯টা অতিৰিক্ত লাট বৃদ্ধি কৰা হৈছে। বৰ্ত্তমান লাটৰ সংখ্যা হ'ল ২০৭৩। পৰ্য্যায়ক্ৰমে আৰু ১৩৮২ টা লাট বৃদ্ধি কৰাৰ কথা ভবা হৈছে। কৰ্ম্মচ্যুতি হ'বলগীয়া মণ্ডলৰ সংখ্যা হ'ল ১০১৯ জন।

ওপৰত উল্লেখ কৰা মতে লাটৰ সংখ্যা বৃদ্ধি হলে তাত কৰ্ম্ম-চ্যুত হোৱা মণ্ডল সকলৰ পুনৰ নিযুক্তিৰ বিষয় বিবেচনা কৰা হ'ব।

তদুপৰি পূৰ্ব্বৰ চিৰস্থায়ী বন্দবস্তীভুক্ত গোৱালপাৰা জিলা আৰু কাছাৰ জিলাৰ কৰিমগঞ্জ মহকুমাত পুনৰ বন্দবস্তীৰ কাম সোনকালে আৰম্ভ কৰাৰ প্ৰস্তুতি চলাইছে। গোৱালপাৰা জিলাৰ বাবে ২০০ অতিৰিক্ত

মণ্ডল নিয়োগ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। গোৱালপাৰা, কামৰূপ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন জিলাত কৰ্ম্মচ্যুত মণ্ডসব ভিতৰৰ পৰাই এই ২০০ মণ্ডলৰ পদ পুৰণ কৰিব পৰা হ'ব।

কৰিমগঞ্জ মহকুমাৰ বাবে ৬০ জন অতিৰিক্ত মণ্ডল নিয়োগ কৰাৰ প্ৰস্তাৱ কৰা হৈছে। কাছাৰ জিলাত কৰ্ম্মচ্যুত হোৱা মণ্ডলৰ পৰাই উক্ত পদ সমূহ পুৰণ কৰিব পৰা হ'ব।

ইতিমধ্যে ভূমিলেখ্য অধিকৰ্ত্তাই মণ্ডলৰ কোনো পদে খালি হলে নতুন নিয়োগ নকৰি কৰ্ম্মচ্যুত হোৱা মণ্ডল সকলকহে অগ্ৰাধিকাৰ ভিত্তিত নিয়োগ কৰিবলৈ এখন ইস্তাহাৰ জাৰি কৰিছে।

নিয়োগ বিভাগেও (Personal Deptt.) কৰ্ম্মচ্যুত হোৱা পিয়ন, কাৰ্য্যালয় সহকাৰী আদিক বিভিন্ন জিলাত খালি হোৱা সমপৰ্য্যায়ৰ পদত নিয়োগ কৰাৰ বাবে এখন ইস্তাহাৰ দিছে।

কৰ্ম্মচ্যুত হোৱা লোক সকলৰ বৃহৎ পৰিমানৰ কৰ্ম্মচাৰীক পুনৰ নিযুক্তি দিব পৰা হ'ব বুলি আশা কৰা যায়।

শ্ৰীইব্ৰাহিম আলি :— অধ্যক্ষ মহোদয়, চৰকাৰৰ অধিনত তিনি-বছৰ কাল চাকৰি কৰিলে সেই কৰ্মচাৰী সকলক এটা বিকল্প ব্যৱস্থা দিয়া আইনগত আৰু নীতিগত কথা। ১০ বিঘাৰ তলৰ মাটিৰ খাজনা ৰেহাই পোৱা লোক সকলৰ তালিকা প্ৰস্তুত কৰা আঁচনিতে এই লোক সকলক লগাব নোৱাৰিনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই :— অধ্যক্ষ মহোদয়, ইতিমধ্যে তালিকা প্ৰস্তুত হৈ গৈছে। য'ত য'ত খালি হব তাত নিয়োগ কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰীউমেশ চন্দ্ৰ দাসঃ— অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ১৫ মাৰ্চ তাৰিখৰ "দৈনিক অসম" কাকতত প্ৰকাশিত "প্ৰাক্তন এম, এল, ৰ বিৰুদ্ধে অভিযোগ" শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত মই বাতৰি এটি উৎথাপন কৰিব খুজিছো। এই বাতৰিটোত কোৱা হৈছিল যে এজন প্ৰাক্তন এম, এল, এ, শ্ৰীসত্যেস ৰায় নামৰ এজন বহিৰাগত বাংলাদেশীক আশ্ৰয় দিয়াত পুলিচৰ লোকে ধৰা পেলায়। এইজন লোকৰ বাংলাদেশৰ পৰা হাইস্কুল লিভিং পৰীক্ষা পাছ কৰা চাৰ্টিফিকেটো আছে। এইজন বাংলাদেশীক ভাৰতীয় নাগৰিক বুলি চাৰ্টিফিকেট দিয়াৰ কাৰণে অভি-যোগ এটা আহিছে আৰু বিদেশী বুলি তেওঁক গৃহ দপ্তৰৰ চাকৰি দিব বুলি যোগাযোগ কৰা হৈছে। এই কথাটোৱে এটা সমস্যাৰ সৃষ্টি কৰিছে আৰু অসমত এইদৰেই বহিৰাগতৰ প্ৰবল সোঁত বৈছে। এই ক্ষেত্ৰত যিবিলাক বহিৰাগত অসমলৈ আহিছে তেওঁলোক নিশ্চয় গছৰ তলত থকা নাই, কোনোবাই আশ্ৰয় দিছে। অসমত থকা বুলি কৈ এই দৰেই কিছুমান লোকে এই বহিৰাগত সকলক আশ্ৰয় দিয়াত ইয়াত যি প্ৰতিকুল পৰিবেশৰ সৃষ্টি হৈছে এই সম্পৰ্কত মুখ্যমন্ত্ৰী মহোদয়ে এই সকলৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে আমাক জনাব লাগে।

শ্ৰীগোলাপ বৰবৰাঃ— এই অভিযোগ সম্বন্ধে অধ্যক্ষ মহোদয়, তদন্ত কৰা হৈছে আৰু ঠিক তেনেকুৱা এজন মানুহ পোৱা গৈছে। ১৯-৭২ চনত বাংলাদেশৰ পৰা হাইস্কুল পাছ কৰা ইত্যাদি চাৰ্টিফিকেটো তেওঁৰ লগত থকাৰ প্ৰমাণ পোৱা হৈছে। ফৰেইনাৰ্চ এক্ট অনুসৰি মোকৰ্দ্দমা দাখিল কৰা হৈছে। এই সম্বন্ধে মই এইখিনিকে কব খোজো।

শ্ৰীনৰেন্দ্ৰ নাথ দত্তঃ— মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি "অসম

বীজ নিগমত উদ্বেগজনক ক্ষতি" সম্পৰ্কত এটি বিষয় উৎথাপন কৰিব খুজিছো।

অধ্যক্ষ মহোদয়, ১৯৬৪ চনৰ সেউজ বিপ্লৱ আঁচনি কাৰ্য্যকৰী কৰাৰ পৰিপ্ৰেক্ষিতত ১৯৬৭ চনত ২ কোটি টকা মূল ধনেৰে অসমত বীজ নিগম প্ৰতিষ্ঠিত হয়। কৃষি উৎপাদনত সহায় কৰাৰ বাবে এই নিগমে কৰিব লগীয়া কাম আছিল উন্নত বীজ সংগ্ৰহ কৰা আৰু যোগান ধৰা। কৃষি উৎপাদন বৃদ্ধি কৰাৰ কাৰণে বীজ যোগান ধৰা আৰু সংগ্ৰহ কৰাৰ কাৰণে যি দায়িত্ব সেই দায়িত্ব পালন কৰাত এই বীজ নিগম যে চুড়ান্ত ভাবে ব্যৰ্থ হৈছে সেই কথা অসমৰ ৰাইজে দেখিবলৈ পাইছে। উৎপাদন বঢ়োৱা দূৰৰ কথা কৃষক সকলক বেয়া বীজ যোগান ধৰি কৃষক সকলক ঋণ গ্ৰস্ত কৰি তুলিছে আৰু তেওঁলোক হতাশ হৈ পৰিছে। অকল সেয়ে নহয়, অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য সকলক অবগত কৰিব খোজো যে ১৯৬৭ চনৰ পৰা ১৯৭৯ চনলৈকে এই ১২ বছৰৰ ভিতৰত ১৯৬৭-৬৮, ১৯৬৮-৬৯, ১৯৭২-৭৩ এই তিনিটা চনৰ বাহিৰে ১৯৬৯-৭০ চনত ১,৯৫, ৪১৪ টকা লোকচান হৈছে। ১৯৭০-৭১ চনত ১৫, ৫৮, ৮৫৪' ৮ পইচা লোকচান হৈছে। ১৯৭৩-৭৪ চনত ১৫,৯১, ৭৫১'৫ আৰু ১৯৭৪-৭৫ চনত ৬০,১০৩,১ পইচা লোকচান হৈছে। ১৯-০৫-৭৬ চনত ১৪,৯৪,৮৭২ টকা ৫ পইচা লোকচান হৈছে।

১৯৭৬-৭৭ চনত ৪২ লাখ ৯৮ হাজাৰ ৭৯৫'৭৬ টকা আৰু ১৯-৭৭-৭৮, ১৯৭৮-৭৯ এই দুই চনত প্ৰজেক্টৰ বেলেন্স চিটত পোৱা গৈছে ৫০ লাখ টকাৰ লোকচান। এই লোকচানৰ হিচাপৰ পৰা যদি চোৱা যায় বীজ নিগমৰ ১ কোটি ৫৬ লাখ ৩৮ হাজাৰ ৬০০'২৩ টকা লোকচান হৈছে।

মাননীয় অধ্যক্ষ :— আপুনি চমু কৰক।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত:— অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। মই পুনৰাবৃত্তি একো কৰিব খোজা নাই। মই অলপ সময় বিচাৰিছো। আমি দেখিবলৈ পাইছো যে এই বীজ নিগম কিছুমান দুৰ্নীতি গ্ৰস্ত বিষয়াই দূৰ্নীতি আৰু অসৎ উপায়ে ধন উপাৰ্জন কৰাৰ মৃগয়া ক্ষেত্ৰত পৰিণত হৈছে। তাৰ এটা উদাহৰণ মই দাঙি ধৰিব বিচাৰিছো। মাননীয় চেয়াৰম্যান মহোদয়, অনুগ্ৰহ কৰি মোক কিছু সময় দিব। বাস্তৱ ছবিখন দাঙি নধৰিলে আপুনি আৰু সন্মানিত সদনে বুজি নাপাব। এই বীজ নিগমৰ দুৰ্নীতি, স্বজন পোষনতা আৰু স্বৈৰাচাৰী কাৰ্য্য পৰিচালনাৰ দ্বাৰা এই বীজ নিগমক নিগমে নিয়াৰ শোচনীয় দৃষ্টান্ত জল্‌জল্‌ পট্‌পট্‌কৈ দেখা পোৱা গৈছে। মই ইয়াৰ চাৰিটা উদাহৰণ দিব খুজিছো।

(১) এজন পৰিচালক সঞ্চালক, মই নাম কব খোজা নাই নাম মোৰ হাতত আছে। তেখেতে জোৱায়েক কোনোবা এজন, মই নাম কব খোজা নাই, নামটো মোৰ হাতত আছে বিভিন্ন ফাৰ্মৰ নামত মটৰৰ টায়াৰ, স্পেয়াৰ্চ পাৰ্টচ, ট্ৰেক্টৰ আৰু অন্যান্য সজুলি ক্লথ বেগ আদি যোগান ধৰাৰ সুবিধা দি স্বজন পোষণতাৰ নিৰ্লজ্য উদাহৰণ দাঙি ধৰিছে। ইয়াৰ সত্যাসত্য ফাইল নম্বৰ, এম, ১।৭৮-৭৯ ই প্ৰমাণ কৰিব।

(২) কিছুমান ভুৱা ফাৰ্মৰ পৰা সঘনাই যান-বাহনৰ স্পেয়াৰ্চ পাৰ্টচ ট্ৰেক্টৰ আদি কিনা বিষয়ে ফাইল নং এম—১।৭৮-৭৯। এচ, এল, ৩০ আৰু ৩১ত বহুতো তথ্য ওলাব।

(৩) বিভিন্ন যান-বাহনৰ স্পেয়াৰ্চ পাৰ্টচ আদি যোগান ধৰাৰ ক্ষেত্ৰত কি ধৰণেৰে টকা আত্মসাৎ কৰাৰ প্ৰশাসনিক অপসুযোগ গ্ৰহণ কৰা হৈছে তাৰ নজিৰ ফাইল নং, এম—১।৭৮-৭৯। এচ, এল, ৩৮, ফাইল নং, এম—১।৭৮-৭৯। এচ, এল, ৫৮, এন, এচ, ৯ এচ এল নং ২২ অৱ ফাইল নং এম—১ (এফ)। ১২, ফাইল নং, এম—১ (এফ)। ৭৮ এচ,

এল, নং ২৬ (এ) ত বিচাৰিলে দিনৰ পোহৰৰ নিচিনা ওলাই পৰিব।

(৪) ১২০০শ কুইন্টল সৰিয়হৰ বীজ অবীজ হিচাবে কুইন্টলে প্ৰতি ১৮৫ টকাকৈ লোকচান কৰি বেচি নিগমৰ প্ৰায় ২'৫ লাখ টকা ক্ষতি কৰা হৈছে। জাৰ্মীনেশ্যন টেষ্ট নকৰাকৈ কেনেকৈ এই বীজ অবীজ হিচাবে শ্ৰেণীভুক্ত কৰা হ'ল? ফাইল নং, এচ—২১'৭৮-৭৯, এচ, এল, নং ১৬৫ আৰু ১৬৬। বীজৰ সংগ্ৰহ মূল্য আছিল ৪৫০ প্ৰঃ কুইন্টলত। বিক্ৰী মূল্য হৈছে ২৬৫ টকা প্ৰতি কুইন্টলত।

(At this stage Mr. Speaker vacated the Chair and Mr, Chairman occupied the same)

মিঃ চেয়াৰম্যান :— মিঃ দত্ত, আপুনি বেছি সময় নলব।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :— চেয়াৰম্যান মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। এটা অতি গুৰুত্বপূৰ্ণ মন্ত্ৰকৰ পৰিচালনাত গুৰুত্বপূৰ্ণ কৃষি বিভাগ। এই কৃষি বিভাগটো জীয়াই আছে, এই কৃষি বিভাগৰ পৰিচালনাত পৰিচালিত বীজ নিগম এইটো যে জীয়াই আছে অনুমান কৰিব পৰা নাযায়। এই নিগমৰ পৰিচালনাত ১০৪ খন বীজ ফাৰ্ম আছিল। এতিয়া মাত্ৰ ১৪ খনহে মৰো জীয়োকৈ আছে। যাৰ নেতৃত্বত, যাৰ অপকাৰ্য্য পৰিচালনাৰ কাৰণে ৰাজহুৱা ধন আত্মসাৎ কৰাৰ কাৰণে এই বিৰাট পৰিমাণৰ ফাৰ্মখনত যি ২০০ শ কোটি টকা নষ্ট হৈছে এই অনুস্থাটোৰ এটা অনুসন্ধান কমিশ্যন কৰি যথাযথ ভাৱে ইয়াৰ ছবি ৰাইজক অবগত কৰিব লাগে আৰু এই নিগম নিগমে নিয়াত যিসকলে ভূমিকা গ্ৰহণ কৰিছে তেওঁলোকৰ ওপৰত দৃষ্টান্তমুলক শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু নিগমৰ জ'কাত প্ৰাণ সঞ্চাৰ কৰি যাতে জীয়াই ৰাখিব পাৰে তাৰ বিহিত ব্যৱস্থা হাতত লবলৈ চেয়াৰম্যান মহোদয়, মই আপো-

নাৰ জৰিয়তে এই সদনক অবগত কৰিছো লগতে মন্ত্ৰী মহোদয়কো অনু-বোধ জনাইছো ইয়াৰ বাবে যেন যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰে।

১। * শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, ১৯৬৭ চনৰ এপ্ৰিল মাহৰ পৰা অসম বীজ নিগমে কাৰ্য্যভাৰ গ্ৰহণ কৰিছে। আৰু প্ৰতিস্থাৰ সময়ত ইয়াৰ অ'থৰাইজড্ মুলধন আছিল ৫০ লাখ টকা। পৰৱৰ্ত্তী কালত অ'থৰাইজড্ মুলধন ২ কোটি টকালৈ বঢ়োৱা হয়। প্ৰতিস্থা সময়ত চৰকাৰে ৫০ লাখ টকাৰ ভিতৰত ৪৭.৫০ লাখ টকা আদায়কৃত মুলধন হিচাবে দিয়ে। ১৯৭৯ চনৰ ৩১ মাৰ্চলৈ আদায়ীকৃত মুলধন হৈছে ১৪৫.৮০ লাখ টকা। ইয়াৰ ভিতৰত মুঠ বস্তুৰ ১৩.৭৫ লাখ টকাৰ মুলধন চৰকাৰৰ পৰা হস্তান্তৰত হোৱা বিবিধ বস্তুৰ মূল্য হিচাবে ধৰা হৈছে।

২। অসম বীজ নিগমৰ হিচাব ১৯৭৮-৭৯লৈ সাজু হোৱা নাই ১৯৭৪ চনৰ ৩১ মাৰ্চলৈ হিচাব কোম্পানী আইনমতে হিচাব পৰীক্ষকে বিষয়াই পৰীক্ষা কৰিছে আৰু তাৰ প্ৰতিবেদন দাখিল কৰিছে। ১৯৭৪-৭৫ চনৰ হিচাব ভাৰত চৰকাৰে নিযুক্তি দিয়া হিচাবে পৰীক্ষকৰ পৰীক্ষাধীন হৈ আছে। ১৯৭৫-৭৬ আৰু ১৯৭৬-৭৭ চনৰ হিচাব সাজু কৰা হলেও পৰীক্ষাৰ বাবে হিচাব পৰীক্ষকো নিযুক্তি দিয়া নাই যিহেতু ১৯৭৪-৭৫ চনৰ প্ৰতিবেদন দাখিল নকৰা পৰ্য্যন্ত পিচৰ বছৰৰ বাবে আইনমতে নিযুক্তি দিয়া নাযায়।

পৰীক্ষিত হিচাব মতে ১৯৭৩-৭৪ চনলৈ নিগমৰ মুঠ ক্ষতিৰ পৰিমান ৪৮,৯১,৯৯৪-৯৪ টকা। খচৰা হিচাব মতে ১৯৭৬-৭৭ চনলৈ নিগমৰ মুঠ ক্ষতিৰ পৰিমাণ হৈছে ১,১৮,৪৯,৬৫৫.৯৯ টকা।

Mr. Chairman :— Now, the House stands adjour-

* Speech not corrected

ned till 2:30 P. M.

( মধ্যাহ্ন ভোজনৰ পিচত )

* শ্ৰীসোনেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, আগবেলা মই কোৱাৰ পিচত এই কথাখিনি হৈছে এই যে বিষয়টো সংশ্লিষ্ট মহলৰ লগত আলোচনা কৰি এনে ধৰণে পোৱা হ'ল। নিগমৰ তিনি বছৰৰ লাভ লোকচানৰ হিচাব দাঙি ধৰিব খুজিছো। মাননীয় সদস্য সকলে যদি পঢ়ি দিব নালাগে বুলি কয় তেতিয়াহলে সদনৰ মেজত দাখিল কৰিব পাৰো।

মাননীয় অধ্যক্ষ :— দীঘলীয়া হলে পঢ়িব নালাগে।

* শ্ৰীসোনেশ্বৰ বৰা :— ক্ষতিৰ মুল কাৰণ হিচাপে মই কব খুজিছো যে—

(ক) কৃষি বিভাগে প্ৰতিস্থা কৰা সৰু ডাঙৰ ৯২ খন বীজ পাম আৰু ১১ খন পালংবাৰি প্ৰথমতে বীজ নিগমলৈ হস্তান্তৰ কৰা হৈছিল। ইয়াৰ সৰহ ভাগেই যিহেতু সৰু, চৰনীয়া পথাৰত অৱস্থিত সেইবাবে উৎপাদনত যথেষ্ঠ গুৰুত্ব দিয়া সত্বেও লাভত চলাব পৰা নাই। তাৰোপৰি পাম বিলাক অসমৰ ভিতৰুৱা ঠাইত অৱস্থিত থকাৰ কাৰণে যিভাবে চকু ৰাখিব লাগিছিল সেইভাবে কৰিব নোৱাৰাৰ বাবেও লোকচান ভৰাৰ আন এটা কাৰণ।

এই বিষয়টো সঞ্চালক মণ্ডলীৰ বৈঠকত আলোচনা কৰি সৰু সৰু পাম বিলাক কৃষি বিভাগলৈ ঘুৰাই দিয়াৰ ব্যৱস্থা লোৱা হয় আৰু তাৰ ফলত এতিয়া ১৬ খন ( পালংবাৰীসহ ) নিগমৰ পৰিচালনাধীনত আছে।

* Speech not corrected

১২ খন বীজপাম ৪ খন পালংবাৰী। তাৰে৷ দুখন কৃষি বিভাগলৈ ঘূৰাই দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। পৰিচালনাধীনত থকা ১৪ খন কৃষিপামৰ যোৱা তিনি বছৰৰ লাভ লোকচানৰ হিচাব অনুসূচী সদনৰ মজিয়াত ৰখা হৈছে ক-ত দিয়া হ'ল।

১৯৭৭-৭৮ চনত মাত্র ৬ খন বীজ পামত লাভ হৈছিল। শ্রমিকৰ মজুৰীও ৭ টকালৈ বৃদ্ধি কৰা সত্বেও ১৯৭৮-৭৯ চনত নিগমে মুঠ ১০ খন বীজ পামত যাৱতীয় সকলো খৰচ বাদ দি লাভ কৰিবলৈ সক্ষম হৈছে (অনুসূচী—ক)। নিগমত যি কেইখন বীজ পাম পৰিচালনাত আছে, সেই পাম কেইখনৰ উৎপাদন বৃদ্ধিৰ বাবে পানী যোগান আঁচনি আদি নানা ব্যৱস্থা হাতত লোৱা হৈছে আৰু তাৰ বাবে উৎপাদন যথেষ্ট বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

(খ) নিগমৰ আৰু এটা মুখ্য উদ্দেশ্য হল কৃষি বিভাগৰ আঁচনিমতে প্রয়োজনীয় বীজৰ যোগান ধৰা। যিহেতু নিগমৰ পাম বিলাকত সকলো ধৰণৰ বীজ উৎপাদন নহয় সেই বাবে নিগমে ঘেহু, অৰহৰ, আলু, মচুৰ, নতুন উন্নত জাতৰ প্রমাণিত বীজ কিনিব লগা হয়। সংগ্রহ কৰা অনুপাতে বিক্রী নোহোৱা বীজ বহুল পৰিমাণে ভৰালত থাকি যায় আৰু সেই বীজ খাদ্য হিচাপে বজাৰ দামত বেচিব লগা হয়। ফল স্বৰূপে নিগমৰ লোকচানৰ পৰিমাণ বৃদ্ধি পায়।

অতীতৰ অভিজ্ঞতালৈ চকু ৰাখি বৰ্তমান সঞ্চালক মণ্ডলীয়ে এই বুলি সিদ্ধান্ত লয় যে নিগমৰ পামত যিমান পাৰি উৎপাদন কৰা হওক আৰু যিখিনি সংগ্রহ নকৰিলেই নহয় সেইখিনিহে সংগ্রহ কৰা হওক। সিদ্ধান্ত অনুসৰি কাম কৰায় যোৱা বছৰ নিগমে লোকচান প্রতিৰোধ কৰাত সমর্থ হৈছে।

পৰিপূৰক টোকা ঃ

১। আগতে উল্লেখ কৰা আদায়কৃত মুল ধনৰ বাহিৰেও নিগমে ১৯৭৪-৭৫ চনত চৰকাৰৰ পৰা ইমাৰজেঞ্চি কৃষি আঁচনি কাৰ্য্যকৰী কৰাৰ বাবে মুঠ ১'৮৮ কোটি টকা বৰ্ষাকালীন ঋণ হিচাপে লয়। ইয়াৰ সম্পূৰ্ণ টকা নিগমে চৰকাৰলৈ ঘূৰাই দিছে। ১৯৭৫-৭৬ চনত বিভাগীয় আঁচনি মতে ৰবি শস্যৰ বীজৰ যোগান ধৰাৰ বাবে নিগমক চৰকাৰে ১'৫০ কোটি টকাৰ বৰ্ষাকালীন ঋণ হিচাপে দিয়ে আৰু নিগমে ৩১ মাৰ্চ ১৯৭৯ লৈ ২৫ লাখ টকা পৰিশোধ কৰিবলৈ সমৰ্থ হৈছে। অধিক পৰিমানে লোকচান ভৰিব লগীয়া হোৱাৰ বাবে নিগমে সম্পূৰ্ণ ঋণ পৰিশোধ কৰিব পৰা নাই।

২। বীজৰ মান সম্পৰ্কে ঃ

বীজ নিগমে কেতিয়াবা খাদ্য নিগম আৰু ষ্টেটফেদৰ পৰা খাবৰ কাৰণে সংগ্ৰহ কৰা গুটিৰ পৰাও সংগ্ৰহ কৰি বীজ হিচাপে লব লগা হৈছিল। বৰ্তমানৰ সঞ্চালক মণ্ডলীয়ে এনেদৰে বীজ লোৱাটো সম্পূৰ্ণ বন্ধ কৰি দিছে।

বীজ নিগমৰ বীজ পৰিশোধন কাৰখানা নথকায় প্ৰমাণিত বীজ যোগান ধৰাত অসুবিধা ভোগ কৰি আছিছে। বৰ্তমানে নিগমে তেনে এটা কাৰখানা স্থাপন কৰাৰ আঁচনি হাতত লৈছে। বৰ্তমানলৈ ঘেহু আদি প্ৰমাণিত বীজ ৰাষ্ট্ৰীয় বীজ নিগম আৰু তৰাই উন্নয়ণ নিগমৰ পৰা লোৱা হয়। বহু ক্ষেত্ৰত সেই প্ৰমাণিত বীজৰ মান নিম্নখাপৰ হোৱাত খেতিয়ক সকলে অসুবিধা ভোগ কৰিব লগীয়া হৈছে।

ইয়াৰ উপৰিও নিগমৰ বৈজ্ঞানিক ধৰণে সজা কোনো ভৰাল নাই আৰু সেইবাবে সাধাৰণ ধৰণৰ ঘৰত ৰখা বীজৰ মান কমি যায়। এই

সমস্যাটোৰ প্ৰতিও সঞ্চালক মণ্ডলীয়ে চিন্তা কৰি বিহিত ব্যৱস্থা লোৱাৰ সিদ্ধান্ত লৈছে ।

৩। বৰ্তমানৰ সঞ্চালক মণ্ডলী :

১৯৭৮ চনৰ এপ্ৰিল মাহৰ পৰা অসম বীজ নিগমৰ সঞ্চালক মণ্ডলীৰ পূৰ্ণগঠন কৰা হৈছে। বৰ্তমান সঞ্চালক মণ্ডলীত ২ জন এম, এল, এ, ১ জন কৃষি অভিজ্ঞ আৰু ৫ জন চৰকাৰী বিষয়া আছে আৰু মণ্ডলীৰ চেয়াৰমেন হিচাপে শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়া এম, এল, এ মহোদয়ক নিযুক্তি দিয়া হৈছে। তেখেতে নিগমৰ উন্নতিৰ বাবে সকলো ধৰণৰ চেষ্টা চলাই আছে ।

এই নিগমৰ তদন্ত কৰিবৰ কাৰণে অলপতে এটা কমিটি নিয়োগ কৰা হব। অলপতে কমিটিটো ঘোষণা কৰা হব।

মাননীয় সদস্য দত্ত ডাঙৰীয়াই তেখেতৰ বক্তব্যত উৎথাপন কৰিছে, তাত এচ্-২১/৭৭ এটা ফাইলত সৰিয়হ কিনা বিষয়ে জনাইছে। মই ততাতৈয়াকৈ খবৰ কৰি পাইছো আমাৰ ৰাজ্যখনৰ যিখিনি উৎপাদিত সৰিয়হ সেইখিনিৰে চাহিদা পূৰণ কৰিব নোৱাৰা কাৰণে মাজুলীৰ পৰা কেম্প কৰি কিনা হৈছিল। মাজুলীৰ পৰা ৬৫০ কুইন্টল সৰিয়হ কিনিছিল। ইয়াৰ প্ৰতি কুইন্টলত ২৭০ টকাৰ আৰু ৩৭০ টকাত কিনিছে। যোৱা বছৰ সৰ্ব্বমুঠ ২০০২ কুইন্টল সৰিয়হ সংগ্ৰহ কৰিছিল। ইয়াৰ ভিতৰত মনিপুৰ আৰু উৰিষ্যাই আমাৰ সৰিয়হ সচঁ নিছে। উৰিষ্যাক ৫৪০ টকা হাৰত কুইন্টল হিচাবত আৰু মনিপুৰক ৬০০ টকাত কুইন্টল হাৰত এই সচঁ দিয়া হয়। উৰিষ্যাক ৫৪০ টকা হাৰত কুইন্টল আৰু মনিপুৰ ৬০০ টকা হাৰত ৫৪ কুইন্টল কিনে। ১১ কুইন্টল আমাৰ ৰাহি থাকিল। ৰাহি থকা খিনি সঞ্চালক মন্দলীয়ে খাদ্য হিচাবে এই

সৰিয়হ খিনি বেচিব লগা হল। সেই ক্ষেত্ৰত তাৰ বাবে লোকচান ভৰিব লগা হল। পাচখন নিবিদা আহ্বান কৰা হৈছিল। (১) মহাবীৰ ৰাইচ্ এন্দ ফ্লাৱাৰ মিলে (শিৱসাগৰ) ২৪৭ টকা কুইন্টলত (২) অৰিয়েন টেল চাপ্লাই কৰপৰেশ্যনে (তিনিচুকীয়া) ২৪৫'৫১ টকা কুইন্টলত (৩) চিমা কমাৰ্চিয়েল কৰপৰেশ্যনে (গুৱাহাটী) ২৬১ টকা কুইন্টলত (৪) ডিব্ৰুগড় ৰাইচ এন্দ ফলাৱাৰ মিলে ২৫৬ টকা কুইন্টলত আৰু (৫) মিচেচ্ মাধুৰী দাসে (গুৱাহাটী) ২০৫ টকা কুইন্টলত কিনিলে। চিমা কোম্পানীয়ে ২৬১ টকা হিচাবত এই সৰিয়হখিনি বিক্ৰি কৰিলে।

দত্ত ডাঙৰীয়াই আৰু এটা কথাত অভিযোগ কৰিছে মটৰ পাৰ্টচ সম্পৰ্কত। দুটা ফাইল মই তত্তাতৈয়াকৈ চাইছিলো। প্ৰথমটো হল এম-১'৭৮-৭৯ আৰু দ্বিতীয়টো হল এম-১। এফ ৭৮-৭৯। এই গোটেই ফাইলৰ পাৰ্টচ্ খিনি এজন সঞ্চালকৰ জোৱায়েকৰ পৰা কিনা এটা অভিযোগ উঠিছে। মই এইটো তদন্ত কৰি পালো যে কথাটো সঁচা। সঞ্চালক জনৰ জোঁৱায়েকৰ এটা মটৰ পাৰ্টচ্ বিক্ৰি কৰা এখন দোকান আছে। তাৰ পৰা আগতে মটৰ পাৰ্টচ্ আৰু ইম্পিচিয়েল টায়াৰচ্ এন্দ স্পেয়াৰ পাৰ্টচ্ কিনিছে। বিধায়কে ফাইলৰ কথা যিটো কৈছে হিন্দুস্থান ট্ৰেনিং এন্দ কোং গুৱাহাটীৰ, এই ফাৰ্মৰ পৰা ২০,১২২'০৪ পইচা অনুযায়ী কিনাটো দেখুৱাইছে। পাচখন কটেচন পাইছো। ৰিপৰ্ট মতে এগ্ৰো-ইন্দাষ্ট্ৰীজ আৰু ইন্দাষ্ট্ৰীয়েল ফাৰ্ম ইকুইপমেণ্টৰ লগত মিলাই দিয়া হৈছিল বুলি ৰিপৰ্টত পাইছো। গতিকে এইখিনি সম্ভাবনীয় বুলি ধৰি লৈ এইখিনি কিনিছো। আৰু দত্ত ডাঙৰীয়াই বীজ নিগাজীকৈ কিছুমান গুটি কিনি আৰু এনেকুৱা কথাও তেখেতে উৎথাপন কৰিছে, মই নিজে বিবৃতিত কৈছো যে কেতিয়াবা ষ্টেট ফেড আৰু কেতিয়াবা এফ,চি,আই ইত্যাদিৰ পৰা বহুত সময়ত গুটি কিনিছো। আগৰখিনি মই জানিব পৰা নাই। বিশেষকৈ ১৯৭৮-৭৯ চনতে মই দেখিছিলো জানুৱাৰী, ফেব্ৰুৱাৰী

মাহত আহু ধানৰ বীজ ৮৫ টকা ৩৪ টকাকৈ কিনি ২৪,৩৪২ কুইণ্টল আহুধান, আৰু ৬,৭০০ টকা কিনা হৈছিল। মুঠতে ২৪,৩৪২ আৰু ২২০ ৩০৮ কুইণ্টলৰ চফা কৰা বিতৰণ কৰা সম্পূৰ্ণ কৰি গোটেই খৰচ ২৫, ২১০০ টকা খৰচ কৰা হৈছিল। চাৰটিফাইদ কৰা পিচতো বৰপেটা মানুহে চিদ লবলৈ অমান্তি হল। কিন্তু ষ্টৈদফেদৰ পৰা কিনি তাক ঘূৰাই দিয়া নহল। ঠিক তেনেদৰে বহু সময়ত বিভাগলৈহে কাম কৰি আহিছে যিবিলাক কাম সিমান মনোপুত হোৱা নাই, আৰু বহু টকা লোকচান হৈছে। এই সম্পৰ্কে অৱশ্যে এটা খুব ভাল তদন্ত নহলে গোটেইখিনি হিচাব উলিওৱা টান হব। সেই কাৰণে চৰকাৰে খুব সোনকালে ইয়াৰ তদন্ত দিহা কৰিবলৈ ব্যৱস্থা লৈছে।

## LAYING OF REPORTS

Dr. Kusheswar Bora :— Mr. Speaker, Sir, I beg to lay the Annual Reports of the Board for Prevention & Control of Water Pollution, Assam for the years 1976-77 and 1977-78.

Dr. Kusheswar Bora :— Mr. Speaker, Sir, I beg to lay the Audit Reports of the Accounts of the Board for Prevention & Control of Water Pollution, Assam for the years 1975-76, 1976-77 and 1977-78.

## PRESENTATION OF COMMITTEES' REPORTS

Shri Kiron Chandra Bezbarua :— Mr. Speaker, Sir, I beg to present the Tenth Report of the Committee on Public Undertakings on the action taken by

Government on the recommendations contained in the Third Report of the Committee.

Shri Kiron Chandra Bezbaruah :— Mr. Speaker, Sir, I beg to present the Eleventh Report of the Committee on Public Undertakings on the working of the Assam State Transport Corporation.

Shri Altaf Hussain Mazumdar :— Mr. Speaker, Sir, I beg to present the Thirty-fifth Report of the Committee on Estimates on the functions of the Agriculture Department with special reference to its staffing Pattern.

Shri Hemen Das :— Mr. Speaker, Sir, I beg to present the Thirteenth Report of the Public Accounts Committee on the Report of the Comptroller and Auditor General of India for the years 1970-71, 1971-72, 1972-73 and Finance Accounts, 1970-71, 1971-72 and 1972-73 relating to Irrigation, Flood Control, Finance Public works (R&B) and Home (Police) Departments. I also inform the House that the typed copy of the Report is placed on the Table of the House and the printed copy will be circulated to members.

Shri Rabindra Nath Chaudhury :— Sir, I beg to present the Fifth Report of the Committee on Welfare

of Scheduled Castes and Scheduled Tribes relating to land and Revenue.

Shrimati Syeda Anwara Taimur :— Sir, I beg to present the Second Report of the Library Committee.

## CONSIDERATION AND PASSING OF GOVERNMENT BILLS

Mr. Speaker :— Now item No. 12 (a) :— Here is a massage from the Governor of Assam which reads as "Rajbhavan, Dated Shillong the March, 1979 Under the provision of Article 207 (3) of the Constitution of India I, Lallan Prasad Singh, Governor of Assam, recommend that the Assam Veterinary Council Bill, 1979 be taken up for considaration by the Assam Legislative Assembly.

Sd : Lallan Prased Singh
Governor of Assam"

Shri Brahma Chaudhury please.

Shri Samar Brahma Chaudhury :— Sir, I beg to move that the Assam Veterinary Council Bill, 1979 be taken into cosideration.

Mr. Speaker :— The question is the Assam Veterinary Council Bill, 1979 be taken into consideration.

(after a paused) The motion is adopted ;

Now, there is no amendment to clauses 2 to 36 and the Schedule of the Bill.

I put the question that clauses 2 to 36 and the Schedule do form part of the Bill.

( After a pause )

The motion is carried and clauses 2 to 36 and the Schedule of the Bill from part of the Bill.

Now I put that clause 1, preamble, enacting formula and short title do form part of the Bill.

( after a pause )

Clause 1, preamble, enacting formula and short title form part of the Bill.

Now item 12 (c).

Shri Samar Brahma Chaudhury :— Sir, I beg to move that the Assam Veterinary Council Bill, 1979 be passed.

Mr. Speaker :— I put the question that the Assam Veterinary Bill, 1979 be passed.

( After a pause )

The motion is carried and the Bill is passed.

Now item No. 13 (a). Here is a message from the Governor of Assam which reads as "Rajbhavan, Dated, Shillong the 24th March, 1979 Under the provision of Article 207 (3) of the Constitution of India I, Lallan Prasad Singh, Governor of Assam, recommend that The Assam Legislative Assembly Members' Salaries And Allowances (Amendment) Bill, 1979 be taken into consideration by the Assam Legislative Assembly:

Sd : Lallan Prasad Singh
Governor of Assam"

Now, Mr. Gogoi please.

Shri Keshab Chandra Gogoi :— Sir, I beg to move that the Legislative Assembly Members Salaries And Allowances (Amendment) Bill, 1979 be taken into consideration.

Mr. Speaker :— Motion moved. Anybody wants to speak ?

* শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন উৎথাপন কৰাৰ আগতে এই সম্পৰ্কে যি কথা এই সদনত আহিছিল আৰু আলোচিত হৈছিল, সেই আলোচনাত অংশ গ্ৰহণ কৰাৰ সময়ত মই কৈছিলো যে বিধায়ক সকলৰ যি দৰমহা এই দৰমহা যথেষ্ঠ বুলি কব নোৱাৰো।

* Speech not corrected

কিন্তু তাৰ লগে লগে আমি এই কথাও স্বীকাৰ কৰিব লাগিব যে বৰ্ত্তমান দেশত দেখা দিয়া মূল্য বৃদ্ধিৰ লগত তাল মিলাই চলাৰ কাৰণে আমাৰ ৰাজ্যৰ বিভিন্ন পৰ্য্যায়ৰ চাকৰিয়াল সকলে তেওঁলোকৰ মজুৰী বৃদ্ধিৰ বাবে বিভিন্ন ধৰণে আন্দোলন আদি কৰিব লগীয়া হৈছে। বৰ্ত্তমানো আন্দোলন কৰি আছে। আজি এটা বছৰে জনতা চৰকাৰে সেই সকলৰ সমস্যা সমাধানৰ লক্ষ্যণীয় কোনো কাম কৰা আমি দেখা নাই। এই অৱস্থাত আমি জনসাধাৰণৰ কল্যাণ সাধনৰ পৰা আঁতৰি আহি ৰাইজক দিয়া যি অধিকাৰ সেই অধিকাৰ কেৱল আমাৰ স্বাৰ্থৰ সাপেক্ষে ব্যৱহাৰ কৰিবলৈ যোৱাত আমি একমত হ'ব পৰা নাই। সেই কাৰণেই মাননীয় অধ্যক্ষ মহোদয়, মই বিলখনৰ বিৰোধিতা কৰিছো।

* শ্ৰীবীৰেন চৌধুৰী :— মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাৰ সদস্য সকলে চেলাৰীৰ সংক্ৰান্তত বহুতো আলোচনা বিলোচনা কৰিছে। কিন্তু আজি যিখন বিল আহিছে, তাক মই বিৰোধীতা কৰিছো। আৰু আগতে বিৰোধী পক্ষৰ লিডাৰ এগৰাকীৰ যেতিয়া চেলাৰী বিল আহিছিল তেতিয়াও বিৰোধীতা কৰিছিলো। আজি বিধান সভাৰ সদস্য সকলে যিখিনি দৰমহা বা এলাউন্স বৃদ্ধি কৰাৰ কাৰণে কিছুমান যুক্তি আগ বঢ়াইছে, তাৰ লগত মতামত ৰাখি মই স্বীকাৰ কৰো যে সদস্য সকলে আজি যি দৰমহা পায় যিখিনি এলাউন্স পায় সেই খিনিৰে তেখেত সকলৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত আৰু তেওঁলোকৰ জীৱন-যাপন কৰাৰ ক্ষেত্ৰত যথেষ্ট নহয় সেইটোও মই স্বীকাৰ কৰো। কিন্তু অধ্যক্ষ ডাঙৰীয়া আমি আজি যি পৰিস্থিতিৰ মাজত এই বিলখন আনিছো ইয়াত আমাৰ শাসক শ্ৰেণীৰ ফালৰ পৰা কোৱা হৈছে যে স্কুলৰ শিক্ষক সকলে তেওঁলোকৰ দৰমহা বা দি এ, বৃদ্ধিৰ কাৰণে চৰকাৰী কৰ্ম্মচাৰী সকলে আন্দোলন কৰিছে

* Speech not corrected

আৰু আগতেও কৰিছিল তেতিয়া চৰকাৰৰ ফালৰ পৰা কৈছিল যে যি সকলে সংগঠিত ভাবে আন্দোলন কৰি আহিছে সেই সকলৰ কথা শুনি দাবী পূৰণ কৰিবলৈ বিচাৰিছো আমি তেতিয়া সেই সময়ত দাবী পূৰণ কৰাৰ কাৰণে আমি চৰকাৰৰ ওচৰলৈ আহিছিলো তেতিয়া মাননীয় মন্ত্ৰী এগৰাকী বৰুৱা ডাঙৰীয়াই কৈছিল যে যি সকলে আজি গাৱেঁ ভূঞে ঘুৰি-ফুৰি নানা কষ্টৰে ভিক্ষা কৰি দিন কটাইছে সেই সকলৰ কথাহে আমি শুনিবলৈ আহিছো, চাকৰিয়াল সকলৰ নহয়।

অধ্যক্ষ মহোদয়, আজি যদি মুল্যসূচীৰ ভিত্তিত চৰকাৰী কৰ্ম্মচাৰী সকলক দৰমহা আৰু বানচ দিলেহেঁতেন তেনেহলে আমি এই বিলৰ বিৰোধিতা নকৰিলোহেঁতেন। চৰকাৰী চাকৰীয়াল সকলক মুল্যসূচীৰ ভিত্তিত যেতিয়া বানচ আদি দিয়াৰ কথা কওঁ তেতিয়া চৰকাৰ পক্ষৰ পৰা কোৱা হৈছিল যে এইটো কৰিবলৈ গলে আমাৰ দুখীয়া জনসাধাৰণৰ ওপৰত কৰ বৃদ্ধি হব আৰু তাৰ কাৰণেই তেওঁলোকক এই বানচ দিব পৰা নহব। অধ্যক্ষ মহোদয়, মই এই কথাষাৰ কবলৈ বিচাৰিছো যে আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়া আৰু বিধান সভাৰ বিভিন্ন সদস্যৰ যুক্তিৰ ওপৰত ভিত্তি কৰিয়েই কৈছো যে এই বিধান সভাত যিসকলে নিজৰ কথা কোৱাৰ সুবিধা পাইছে সেই সকলে বিধান সভাত নিজৰ অভাৱ অভিযোগৰ কথা কৈ তেওঁলোকৰ সমস্যা সমাধান কৰাৰ ব্যৱস্থা কৰি লৈছে। এইটো কৰিলে আমাৰ দুখীয়া জনসাধাৰণক বঞ্চিত কৰা হব। যদি চৰকাৰী কৰ্ম্মচাৰী আৰু শিক্ষক সকলক তেওঁলোকৰ দৰমহা বঢ়াই দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিলেহেঁতেন তেতিয়াহলে আমি মাননীয় সদস্য সকলৰ দৰমহা বৃদ্ধি কৰাত কোনো ধৰণৰ আপত্তি নকৰিলোহেঁতেন। মূল্য বৃদ্ধিৰ হাৰত আৰু কেন্দ্ৰীয় চৰকাৰৰ হাৰত যদি বানচ আদি আমাৰ এই কৰ্ম্মচাৰী সকলক দিলেহেঁতেন আৰু আমি যেতিয়া আমাৰ নিবনুৱা লোক সকলৰ কাৰণে মাত্ৰ ৫০ টকাকৈ নিবনুৱা ভাট্টা দিয়াৰ কথা উত্থাপন কৰিছিলো, সেইটো যদি চৰকাৰে

মানি ললেহেঁতেন তেনেহলে আজি এই বিলৰ বিৰোধিতা নকৰিলোহেঁতেন। আজি আমি আমাৰ নিজৰ অভাৱ অভিযোগবোৰ দূৰ কৰাৰ কাৰণে চিন্তা কৰিছো। আৰু তাৰ বাবে আজি লৰালৰিকৈ এই বিলখন বিধান সভাত পাচ কৰিবলৈ ওলাইছো। কিন্তু ইয়াৰ দ্বাৰা আমি আমাৰ জনসাধাৰণৰ আশা আকাংক্ষাক প্ৰতাৰণা কৰা হব আৰু জনসাধাৰণক বিশ্বাসঘাটকতা কৰা হব। সেই কাৰণেই মই এই বিলৰ বিৰোধিতা কৰিছো।

* শ্ৰীঅতুল গোস্বামী :— অধ্যক্ষ মহোদয়, এই বিলখন আজি আমাৰ সন্মুখত আছে। সেয়ে আমি এই বিষয়ে দুটা কথা ভাবিব লাগিব এটা কথা হল Provided that the Membsrs if so desires the fixed travelling allowances and pay be revised under this Act. আমাৰ যিসকল সদস্যই বিচাৰে তেওঁলোকে সেইটো 'ফৰগো' কৰিব পাৰে। কিন্তু বাস্তৱত উপেক্ষা কৰা অলপ টান কথা। আমাৰ সমগ্ৰ ৰাজ্যৰ চৰকাৰী কৰ্ম্মচাৰী সকলৰ কাৰণে বাজেটত ১০১'২ শতকৰা দিয়া হৈছে। সেইটো খুব বেচি হৈছে বুলি মই নকওঁ। এওঁলোকক সময়ে সময়ে মূল্য সূচীৰ ওপৰত লক্ষ্য ৰাখি বানচ আদি বঢ়াই দিয়া হৈছে। কিন্তু ১৯৬৭ চনৰ পৰাই এম, এল, এ সকলৰ ভ্ৰমণ বানচ বা বনাচ আদি বঢ়োৱা হোৱা নাই। দুশ টকাৰে এজন এম, এল, এই এটা সমষ্টিৰ ৰাইজৰ অভাৱ-অভিযোগ কেনেকৈ লক্ষ্য কৰিব পাৰে সেইটো হলে মই নাজানো। আমাৰ নগাওঁৰে দুটা সমষ্টিৰ কথা মই ভালকৈ কব পাৰো তাৰে এটা সমষ্টি হল আমাৰ মাননীয় সদস্য শ্ৰীমিশ্ৰ ডওৰীয়াৰ, যিটো সমষ্টিলৈ আজিও গৰু গাড়ী বা ঘোৰা গাড়ীৰে যাব লাগে। সেই সমষ্টিটোলৈ আমাৰ সদস্য গৰাকী গৰু গাড়ী বা ঘোৰা গাড়ীৰে যাব লগা হয়। ঠিক তেনে-

* Speech not corrected

কুৱা এটা অৱস্থা মোৰ নিজৰ সমষ্টিটো ঘটিছে। তেতিয়াহলে ১২০ টকাৰে টেক্সি ভাড়া কৰিব লগা হয়। গতিকে মই কব খোজো যে দৰমহা বা বানচ আদি বঢ়োৱাৰ ক্ষেত্ৰত নিশ্চয় আমাৰ মনলৈ ভাব আহিব পাৰে যে আমি অন্যায় কৰিছো নেকি ? কিন্তু সুস্থ ভাবে দায়িত্ব পালন কৰিবলৈ হলে আমি ভাবিব লাগিব যে সেইটো নিশ্চয় অন্যায় হোৱা নাই আৰু চৰকাৰী কৰ্ম্মচাৰী সকলকো বঞ্চিত কৰি নিজৰ কাৰণে ভগা হোৱা নাই। সেই কাৰণে মই কওঁ যিসকল সদস্যৰ অন্যান্য ব্যৱসায় আদি আছে, কাৰোবাৰ হয়তো ওকালতি আছে, কাৰোবাৰ হয়তো ঘৰুৱা অৱস্থা ভাল 40 বিঘালৈকে মাটি আছে, কাৰোবাৰ হয়তো হলাৰ-চলাৰ আদিও আছে কিন্তু যি সকলৰ একোৱেই নাই তেওঁলোকে বানচ আদি বঢ়োৱাত বিৰোধিতা কৰিলে নিজকে আত্ম প্ৰৱঞ্চনা কৰা হব। আমি যদি সুস্থিৰ ভাৱে ৰাইজৰ কাম কৰিব লাগে তেনেহলে অন্তত: ফুৰা-চকা কৰাৰ কাৰণে কাৰো ওচৰত হাত নপতাকৈ বা চাঁন্দা নোলোৱাকৈ কাম কৰাৰ সুবিধা দিয়া উচিত। এই কাৰণেই এই বিলখন আনাটো ভাল হৈছে বুলি ভাবিছো। ইয়াৰ কাৰণে হয়তো বাহিৰত কিছু প্ৰতিক্ৰিয়াৰ সৃষ্টি হব এম, এল,এ সকলে দৰমহা বঢ়াই লৈছে বুলি আৰু এনে ধৰণৰ প্ৰতিক্ৰিয়াটো হৈয়েই থাকে। কিন্তু যিসকল সুস্থিৰ ভাবে চিন্তা কৰিব পৰা লোক তেওঁলোকে নিশ্চয় এইটো অন্যায় বুলি নাভাবে বুলি মোৰ দৃঢ় বিশ্বাস আৰু এই বিশ্বাস ৰাখিয়েই এই বিলখন সমৰ্থণ কৰিছো।

* বীরেশ মিশ্র :— মাননীয় অধ্যক্ষ মহোদয়, আজ আমাদের বিত্তমন্ত্রী মহোদয় এই সদনের সদস্যদের বেতন ও ভাতা বৃদ্ধির জন্য যে বিল উৎথাপন করেছেন আমি তার সম্পুর্ণ বিরোধীতা করছি। মাত্র সপ্তাহ খানেক আগে আমরা এই সদনে চলতি বছরের জন্য অর্থাৎ

* Speech not corrected

১৯৭৯-৮০ সালের জন্য বাজেট পাশ করে দিয়েছি। আমি এই কথা মনে করিনা যে আমাদের বিত্তমন্ত্রী মহাশয়ের স্মরন শক্তি এতো কম যে এই বিল উৎথাপন করার সময় তিনি সে সব কথা ভুলে গিয়েছেন। একথা ভাবার কোনোও স্থল নাই। কিন্তু তবুও আমি এই সদনের সামনে এই বাজেটের কয়েকটা দিক তুলে ধরছি।

প্রথমত: আমরা এবারকার বাজেটে ঘাটতি দেখিয়েছি ৪৭ কোটী ৫৯ লক্ষ টাকার ঘাটতি। আমাদের রাজ্যের জনসাধারনের মাথাপিছু আয় কত এ নিয়ে এই সদনে বহু আলোচনা হয়েছে আমি এ দিক দিয়ে আর কোন আলোচনা করতে চাই না। আমি শুধু এ কথা বলতে চাই যে আজ যখন সর্বভারতীয় গড় হিসাবে পার কেপিট্যাল ইন্‌কাম (বাৎসরিক আয়) ৯৩৫ টাকা তখন আমাদের এই রাজ্যে মাত্র ৭৯১ টাকা। আর পাঞ্জাবে দেড় হাজার টাকারও বেশী পার কেপিটা ইনকাম্। আর আমরা এই সদনে আলোচনা করেছি যে এ বৎসর আমাদের দেশ এবং সারা পৃথিবীর অন্যান্য দেশ যখন শিশুদের কল্যানের জন্য আন্ত-র্জাতিক শিশু বৎসর পালন করতে কোটী কোটী টাকা বরাদ্দ করেছে তখন আমাদের রাজ্যে আর্থিক দুর্গতির জন্য আমরা মাত্র ৪ লক্ষ টাকা বরাদ্দ করতে পেরেছি। যখন সারা প্রাথমিক শিক্ষার জন্য (যা নিয়ে এই সদনে তুমুল বাক্ বিতণ্ডাও হয়েছে) বাজেটে বেশী করে অর্থ বরাদ্দ করা হয়েছে তখন এই বাজেটের পাতা খুলে আমরা দেখতে পাই যে গত বছর এই খাতে আমরা যে টাকা ধরেছিলাম, এবারকার বাজেটে তার চেয়ে ১ কোটী টাকা কম বরাদ্দ করতে পেরেছি। স্বাস্থ্য বিভাগেও একই অবস্থা। যেখানে গ্রামাঞ্চলে এক ফোঁটা ঔষধ পৌছে দেওয়া যাচ্ছে না, প্রাথমিক স্বাস্থ্য কেন্দ্রগুলির দরজা ভেঙ্গে পরে যাচ্ছে মেরামতির অভাবে, ডাক্তার নার্সের ব্যবস্থা করতে পারছি না, তাছাড়া তাদের অনেকের বেতনের সঠিক কোন ব্যবস্থাও নাই, প্রমোশনের ব্যবস্থা করতে পারছি

না আর এই ব্যাপারে বাজেটে কয়েক কোটী টাকা বাড়ানো হলেও তা যে আমাদের মুক জন সাধারনের কাছে পৌছাবে এই ভরসা আমাদের মন্ত্রী মহোদয়ও দিতে পারেন নি। অন্যদিকে এবারকার কেন্দ্রীয় বাজেট পাশ হওয়ার পর জনসাধারনের উপর যে ধাক্কা লেগেছে তার ফলে গ্রামের এবং শহরের মানুষকে এই পর্যায়ে এনে ফেলেছেন যে তা আমরা এই কেন্দ্রীয় বাজেটের দেড় হাজার কোটী টাকার উপরে ঘাটতির সংখ্যা দেখে ধারনা করতে পারি। আর এই বোঝা নিয়ে আগামী দিনে আমাদের জনসাধারনের অবস্থা কোথায় গিয়ে দাড়াবে সেটা এবারে চিন্তা করে অনেকেই শিউরে উঠেছেন। তাছাড়া জনসাধারনের উপর যে সেল ট্যাক্স'র বোঝা চাপানো হয়েছে তার কথাও ভেবে দেখুন ১৯৭৩-৭৪ ইংতে যেখানে এই সেল টেক্সের পরিমান ছিল ১৬ কোটী ১৮ লক্ষ টাকা আজ বাজেটে সেটা দ্বিগুন বেড়ে গেছে। ৩২ কোটী ৮৮ লক্ষ টাকা হয়েছে। আমি কতকগুলি সংখ্যা এবারকার বাজেট থেকে তুলে ধরছি, কারন এই অবস্থার পরিপ্রেক্ষিতে আমরা যদি এই বিলটিকে সমর্থন করি তাহলে এই মুক জনসাধারনের কাছে আমরা কি বলে কৈফিয়ত দেব? একথা আমি জানি যে অনেক দুঃখ কষ্টের ভিতর দিয়ে আমাদের সদস্যদের চলতে হচ্ছে। অনেকে হয়ত সৌভাগ্যবান এখানে রয়েছেন কিন্তু ব্যক্তিগত সৌভাগ্য দুর্ভাগ্যের প্রশ্ন এখানে নয়। আর, এই বিল'র মধ্যে একটা প্রভিশন রয়েছে যে ৪০০ টাকা এলাউন্স যারা ইচ্ছা করেন তারা ফর্গো করতে পারেন। এতে কত টাকা আয় হবে আমি জানি না, তবে এই অবস্থায় যারা অতি বদান্য ব্যক্তি তারা হয়ত ফর্গো করবেন। কিন্তু বাকী যারা রয়েছেন, যারা এই বিল'র সমর্থন করছেন তাদের সংখ্যা নিশ্চয়ই অভার হোয়েল্‌মিং। আর এই ফর্গো করার ভিতর দিয়ে এই সদনের মুল আমরা উজ্জল করতে পারব না। যদিও টাকা এখানে বড় কথা নয়। কারন টোটাল ফিনান্সিয়েল ইন্-

ভলবমেণ্ট মাত্র ৭ লক্ষ টাকার মতো হবে বছরে। ৫-১ লক্ষ টাকা। কিন্তু অধ্যক্ষ মহোদয়, সামগ্রিক অর্থনৈতিক অবস্থার পরিপ্রেক্ষিতে আমাদের বিত্তমন্ত্রী মহোদয় এই যে বিল এনেছেন আমি তাকে বলব তার প্রচুর সাহস আছে। কারন আমার মনে আছে এই মেডিকেল কলেজের ব্যাপারে কমিটিতে কাজ করতে গিয়ে আমরা ৫ জন সদস্য যখন এই গৌহাটী মেডিকেল কলেজে গিয়েছিলাম তখন সেখানকার পি জি ছেলেরা ধর্মঘট করতে বসেছিল। আমরা যখন তাদেরে বললাম যে আমাদের রাজ্যের এই অর্থনৈতিক দুরবস্থায় তোমরা যে ২০০ টাকা করে পাচ্ছ তার বেশী দাবী করলে অন্যদের অবস্থা কি হবে? তখন তারা আমাদের মুখের উপর বলেছিল যে আপনারা তো বেতন বাড়িয়ে ১০০০ টাকা করেছেন? তখনও এই বিল পাশ হয় নি। তারা জানতো না যে এটা বে-সরকারী প্রস্তাব ছিল। সুতরাং এভাবে আমাদের তখন থেকেই কথা শুনতে হয়েছে। যেখানেই গিয়েছি, সেখানেই বঞ্চিত মানুষের মুখে আমাদের এ নিয়ে কথা শুনতে হয়েছে। আপনারা ভাগ্যবান। তবে আপনাদেরও অনেকে শুনেছে। মানুষের মনের কথাকে আপনারা চেপে রাখতে পারবেন না।

মহোদয়, তাছাড়া এই বিলের উপর বহু সদস্য বিশেষতঃ মাননীয় সদস্য শ্রীগোস্বামী মহাশয় তাদের বক্তব্য রাখতে গিয়ে অন্যান্য রাজ্যের কথা অবতারনা করেছেন। আমি বলতে চাই যে অন্যান্য রাজ্যে এই ব্যবস্থা আছে যে সদস্যগণ যাতে তাদের কনষ্টিটুয়েন্সি'র সঙ্গে সব সময় যোগাযোগ রাখতে পারেন তার জন্য ফ্রি রেলওয়ে পাশ, ষ্টেট বাসের ফ্রি পাশ দেওয়ার ব্যবস্থা আছে। এই ব্যবস্থা চালু করলে অন্ততঃ আমরা সদস্যগণ আমাদের সমষ্টিতে ব্যাপক ভাবে ভ্রমণ করার সুযোগ পাব। সুতরাং তা না করে এই মুহূর্তে জনসাধারনের চোখের সামনে যখন রাজ্যের অন্ধকারাচ্ছন্ন অর্থনৈতিক অবস্থা বিরাজ করছে তার মধ্যে

এই বিলকে আমরা বিরোধিতা করতে বাধ্য হচ্ছি। আর, এই বিল অনার যে কোনো যুক্তি সংগত কারন নাই তা আমি বলছি না। কিন্তু অত্যন্ত ইন এপ্রপ্রিয়েট সময়ে এই বিল উৎথাপন করা হয়েছে। সুতরাং নীতিগত ভাবে আমরা এই বিলের বিরোধিতা না করে পারি না। সুতরাং এই বলে আমি আমার বক্তব্য শেষ করছি।

শ্রীশান্তি রঞ্জন দাস গুপ্ত :— মাননীয় অধ্যক্ষ মহোদয়, সদস্য গণের বেতন এবং ভ্রমন ভাতা বর্ধিত করার জন্য যে বিল এই সদনে আনা হয়েছে আমি তাকে সমর্থন করছি। সি পি এম দলের মাননীয় সদস্য গণ এই বিলের বিরোধিতা করে কয়েকটি যুক্তির অবতারনা করেছেন। অবশ্য যুক্তির দিক দিয়ে তার মধ্যে কিছু সত্য নিহিত আছে। কিন্তু বিগত নভেম্বর ডিচেম্বরের অধিবেশনে যেহেতু এই ব্যাপারে একটি বে সরকারী প্রস্তাব পাশ হয়ে গিয়েছে সে হেতু সরকারের পক্ষে সদনের সেই নির্দ্দেশ অমান্য করার কোন যুক্তি যুক্ত কারণ থাকতে পারে না। আর অর্থের দিক দিয়ে আসাম সরকারের বাজেটের কথা আমার বন্ধু মাননীয় সদস্য শ্রীবীরেশ মিশ্র মহাশয় আজ এই সদনে তুলে ধরেছেন। ৪৭ কোটি টাকার ঘাটতি বাজেটের কথা তিনি এখানে তুলেছেন। কিন্তু এই ব্যাপারে মাত্র ৩ লক্ষ ১৮ হাজার টাকা সদস্যদের বেতন বাবদ অধিক খরচ হবে। আর বেতন ও ভাতা এই দু'টো মিলিয়ে অতিরিক্ত খরছ হবে ৫ লক্ষ ৭২ হাজার টাকা। সুতরাং টাকার দিক দিয়ে এই বিলের উপর সরকারকে সমালোচনা করলে এটা ঠিক হবে না। কিন্তু মানবতার খাতিরে যদি বলা হয় যে, যেহেতু শতকরা ৭৪ ভাগ মানুষ আমাদের দেশে দরিদ্র সীমারেখার নীচে বাস করেছে সেই অবস্থায় তাদের কথা না ভেবে যদি আমরা আমাদের নিজেদের কথা ভাবি তাহলে সেটা অবশ্য এটা স্বতন্ত্র যুক্তি।

* Speech not corrected

কিন্তু আমরা এই অবস্থায় যদি এই বিলটিকে সমর্থন না করি তাহলেই যে আমরা সমস্ত জনসাধারনের সমব্যথায় ব্যাথি এ কথা কি সকলে স্বীকার করে নেবেন? জনমতের মধ্যে বিভিন্ন রকমের জনমত রয়েছে, বিভিন্ন ধরণের চিন্তাধারা রয়েছে, বিভিন্ন রকমের মনোভাব রয়েছে। কেউ কেউ বলবেন বিধান সভার সদস্যগণ যদি তাদের চলাবার মতো অর্থ পান তাহলে হয়ত দুর্নীতির হাত থেকে নিজেদের রক্ষা করতে পারবেন। এ ছড়া, এখানে অনেক মাননীয় সদস্যগণও রয়েছেন যারা নানা রকমের সুবিধা ভোগ করেন না। অনেকেই যেমন চিকিৎসার সুযোগ টুকুও গ্রহণ করেন না। এই রকম অনেক সদস্য রয়েছেন। কাজেই, এই বিল পাশ হলেই যে এই সদনের সকল সদস্যই আসামের ১ কোটি ৬০ লক্ষ জনসাধারনের কাছে ছোট হয়ে যাবেন এমন কোন কথা হতে পারে না। আসল কথা হলো যে কি মনোভাব নিয়ে সদস্যগণ চালিত হবেন। কি মনোভাব নিয়ে জনসাধারনের দুঃখের কথা, ব্যথার কথা নিজের অন্তর দিয়ে সমর্থন করবেন। মানুষের দুঃখ কষ্টকে কতটা অন্তর দিয়ে গ্রহণ করতে পারেন, তার লাঘবের জন্য কে কতখানি চেষ্টা করেন সেটাই হলো বড় কথা। নতুবা যে শতকরা ৭৫ ভাগ মানুষ যারা দারিদ্র সীমারেখার নীচে রয়েছে যাদের মাথার উপর হয়ত ছাউনি নেই, রাস্তায় মুক্ত আকাশের নীচে রাত্রি যাপন করছে আমরা তো কেউই তাদের মতো মুক্ত আকাশের নীচে রাত্রি যাপন করিনা? আমরাতো সবাই দিছপুরের কোয়ার্টারে থাকি? আমরাতো তাদের মতো রেলওয়ে ষ্টেশনে আশ্রয় নিয়ে তাদের সম ব্যথায় ব্যাথী হয়ে থাকার জন্য কোন চেষ্টা করি না? সুতরাং মানুষের প্রত্যেক স্তরে চলার কতগুলি রাষ্টা আছে সেটা স্বীকার করতেই হবে আমাদের ভারতবর্ষের প্রেসিডেন্ট ও রাষ্ট্রপতি ভবনে না থাকার জন্য প্রেস-এ ঘোষানা করেছিলেন। কিন্তু দেখা গেল যে সেটা পারা যায় না।

( গোলমাল )

অধ্যক্ষ মহোদয়, মানুষের ব্যাথা আমরা রাজনৈতিক যুক্তি দিয়ে বুজি না। আমরা অন্তর দিয়ে বুঝাতে চেষ্টা করি। মানবতা দিয়ে বুঝাতে চেষ্টা করি। তারমধ্যে সব কিছুই যুক্তি দিয়ে সমাধান করা যায় না। সুতরাং এখানেও যুক্তির অবতারনা করা ঠিক হবে না। এই সদনের একটি প্রস্তাবকে আইনের রূপ দিয়ে গ্রহণ করা হচ্ছে। প্রস্তাব যখন সদন পাশ করেছে তখন তাকে আইনের রূপ দেওয়ার জন্য বিল সরকারকে আনতেই হবে। আশা করি এই অবস্থার পরিপ্রেক্ষিতে মাননীয় সদস্যগণ এটা ভেবে দেখবেন যে যুক্তি দুই দিকেই আছে। কোন দিকেই যুক্তির অভাব নাই। সুতরাং তারা যেন এই বিলটিকে গ্রহন করেন। এই বলেই আমি আমার বক্তব্য শেষ করছি।

শ্রীনবেন দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত সদস্য সকলৰ দৰ্মহা আৰু ভাত্তা সম্পৰ্কে যিখন বিল উত্থাপিত হৈছে সেই বিলখন সম্পৰ্কে মাননীয় সদস্য সকলে যিমানেই যুক্তি প্ৰদৰ্শন নকৰক কিয় আজি আমাৰ ৰাজ্যখনৰ শতকৰা ৭০ ভাগ লোক দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰে। অসমৰ ক্ষেত্ৰত, যোৱাবাৰ বিধান সভাৰ মজিয়াত মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে অসমৰ শতকৰা ৭৭ ভাগ মানুহ দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰে। সৰ্বভাৰতীয় ক্ষেত্ৰত যাৰ মাহিলী আয় ৮০ টকা তেওঁলোকক দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা বুলি কোৱা হয়। অসমৰ ক্ষেত্ৰত যিহেতু বস্তুৰ মূল্যমান বেচি সেই ক্ষেত্ৰত যাৰ মাহিলী আয় ৪৮'০০ টকা তেওঁক দৰিদ্ৰ সীমা ৰেখাৰ তলত বুলি কোৱা হব। কিন্তু এই দৰিদ্ৰ দেশ খনৰ জনসাধাৰণৰ সুবিধাৰ কাৰণে চৰকাৰে কোনো বিশেষ ভূমিকা গ্ৰহণ কৰিব পৰা নাই। কোনো ক্ষেত্ৰতেই কৰা নাই। কি শিল্প, কি উদ্যোগ, কি শিক্ষা, কি জলসিঞ্চন

বিভাগ বা চাকৰি বাকৰি ক্ষেত্ৰত কোনো ভূমিকা লব পৰা নাই। আজি সমগ্ৰ ৰাজ্য জুৰি এল, পি, স্কুল, মাধ্যমিক স্কুল, ফেক্টৰী কৰ্মচাৰী সকল আৰু বিভিন্ন অনুষ্ঠানত লোক সকলে ধৰ্ণা বিক্ষোভ আদি দিবলৈ বাধ্য হৈছে কিন্তু তাৰ কোনো ব্যৱস্থা লব পৰা নাই। এই ক্ষেত্ৰত বিধান সভাৰ মজিয়াত আইন কৰা ক্ষমতা লৈ এই দৰ্মহা বৃদ্ধি আইন পাচ কৰি লৈ আমি জনসাধাৰণৰ সদিচ্ছা পাব নোৱাৰো। দুখীয়া ৰাইজৰ শতকৰা ৮০ জন লোকেই এই দৰ্মহা বৃদ্ধি বিৰোধীতা কৰিব। কিয়নো তেওঁলোকৰ হকে আমি একো কৰিব পৰা নাই। আৰু কব যে নিজৰ দৰমহা বৃদ্ধি কৰি তেওঁলোকে দেশৰ কাম কৰিছে। আমি জনসাধাৰণৰ প্ৰতিনিধি আৰু জনসাধাৰণৰ আশা আকাঙ্খা প্ৰতিফলিত কৰিবলৈ আমি দায়বদ্ধ। গতিকে সদস্য সকলৰ সা-সুবিধাৰ কথা কৈ মাননীয় সদস্যই যিটো উক্তি দাঙি ধৰিছে আৰু মাননীয় সদস্য দাসগুপ্তই যিটো উক্তি দাঙি ধৰিছে সেইটো আচৰিত ধৰণৰ। যি সময়ত আমাৰ গাওঁ বিলাকত শতকৰা ৭৫ ভাগ জনসাধাৰণ দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰিছে, ভগা-ছিগা ঘৰত আছে তেওঁলোকৰ লগত পজা ঘৰত থাকি জনসাধাৰণক সেৱা কৰিব লাগে এইটো এটা অদ্ভুত কথা। তেখেতে কৈছে ৰাজ্যিক কৰ্মচাৰী সকলৰ ফালৰ পৰা এই সকলৰ কথা বিবেচনা কৰা নেযায় সেয়েহে আপোনাৰ জৰিয়তে মহামান্য সদনক কব বিচাৰিছো যে মানবীয়তা আৰু বিভিন্ন দিশৰ পৰা এই ক্ষেত্ৰত যদি দৰমহা বৃদ্ধি আইন পাচ কৰা হয় তেতিয়া হলে তাৰ প্ৰতিফলত একো হব নোৱাৰে। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সপক্ষে আমি যাতে লক্ষ্য ৰাখো তালৈ দৃষ্টি দি এই বিল খন সদনত অহাৰ কাৰণে মত প্ৰকাশ কৰিছো।

* শ্ৰীঅজয় দত্ত :— আমাৰ বিত্ত মন্ত্ৰীয়ে যিখন বিল সদনত দাঙি

* Speech not corrected

ধৰিছে সেইখন গনতন্ত্ৰ সমৰ্থন কৰা কাৰণে আনিছে। বিৰোধী পক্ষৰ পৰাও এইটো আহিছিল আৰু বিৰোধী পক্ষ সকলো সদস্যই সমৰ্থন জনাইছে। গতিকে বিলখন গনতান্ত্ৰিক। আৰু ই অস্বাভাবিক নহয়। পশ্চিম বংগত এম, এল, এ দৰমহা ইয়াতকৈ বেচি।

শ্ৰীনবেন দত্ত :— পশ্চিম বঙ্গত দৰমহা আটাইতকৈ কম।

* শ্ৰীঅজয় দত্ত :— আজি পশ্চিম বংগ চৰকাৰে তাৰ এম,এল, এ সকলৰ কাৰণে কেইবাহাজাৰ কিলোমিটাৰ পৰ্য্যন্ত ৰেলৰে ফ্ৰি পাছ দিয়ে।

( গণ্ডগোল )

অৱশ্যে এই সুবিধা অন্যান্য ৰাজ্যতো ভোগ কৰি আছে। কিন্তু আমাৰ ৰাজ্যৰ প্ৰতিনিধি সকলৰ কাৰণে যি ফিক্সড টি, এ, ৰ বাবে ৩৫০ টকা ধৰি দিয়া হৈছে তাৰ দ্বাৰা সদস্যজনে ৰাইজৰ কাৰণে যে যথেষ্ট কাম কৰিব পাৰে সেইটো ভাবিবলগীয়া। আজি আমাৰ কিছুমান সদস্যৰ বেলেগে অৰ্থোপাৰ্জনৰ পথ থাকিব পাৰে। সেই ক্ষেত্ৰত তেওঁ-লোকৰ কথা অলপ বেলেগ ধৰণৰ। কিন্তু প্ৰকৃততে যদি আমাৰ মাননীয় সদস্য সকলে ৰাইজৰ কাম কৰিব লগা হয় তেনেহলে তেওঁলোকে পাব লগা যিখিনি সুবিধা সেইখিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ কাৰণেই আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই এই বিলখন আজি সদনত উৎথা-পন কৰা হৈছে। এইখন অতি বাস্তৱ বিল বুলি ভাবো আৰু এখন গ্ৰহণযোগ্য বিল বুলি সমৰ্থণ কৰিছো।

* শ্ৰীনজমুল হক :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ বিধায়ক সকলৰ দৰমহা আৰু বানচৰ ওপৰত যিখন বিল অনিছে

* Speech not corrected

তাৰ ওপৰত আজি সদনৰ ভালেমান সদস্যই আলোচনা কৰিছে। আগতেও এই বিলখন ৰিগ্ৰিউলেশ্যন হিচাবে আহিছিল। তেতিয়াও আমি ইয়াৰ বিৰোধিতা কৰিছিলো আৰু আজি আকৌ এইখন বিল হিচাবে আহিছে। এইখন আমি আজি আৰু বেচিকৈ বিৰোধিতা কৰিছো। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিভিন্ন সদস্যই বিভিন্ন যুক্তি ডাঙি ধৰিছে। এই দৰমহাবে আমাৰ সদস্য সকলে সমষ্টিৰ মাজত বা ৰাজ্যৰ মাজত ফুৰা-চকা কৰি কাম কৰিবলৈ কঠিন হোৱাৰ কাৰণেই দৰমহা বৃদ্ধি কৰিব লাগে বুলি কৈছে। কিন্তু মই কব খোজো যে বস্তু বাহানীৰ দাম বৃদ্ধি হৈছে সচা কিন্তু এই বস্তু বাহানীৰ দামৰ লগতে চৰকাৰী কৰ্মচাৰী সকলৰ বানচ আদিও দ্ৰুত গতিত বাঢ়ি আহিছে। আজি কিছুমান বিভাগত এনে অৱস্থাও হৈছে যে তেওঁলোকৰ মূল দৰমহাকো চেৰাই গৈ বানচ বৃদ্ধি হৈছে। আগৰ ৩১ বছৰীয়া কংগ্ৰেছ চৰকাৰ আৰু আমি এবছৰে জনতা চৰকাৰে ভাৰতবৰ্ষত তথা অসম ৰাজ্যত বস্তুৰ মূল্য বৃদ্ধি নিয়ন্ত্ৰন কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। মাথোন ব্যৰ্থ হোৱাই নহয় মূল্য সূচী স্থিৰ গতিত ৰাখিব পৰা নাই। আজি ভাৰতবৰ্ষৰ বিশাল বিশাল শিল্পপতি আৰু পুজিপতিৰ নিৰ্দেশমতে এই চৰকাৰ আগবঢ়াৰ ফলত এই চৰকাৰে মূল্য বৃদ্ধি ৰোধ কৰিব পৰা নাই। আজি যদি, এই বস্তু বাহানীৰ দাম তললৈ আনিব পাৰিলেহেতেন তেনেহলে নিশ্চয় কৰ্মচাৰী সকলৰ বানচৰ প্ৰশ্ন নুঠিলহেতেন। কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ ক্ষমতা নাই, কাৰণ পুজিপতি সকলৰ হাততেই তেওঁলোক চলি আছে। আজি আমাৰ দেশৰ দুখীয়া জনসাধাৰণ দৰিদ্ৰ সীমা-ৰেখাৰ তলত পৰি থাকিব লগা হোৱাৰ কাৰণেই বৰ দুখেৰে সৈতে কব লগা হৈছে যে বিধান সভাৰ সংখ্যাগৰিষ্ঠ সদস্যই যদি আজি এই বিলখন পাচ কৰে তেনেহলে পিচলৈ এইখনেই গৈ আইনত পৰিণত হব। এইখিনিতে মই আন এষাৰ কথা কব খুজিছো যে এই বিধান সভাৰ প্ৰতিনিধি সকলে যিঁধৰণে দেশৰ কাৰণে, জাতিৰ কাৰণে নিজৰ জীৱন বিপন্ন কৰিব পাৰে

তেনেকৈ আমাৰ চৰকাৰী কৰ্ম্মচাৰী সকলে সেইটো কৰিব নোৱাৰে।

শ্ৰীঅজয় দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি যাৰ কথা কৈছে তাত মই এক মত হব পৰা নাই। কিয়নো আমি যেনেকৈ সমাজ কৰ্ম্মী সেইদৰে চৰকাৰী কৰ্ম্মচাৰী সকলো সমাজ-কৰ্ম্মীয়েই।

শ্ৰীনজমুল হক :— এইখিনিতে মই আৰু এখোজ আগবাঢ়ি গৈ কব বিচাৰিছো যে আমাৰ যি সকল জোৱান আছে তেওঁলোকে সীমান্তত যুদ্ধ কৰি নিজৰ জীৱন বিপন্ন কৰিছে আৰু বৃটিছৰ হাতৰ পৰা দেশক ৰক্ষা কৰিছিল তেতিয়া তেওঁলোকে বেতনৰ হাৰ বৃদ্ধি কৰিব বিচাৰিছিল নেকি? তেওঁলোকে জীৱনৰ স্বাৰ্থ ত্যাগ কৰি এই সংগ্ৰাম কৰিছিল আৰু আজি আমাৰ মাজতো সেই স্বাৰ্থ ত্যাগ থাকিব লাগিব। অধ্যক্ষ মহোদয়, আজি যিটো অৱস্থা চলি আছে সেই অৱস্থা চলি থাকিবলৈ দিব নোৱাৰি। সেইকাৰণে মই ভাবো এই বিলখন পাছ নকৰি আন এখন বিল অনাৰ কাৰণে চৰকাৰক পৰামৰ্শ দিয়াতো উচিত হব। বাকী ভাৰতৰ কথা চিন্তা নকৰাকৈ অসম ৰাজ্যখনৰ কথা চিন্তা কৰক। আজি খাদ্য সামগ্ৰীৰ দাম ১৯৬২ চনত যি আছিল সেই দামলৈ নমাই আনক। মই জানো যে এই চৰকাৰৰ সেই ক্ষমতা নাই। কাৰণ সেই পুজিপতি সকলে তেওঁলোকক পদাঘাট কৰিব। মই আগতেও কৈ আহিছো যে আমি ইয়াৰ বিকল্প ব্যৱস্থা বিচাৰিছো। ইয়াৰ পৰিবৰ্ত্তে সদস্য সকলক বেলেগ সুবিধা দিয়া উচিত আছিল। তেওঁলোকৰ বেতন বৃদ্ধি নকৰিলে কাম কৰিব নোৱাৰিব আৰু কৰিলেহে কাম কৰিব পাৰিব এইকথা মই বিশ্বাস নকৰো। তেওঁলোকৰ দৰমহা বৃদ্ধিনকৰি ঘুৰা-ফুৰা আদিৰ কাৰণে যান-বাহন আদিত বিনামূলীয়া পাচৰ ব্যৱস্থা কৰিলেহেতেন তেনেহলে এই বিধায়ক সকলৰ দ্বাৰা সমাজৰ বেচি কাম হলহেতেন বুলি মই ভাবো। আজি যদি ১ হাজাৰ টকাৰে

সম্পত্তিৰ কাম আদি নকৰি গুৱাহাটিত ঘৰ, গাড়ী আদি কৰি বহি থকা হয় তেনেহলে ৰাইজৰ একো কাম নহব আৰু সেই আইনে তেওঁক কোনো স্কালৰ পৰাই চুব নোৱাৰিব। ইয়াৰ ফলত সমাজৰ কি কাম হব সেইটো সকলোৱে অনুমান কৰিব পাৰিব। কিছুমান বিধায়কে কৈছে যে এই বিলখনত ইতিমধ্যে এটা প্ৰভিজন আছেই যে যি সদস্যই ইচ্ছা নকৰে তেওঁলোকে এই বৰ্দ্ধিত দৰমহা নলবও পাৰে।

( ভইচ — আপোনাৰ নিজৰ কথাটো কওক )

মই অকলে মোৰ কাৰণে কোৱা নাই, সকলোৰে কাৰণে কৈছো। গতিকে সকলোৱে যদি ত্যাগ স্বীকাৰ কৰিব পাৰে তেনেহলে নিশ্চয় দেশৰ উন্নতি হব। এই বিলখন পাচ হলে জনসাধাৰণৰ মাজত নিশ্চয় বিক্ষোভৰ সৃষ্টি হব। সেইকাৰণে মই এই বিলখনৰ বিৰোধিতা কৰিলো।

* শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন কিয় আনিব লগা হল, এই সদনৰ সদস্য সকলে এই কথা জানে। এই সদনত এটা প্ৰস্তাব পাচ হৈছিল আৰু সেই প্ৰস্তাবত আলোচনাৰ অংশ গ্ৰহণ কৰি মই সদনত এটা আশ্বাস দিছিলো যে সদনে চৰকাৰক যেনে ধৰণে নিৰ্দ্দেশ দিব সেই নিৰ্দ্দেশ আমি মানি লম। এই সদনত যি প্ৰস্তাব গ্ৰহণ হয়, সেই প্ৰস্তাব অনুযায়ী এই বিল মই সদনত উত্থাপন কৰিছো। মাননীয় সদস্য শ্ৰীবিৰেশ মিশ্ৰ ডাঙৰীয়াই কৈছে যে আইন মন্ত্ৰীৰ অশেষ সাহস। মোৰ অকনো সাহস নাই। মই বাধ্য হৈছো সেই কাৰণে বিলখন আনিছো। যদি মই এই বিল উত্থাপন নকৰিলোহেতেন তেনেহলে মই সদনক অবমাননা কৰা হলহেতেন। সেইকাৰণে এই বিলখন উত্থাপন কৰিছো। মই ষ্টেটমেণ্ট অব অবজেক্ট এণ্ড ৰিজিনচ্‌ৰ কথা কৈছো। কোষ্ট অব লিভিং বাইজ হৈছে। তাৰ পৰিপ্ৰেক্ষিতত চৰকাৰী চাকৰিয়ালৰ দৰমহা

* Speech not corrected

কিছু সাল-সলনি ঘটিছে। আজি মাননীয় সদস্য সকলে এই কথা মানি লব যে, এম, এল, এ সকলৰ দৰমহা ১৯৬৯ চনত বৃদ্ধি কৰা হৈছিল। আজি ১০ বছৰে তাত কোনো হাত দিয়া নাই। আপোনালোকে জানে যে ১৯৭৩ চনত পে কমিটি কৰা হৈছিল। এই পে কমিটিৰ অনুমোদন ক্ৰমে চৰকাৰী চাকৰিয়ালৰ দৰমহা বৃদ্ধি হৈছে। পে কমিটিৰ প্ৰাইচ ইন্দেক্স অনুযায়ী মূল্যাংকন কৰি দি,এ বঢ়াই দিয়া হৈছে। ইতিমধ্যে বিভিন্ন চাকৰিয়ালৰ পে-এনামেলিজ দূৰ কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। ডাক্তৰ ইঞ্জিনিয়াৰ সকলৰ দৰমহা বৃদ্ধি হৈছে। এল, পি স্কুলৰ শিক্ষক সকলক তিনিটা কেটেগৰীত দৰমহা ফিক্স কৰা হৈছে। প্ৰাইচ ইন্দেক্স অনুযায়ী দি,এ বঢ়াই দি আছো। ইয়াৰ উপৰিও আপোনালোকে জানে যে পুনৰ পে-কমিটি নিয়োগ কৰা হৈছে। এই কমিটিৰ ৰিপোৰ্ট পোৱাৰ লগে লগে চৰকাৰী চাকৰিয়ালৰ দৰমহা বৃদ্ধি পাব। ১৯৬৯ চনৰ পৰা আজিলৈকে দুবাৰ চৰকাৰী চাকৰীয়ালৰ দৰমহা বৃদ্ধি হ'ল। ইয়াৰ বাহিৰেও প্ৰাইচ ইন্দেক্স বাঢ়ি গলে দি,এ পাব। চৰকাৰী চাকৰিয়াল সকলক চেন্ট্ৰেল দি,এ দিবলৈ বিবেচনা কৰিছো আৰু বাজেটৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত দিব পৰা নহল। আমি চেন্ট্ৰেল দি, এ দিব পৰা হলে সুখী হলোহেতেন। ইয়াৰ উপৰিও পেঞ্চনাৰ সকলৰ কথা বিবেচনা কৰি আছো। কি দিব পৰা যায় নিশ্চয় দিম। মূল্য বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ অৱস্থাৰ যাতে কিছু সকাহ দিব পৰা যায় তাৰ ব্যৱস্থা কৰিছো। ইতিমধ্যে এই বিষয়ত অলপতে ঘোষণা কৰিম। চৰকাৰী চাকৰিয়াল সকলৰ যিখিনি কথা আছে সেইখিনি পে কমিটিত দিম। আমাৰ সদস্য সকলে প্ৰস্তাব মত কৰিছিল আৰু মত প্ৰকাশ কৰিছিল। বহুতো তৰ্ক বিতৰ্কৰ মাজত সদনে প্ৰস্তাবটো গ্ৰহণ কৰিছে। সেই বিলাক কথা আকৌ কবলৈ ইচ্ছা কৰা নাই। সদনৰ যি প্ৰস্তাব আছিল আৰু সদনৰ ইচ্ছা অনুযায়ী এই বিল উত্থাপন কৰা হৈছে। মই ভাবো ই সময়োপযোগী আৰু উচিত

হৈছে। কিয়নো আমাৰ সদস্য সকলৰ নিজৰ থকা মেলা, খোৱা খৰচ, ভ্ৰমন বানচ ইত্যাদিৰ আৱশ্যক আছে। ১৯৬৯ চনৰ পিচত দৰ্মহা বৃদ্ধি হোৱাটো একান্ত প্ৰয়োজন হৈ পৰিছে। সেই সকলো কথা বিবেচনা কৰি আৰু সদনৰ সন্মান ৰক্ষাৰ্থে এই বিল উত্থাপন কৰিছো। মই সদনৰ সকলো সদস্যক অনুৰোধ কৰিব বিচাৰিছো যাতে ইয়াৰ কন্সিদাৰেচনলৈ আনে আৰু বিবেচনা কৰে।

Mr. Speaker :— The question is that the Assam Legislative Assembly Members' Salaries and Allowances ( amendment ) Bill, 1979 be taken into consideration.

The motion is passed.

Now item No. 13 (b). There is one amendment to the bill but there is no amendment to clause 2 of the Bill. So, I put Clause 2. Clause 2 do form part of the bill. Clause 2 forms part of the bill.

Now there is one amendment to Clause 3 of the Bill in the name of Shri Giasuddin Ahmed and 4 others. Will it be moved ?

Shri Giasuddin Ahmed :— Sir, I beg to move that (i) sub-clause (i) of Clause 3 shall be deleted and the subsequent sub-clause (ii) shall be renumbered as sub-clause ( i ).

(ii) after sub-clause (i) so renumbered, a new sub-clause (ii) shall be inserted as follows :—

"(ii) After the existing sub-section (3) of Section 4, the following shall be inserted as sub-clause (4)

(4) Notwithstanding anything contained in sub-section ( 3 ) each member shall be provided with—

(a) two free non-transferable first class passes one for himself and the other for his spouse, if any, which shall entitle him as well as his spouse, if any, to travel at any time by any railway in India provided the aggregate distance so travelled one each pass in any financial year does not exceed eight thousand killometers ; and

(b) one free non-transferable pass which shall entitle him to travel without payment of fare and passenger tax thereon by any public service vehicle of the Assam State Road Transport Corporation."

ছাৰ, ভ্ৰমণ বানচ ২০০ টকাৰ ঠাইত ৪০০ টকাৰ যিটো এমেণ্ডমেণ্ট কৰা হৈছে ইয়াত আমি বেছি লোৱাটো চিন্তা কৰি এই ভ্ৰমণ বানচৰ প্ৰভিজন হোৱাটো পৰিলক্ষিত হৈছে তাৰ সলনি যদি ৰেলওৱে ভ্ৰমণৰ সুবিধাখিনি দিলে বেছি ভাল হলহেঁতেন। আমাৰ অসমৰ ভিতৰতে যদি আসাম ষ্টেট ৰোড ট্ৰেন্সপৰ্ট কৰ্পোৰেচন থাকোতেই বিনা টিকটত ভ্ৰমণ কৰিবলৈ দিয়া হয় তেতিয়াহলে ভ্ৰমণ বানচৰ যিটো উদ্দেশ্য সেইটো সফল হব বুলি মই ভাবিছো সেই কাৰণে মই এই এমেণ্ডমেণ্টটো আনিছো ।

শ্ৰীঅতুল গোস্বামী :— অধ্যক্ষ মহোদয়, মই এই এমেণ্ডমেণ্টটো বিৰোধীতা কৰিছো। কাৰণ অসমত এনেকুৱা কিছুমান ঠাই আছে য'ত আজিও তালৈ বাছ নাযায়। মই উদাহৰণ স্বৰূপে কব বিচাৰিছো যে আমাৰ এই সন্মানিত সদনৰ আটাইতকৈ বয়সষ্ঠ মাননীয় সদস্য শ্ৰীবীৰেশ মিশ্ৰ দেৱেই তেখেতৰ সমষ্টিত গৰু গাড়ীত ফুৰিব লাগে. মাননীয় সদস্য জনে ৪০০ টকা traveling allowance বেছি বুলি কৈছে। তেনেস্থলত ৪০০ টকাৰ T. A. ৰ পৰিবৰ্ত্তে দি বিনা টিকটত ৫ হেজাৰ কিলোমিটাৰলৈ ভ্ৰমণ কৰাটো ৪০০ টকাতকৈ বেছিহে হব। সেইকাৰণে এইটো মাছ বুলি নাখাই জিজি বুলি খোৱা হব। সেই কাৰণে মই এই এমেণ্ডমেণ্টটোৰ বিৰোধীতা কৰিছো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীআহমদ ডাঙৰীয়াই দুটা এমেণ্ডমেণ্ট দিছে। এটা হল ৰেলওৱে ভ্ৰমণৰ পাছ আৰু আনটো হল আসাম ষ্টেট ৰোড ট্ৰেন্সপৰ্টৰ কথা। অসম চৰকাৰে ৰেলওৱেৰ পাছ কেতিয়াও দিব নোৱাৰে। দ্বিতীয়তে ৰেলওৱে ফালৰ পৰা যিটো বিল আহিব সেইটো আমি দিব লাগিব। ইয়াত বহুত অসুবিধা হব পাৰে। গতিকে এতিয়া যিখিনি টকাৰ কথা আহিছে সেইখিনি দিব পাৰিলেও যথেষ্ট হব। সেই কাৰণে আমি তেখেতৰ এমেণ্ডমেণ্টটো গ্ৰহণ কৰিবলৈ টান পাইছো। আমি আশা ৰাখিছো এই ৪০০ টকা যি উদ্দেশ্যে দিয়া হব সেই উদ্দেশ্য সফল হব। সেইকাৰণে মই শ্ৰীআহমদ ডাঙৰীয়াক অনুৰোধ কৰিছো তেখেতে এই এমেণ্ডমেণ্টটোক উইড্ৰ কৰক।

Mr. Speaker : Will you withdraw or press for it ?

Shri Giasuddin Ahmed :— Let it be put, Sir.

Mr. Speaker :— Now, I put Sub clause (i) of

Clause 3 shall be deleted and the subsequent sub-clause (ii) shall be renumbered as sub-clause (i).

(ii) After sub-clause (i) so renumbered, a new sub-clause (ii) shall be inserted as follows :— "(ii) After the existing sub-section (3) of Section 4, the following shall be inserted as sub-clause (4)—(4) Notwithstanding anything contained in sub-section (3) each member shall be provided with (a) two free non transferable first class passes one for himself and the other for his spouse, if any, which shall entitle him as well as his spouse, if any, to travel at any time by any railway in India provided the aggregate distance so travelled on each pass in any financial year does not exceed eight thousand kilometeas ; and (b) one free non-transferable pass which shall entitle him to travel without payment of fare and passenger tax thereon by any public service vehicle of the Assam State Road Transport Corporation."

The amendment is lost

Now, I put clause 3. Clause 3 do form part of the Bill.

Clause 3 forms part of the Bill.

Now, I put clause 1, preamble, enacting formula and short title do form part of the Bill.

Clause 1, preamble, enacting formula and short title form part of the Bill.

Now, item (c)

Shri Keshab Chandra Gogoi :— Mr. Speaker, Sir. I beg to move that the Assam Legislative Assembly Members' Salaries and Allowances (Amendment) Bill, 1979 be passed.

Mr. Speaker :— The question is that the Assam Legislative Assembly Members' Salaries and Allowances (Amendment) Bill, 1979, be passed.

(The House divided)

| | | | |
|---|---|---|---|
| Result of the Division — | Ayes | — | 47 |
| | Noes | — | 10 |
| | Abstained | — | 16 |

The motion is passed. The Bill is passed.

## DISCUSSION UNDER RULE 49

Shri Shamsul Huda :— Mr. Speaker Sir, I beg to raise a discussion under Rule 49 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly on a matter arising out of the answer to Starred Question No. 298 asked by Shri Promode Gogoi on 23rd and 26th March 1979 regarding "allegation

against Commadnants of 4th A. P. Battalion, Haflong"

মাননীয় অধ্যক্ষ মহোদয়, তাৰাংকিত প্ৰশ্নৰ ২৯৮ৰ হাফলং বেটেলিয়ানৰ দূৰ্নীতি সম্পৰ্কে আলোচনা হৈছে। সেই আলোচনা সম্পৰ্কে দেখা গ'ল যে, যদিও তাত গুৰুতৰ অভিযোগ প্ৰশ্নটোত আছে তথাপি চৰকাৰ পক্ষৰ পৰা এইটো এৰাই যোৱাৰ চেষ্টাহে কৰিছে। অভিযোগত দেখা য'য় যে, ৪ৰ্থ এ, পি বেটেলিয়ানত চিপাহি বিলাকক ৰেচন দিব নোৱাৰাৰ কাৰণে নগদ টকা ড্ৰ কৰা হৈছিল, ৰেচন দিবৰ কাৰণে ট্ৰেনৰ ব্যৱস্থা নাছিল দেখি। ৰেচন দিব নোৱাৰি এখন কেন্টিন খোলা হল আৰু সেই কেন্টিনৰ পৰা জোৱান সকলক ৰাম যোগান ধৰা হব বুলি কৈছিল। এই ৰাম বিনা পইচাত যোগান ধৰা নহল। বৰং টকা খিনিও তাত জৰিত থকা বিষয়া সকলে আত্মসাৎ কৰি পেলালে। ইয়াৰ পিচত বিষয়াজন বদলি হৈ যায়। পিচত জছপাল নামৰ মানুহজনে ৰেচন যোগান দিয়াৰ কথা আছিল। কিন্তু যোগান দিব নোৱাৰিলে। পিচত অনুসন্ধান কৰি দেখা গল যে, জছপালক টকাই দিয়া নাছিল। এইদৰে খেলি মেলি হৈছিল। ইয়াৰ পিচত এই সম্পৰ্কে প্ৰচিডিং ড্ৰ কৰা হৈছিল, কিন্তু পিচত দেখা গ'ল যে, ফোচফাচ কৰি, ধামাচাপা দি বন্ধ কৰা হ'ল। এইদৰে টকাও ঘূৰাই নাপালে ফ্ৰি ৰেচনো নাপালে আৰু জোৱান সকলে ৰামো নাপালে। আৰু ৰেচন যোগান ধৰিবৰ কাৰণে ঠিকাদাৰক টকাও দিয়া নহ'ল। এইদৰেই আজি দূৰ্নীতিক প্ৰশ্ৰয় দিয়া হৈছে। গতিকে আপোনাৰ জৰিয়তে তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰিলো যাতে পুনৰ তদন্ত কৰি ইয়াৰ বিহিত ব্যৱস্থা কৰে।

শ্ৰীএ, এন, আক্ৰাম হোচেইন :— অধ্যক্ষ মহোদয়, মাননীয় হুদা চাহাবে যিটো কলে তাতে সংযোগ কৰি মই কেইটামান কথা কব বিচাৰিছো। এই গোটেই বিষয়টো এন্টি কৰাপচন বিভাগে অনুসন্ধান

কৰি দোষীক সাব্যস্ত কৰিলে আৰু বিভাগে প্ৰচিদিংচ ড্ৰ কৰিলে। ফৰ্ট বেটেলিয়ানৰ চাৰ্জত থকা শ্ৰীআৰ, দত্তৰ বিৰুদ্ধে প্ৰচিদিং ড্ৰপ নকৰিবলৈ গৃহ বিপুভাগৰ দেটি চেক্ৰেটৰিয়ে নিৰ্দ্দেশ দিলে। এইটো তদন্ত কিয় উইড্ৰ কৰিবনে। এইটোৰ এটা জবাব দিব লাগে লগতে এই বিষয়ে আমাৰ গৃহ বিভাগৰ মন্ত্ৰী দপ্তৰৰ তৰফৰ পৰা কোৱা হৈছিল যে এন্টি কৰাপচনৰ যিটো ৰিপৰ্ট দিয়া হৈছিল সেইটো মাননীয় সদস্য সকলক জ্ঞাতাৰ্থে একোখন প্ৰতিলিপি দিব লাগে।

* Shri Keshab Chandra Gogoi :— Mr. Speaker, Sir, on the order of the Inspector General of Police, an enquiry was made by the Superintendent of Police, Anti Corruption Branch into allegations against certain irregularities alleged to have been committed by the following officers of the 4th A. P. Bn. in the year 1966-67.

1) Shri R. C. Dutta.
   2 i/o, Presently S. P. Jorhat.

2) Shri N. C. Bhattacharjee,
   the then Asstt. Commdt. presently Commandant 6th AP Bn.

3) Shri Khagen Sarkar Barua,
   the then Asstt. Commdt.
   now Commdt. 8th AP. Bn.

* Speech not corrected

4) Shri P. K. Mahanta,
the then Asstt. Commdt., now SP. Border.

The allegations were that though retions for the personnel of the advance head quarters deployed in NC Hills for the period 26-6-66 to 30-7-66 were not supplied by the Contractor, the cost of the ration for the aforesaid period valued at Rs. 14, 288, 51 P.was drawn on the certificate furnished by Shri R.C. Dutta.

The IGP submitted the report on the basis of the ACB enquiry against the above officers. He has also forwarded the written explanation of the officers. On the besis of IGP's report departmental proceedings were drawn up and charges were framed against them.

As the Assembly question relates only to Shri R.C. Dutta, charges which were framed against him are given in brief as follows—

(1) He had opened a C.S.D. canteen in March 67 at the advance headquarters at Mahur without the approval of the Commandent.

(2) No proper account was maintained and no effective supervision was controlled or exeroised by him in respect of CSD canteen.

(3) He took aloan of Rs. 13,000/— from Shri Y. Gupta, a ration contractor of the Bn. to start a canteen in exercise of his influence under official colour.

(4) Due to breakdown of communications, fresh rations for the period 26. 6. 66 to 30. 7. 66 could not be drawn although indents of the rations to the ration contractors were issued. Subsequently, bills amounting to Rs. 14288. 51 P. were drawn on the basis of certificate issued by Shri R.C. Dutta although no supply of ration was received and the amount was paid to the contractor. Thus he gave a financial benefit to the contractor.

Government appointed Shri L.B.K Dey to conduct the enquiry but as he proceeded on long leave, Shri J. Sarma Pathak, Addl. I.G.P. was made the Inquiring officer. Shri Sarma Pathak instead of going through the normal procedures as laid down in Assam Services Discipline and Appeal Rules, 1964 submitted areport to the Govt. giving his comments on the charges in the light of explanation submitted to Govt. by Shri R.C. Dutta. He felt that it may not be fruitful to proceed any further in the case. In view of the observations made by the Additional IGP Shri Pathak, the Govt. dropped the proceedings. However, Govt. would not hasitate to have a second look in matter if required.

Shri Premodhar Bora :— Sir, this is a very serious matter. I want to know whether the report submitted by Shri Rabi Das Choudhury will be furnished and placed on the table of the House ?

Shri Keshab Chandra Gogoi :— Sir, I have already stated in my statement that the report of the Anti-Corruption people contains certain irregularities on the basis of which proceedings were drawn up.

শ্ৰীগজেন তাঁতী :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো অতিৰিক্ত আই জি পি শ্ৰীশৰ্ম্মা পাঠকৰ ৰিপোৰ্টটোত তেখেতে দিটেইলচ নেচাই উক্সপ্লেনচনৰ দৰে ৰিপোৰ্ট দিয়া বুলি মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে সেই ভিত্তিতে কেচটো ড্ৰপ কৰা হ'ল বুলিও কৈছে কিন্তু ইয়াৰ আগতে এই ঘটনা সত্য বুলিও আগতে এন্টি কৰাপচন ৰিপোৰ্ট আছে বুলি কৈছে গতিকে তাৰ পাচতো কেচটো ড্ৰপ কৰা কথাটো তেখেত আইন মন্ত্ৰী হিচাবে ভাল হৈছে বুলি ভাবে নেকি ?

Shri Premodhar Bora:— Sir, without going through the normal Procedure and without proper enquiry how can there be acquittal ?

Shri Keshab Chandra Gogoi :— Sir, I have already stated that Govt. would not hesitate to have a second look in the matter, if required.

Shri Premodhar Bora :— Whether the Deputy Secretary, Shri Barman was also asked to submit a

report on this matter? If so whether he has submitted any report? What is his noting on the order sheet?

শ্ৰীগজেন তাঁতী :— যিটো ৰিপোৰ্টৰ ভিত্তিত কেচটো ড্ৰপ কৰা হ'ল ইমান চিৰিয়াচ এলিগেচন থকা স্বত্বেও সেইটো উচিত বুলি মন্ত্ৰী মহোদয়ে বিবেচনা কৰিছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— আমাৰ গৃহ বিভাগৰ দায়ীত্বত থকা মুখ্য মন্ত্ৰী মহোদয় অতিৰিক্ত আই জি পি আৰু তেখেতৰ সচিব আৰু মুখ্য সচিবৰ নোটৰ ওপৰত ভিত্তি কৰি কেচটো ড্ৰপ কৰিছে। আজি এই সদনৰ যিখিনি ভাবধাৰা সেইখিনি মই মুখ্য মন্ত্ৰীক জনাম।

Shri Premodhar Bora :— Sir, the House should be taken into confidence. It is a very serious matter, which is pending for long 12 years, and after 12 years without trial acaqital order has been passed. Therefore Sir, on behalf of this side I urge upon the Government to have a fresh look and submit the enquiry report made by the Anti-Corruption Department and also the p oceedings on the basis of which proceedings the have been dropped without any trial, without going to merit of the case. I cannot understand how drawn up proceedings can be dropped without going to the merit of the case. Therefore, Sir, the House should be taken into confidence. We demand that the enquiry report on such serious charges of corraption should be pleaced

before the House.

শ্ৰীচামচুল হুদা ঃ— মই এটা স্পষ্টীকৰণ বিছাৰিছো মন্ত্ৰী মহোদয়ে কৈছে যে অতিৰিক্ত আই জি পিৰ ৰিপোৰ্টক ভিত্তি কৰি কেচটো ড্ৰপ কৰিছে, মোৰ প্ৰশ্ন হৈছে এই অভিযোগটো সচা নে মিছা? এই টকা এনে ভাৱে প্ৰিৱেচনৰ নামত খৰছ কৰাটো.........ইংৰাজীত দ্বিতীয় কথা হৈছে ফাইনেনচিয়েল ৰয় ভায়োলেট কৰা হৈছে নে নাই? আৰু তৃতীয় প্ৰশ্ন হৈছে নীতিৰ ব্যতিক্ৰম কৰা হৈছে নে নাই? গোটেই-খিনি মিলি যিখিনি অভিযোগ উৎথাপিত হৈছে সেইখিনি সচা হয় নে নহয়? তাৰ জবাব লাগে। যদি অভিযোগ সত্য হয় তেনেহলে কি ভিত্তিত তেওঁক ৰেহাই দিয়া হৈছে?

শ্ৰীকেশৰ চন্দ্ৰ গগৈ ঃ— অধ্যক্ষ মহোদয় মই কৈয়ে গৈছো যে এন্টি কৰাপচনে সচা বুলি ৰিপোৰ্ট দিছিল আৰু সেইমতে প্ৰচিডিংচ ড্ৰ কৰা হৈছিল। সাধাৰণতে প্ৰচিডিংচ ড্ৰ কৰাৰ পাচত কেচটো বিচাৰ কৰিবৰ কাৰণে এজন এনকুৱাৰী অফিছাৰ নিয়োগ কৰা হয় আৰু তেওঁ গোটেই কেচটো চাই চিতি হিয়াৰিং লৈ তেওঁৰ জাজমেণ্ট দিয়ে। কিন্তু এই কেচটোত মেলাফাইদি ইনটেনচন নাছিল বুলি ক্ল্যেৰা হৈছে। No useful purpose would be served by proceeding in the matter. মই এটা কথা জনাব বিছাৰিছো এই গোটেই কথাখিনি হিলচত হৈছিল জংগলৰ মাজত। সেই বিলাক জাগাত কেতিয়াবা সম্পূৰ্ণ ফাইনেনচিয়েল ৰুল অবজাৰ্ভ কৰা কেতিয়াবা অসুবিধাও হয়। মেলাফাইদি উদ্দেশ্য কৰিবৰ যদি ভাৱ নাথাকে তেন্তে কিছুমান কথা ৰেগুলাৰইজ হবা যায়। আমাৰ অতিৰিক্ত আই জি পিয়ে ৰিপোৰ্ট দিছে সেই ৰেকৰ্ড ৰিপোৰ্ট পৰীক্ষা কৰিয়ে এইটো কৰা হৈছে। এতিয়া সদনে যি উদ্বেগ প্ৰকাশ কৰিছে সেইখিনি মই মুখ্য মন্ত্ৰীক জনাম।

Mr. Speaker :— The House stands adjourned till 9 A. M. of 6th April, 1979.

## ADJOURNMENT

The House then rose at 4-19 P. M. and stood adjourned till 9 A.M. on Friday, the 6th April, 1979.

DISPUR :
The 5th April, 1979.

P. D. BARUA,
Secretary,
Assam Legislative Assembly